● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

জীৱনৰ আটাইতকৈ ডাঙৰ ঝুকিটো হৈছে কোনো ঝুকি নোলোৱাটো। এই দ্ৰুত পৰিৱৰ্তনশীল পৃথিৱীত কোনো ঝুকি নোলোৱা মানে ব্যৰ্থতা নিশ্চিত।

মাৰ্ক জুকাৰবাৰ্গ
*ফেচবুকৰ স্ৰষ্টা*



৭ মহাকাশ ভ্ৰমণৰ বাবে টিকট বুকিং আৰম্ভ
১৫ অসমৰ বিপক্ষে ৰঞ্জীত মহাৰাষ্ট্ৰৰ শক্তিশালী স্থিতি
৪ ইউনেস্ক'ৰ মৰ্যাদা প্ৰদানৰ নতুন মাত্ৰা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩২তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৬ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১৯ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 19 February 2022 মূল্য ঃ ৯.০০ টকা

■ ২০০৮ৰ আহমেদাবাদৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ গোচৰৰ ৰায়দান ■ ১১জনক আমৃত্যু যাৱজ্জীৱন কাৰাদণ্ড ■ ২০০৮ৰ ২২টা বিস্ফোৰণত ৫৬ জনৰ প্ৰাণহানি, দুই শতাধিক আহত

# অভিলেখ সৃষ্টিৰে ৩৮জনক মৃত্যুদণ্ড

■ নিউজ ব্যুৰ'
**আহমেদাবাদ, ১৮ ফেব্ৰুৱাৰী ঃ** আহমেদাবাদৰ ধাৰাবাহিক বিস্ফোৰণৰ গোচৰত দোষী সাব্যস্ত হোৱা ৪৯ জনৰ ভিতৰত ৩৮ জনকে আজি মৃত্যুদণ্ড বিহে বিশেষ আদালতে। ২০০৮ত সংঘটিত এই বিস্ফোৰণত দোষী সাব্যস্ত হোৱা আন ১১ জনক আমৃত্যু যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে আহমেদাবাদৰ বিশেষ আদালতে। এই ধাৰাবাহিক বিস্ফোৰণৰ ঘটনাত মুঠ ৫৬ জন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি দুই শতাধিক লোক আহত হৈছিল। তদন্তকালত মুঠ ৪৯ জন এই নৰহত্যালীলাৰ বাবে দোষী সাব্যস্ত হয়। উল্লেখ্য যে প্ৰায় ৮০ জন অভিযুক্তৰ বিৰুদ্ধে তদন্ত কৰা হৈছিল। গুজৰাটৰ ৰাজধানী আহমেদাবাদত সংঘটিত এই বিস্ফোৰণৰ ঘটনাৰ ১৪ বছৰ পাছত অপৰাধীসকলক শাস্তি প্ৰদান ১০ পৃষ্ঠাত চাওক






## তদন্ত আৰু তদন্ত ঃ তাৰ নাই যে অন্ত

■ দয়ানন্দ পাঠক



**দুষ্কৃতি-** দুৰ্নীতিৰ বিৰুদ্ধে অসম চৰকাৰে বলিষ্ঠ পদক্ষেপ লোৱাটো পৰিলক্ষিত হৈছে। চৰকাৰী কাম-কাজবোৰ যে বৰ সৰল আৰু চিধা ৰাস্তাৰে নহয়, সেই কথা ৰাজ্যখনৰ প্ৰতিগৰাকী মানুহেই জানে। লাট মণ্ডলৰ অফিচত মাটিৰ সমস্যা সমাধানবোৰৰ ক্ষেত্ৰত ভ্ৰাতৃ-ভগ্নীৰ মাজতো উপঢৌকন চলে বুলি বহুতেই কয়। ১০ পৃষ্ঠাত চাওক

## সোণাৰিত পেট্ৰ'ল ডিপ'ৰ সন্মুখত বোমা!



অগ্ৰদূত বাৰ্তা
**সোণাৰি, ১৮ ফেব্ৰুৱাৰী ঃ** সোণাৰি নগৰৰ চৰাইদেউ পেট্ৰ'ল ডিপ'ৰ সন্মুখত পথৰ দাঁতিত আজি দিনৰ ১২ বজাত সন্দেহজনকভাৱে পৰি থকা এটা ট্ৰেভেল ১০ পৃষ্ঠাত চাওক

■ দিন দুপৰতে ৩৭ নম্বৰ ঘাইপথত চৰম নৈৰাজ্য ■ নিৰ্বিকাৰ আৰক্ষী-প্ৰশাসন ■ জনতাই জ্বলালে ট্ৰাক, পলাল চালক-হেণ্ডিমেন

## ভুল দিশেৰে অহা ট্ৰাকে মহানগৰীত মহটিয়াই মাৰিলে স্কুটী আৰোহীক

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** আৰক্ষী-প্ৰশাসনৰ অমনোযোগিতাৰ ফলত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ, বিশেষকৈ জালুকবাৰীৰ পৰা খানাপাৰাৰ মাজৰ ১৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা ক্ৰমান্বয়ে নৰক কুণ্ডলৈ পৰ্যবসিত হৈছে।



ব্যৱসায়িক প্ৰতিষ্ঠানৰ দুষ্কাৰ্য, বিভিন্ন ব্যৱসায়িক যান-বাহনৰ দৌৰাত্ম্যৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথছোৱাত দিন দুপৰতে নৈৰাজ্যৰ সৃষ্টি হৈছে। তৎসত্বেও সংশ্লিষ্ট কৰ্তৃপক্ষৰ ৰহস্যজনক মৌনতাই পৰিস্থিতি আৰু অধিক জটিল কৰি তুলিছে। তাৰেই ১০ পৃষ্ঠাত চাওক

## পাখি মিঞাৰ পুত্ৰসহ ১৪ কোটিৰ নিষিদ্ধ মৰফিন জব্দ

অগ্ৰদূত বাৰ্তা
**সোণাপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** আজি সন্ধিয়া মহানগৰীৰ উপকণ্ঠৰ সোণাপুৰৰ নাজিৰাখাতস্থিত টোলগেটত নাৰ্কটিক কন্ট্ৰ'ল ব্যুৰ'ৰে চলোৱা এক অভিযানত বৃহৎ পৰিমাণৰ ১০ পৃষ্ঠাত চাওক

পৌৰসভাতো ধনৰ সোঁত বোৱাবলৈ সাজু ■ চৰ্চাৰ শীৰ্ষত বিজেপি, তাৰ পাছতে কংগ্ৰেছ ■ নামতহে ৩৬ হেজাৰ টকা সৰ্বোচ্চ ব্যয়

## পৌৰ নিৰ্বাচনৰ প্ৰাৰ্থীক ধন যোগানৰ ভাগে ভাগে দায়িত্ব অৰ্পণ নেতাক

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া পৌৰ নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি অহা ২০ ফেব্ৰুৱাৰীৰ পৰা প্ৰাৰ্থীসকলে আনুষ্ঠানিক প্ৰচাৰ আৰম্ভ কৰিব পাৰিব। তাৰ পূৰ্বেই অনানুষ্ঠানিকভাৱে সকলোৱে নিজা নিজা কৌশলেৰে প্ৰচাৰ অব্যাহত ৰাখিছে। সম্প্ৰতি ঘৰে ঘৰে প্ৰচাৰ অভিযানত প্ৰাৰ্থীসকলে গুৰুত্ব দিছে। ২০ ফেব্ৰুৱাৰীৰ পৰা ৰাজহুৱা সভা অনুষ্ঠিত হ'ব। প্ৰচাৰৰ তীব্ৰতা বৃদ্ধিৰ সমান্তৰালকৈ ধন ব্যয়ৰ প্ৰকোপো বাঢ়িছে। নিৰ্বাচন আয়োগে ধাৰ্য কৰি দিয়া একোজন প্ৰাৰ্থীয়ে সৰ্বাধিক ৩৬ হেজাৰ টকা ব্যয় কৰিব পাৰিব। ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৩° |
| ডিব্ৰুগড় | ২৬° | ১২° |
| দিল্লী | ২৭° | ১২° |
| কলকাতা | ২৮° | ১৬° |
| মুম্বাই | ২৯° | ২১° |
| চেন্নাই | ৩০° | ২৪° |
| বাংগালুৰু | ২৯° | ১৬° |
| শ্বিলং | ১৮° | ০৬° |

*১৮ ফেব্ৰুৱাৰী, ২০২২*

মিজোৰামৰ পৰা সৰবৰাহ কৰি জালত পৰিল

## চোৰাং বাৰ্মিজ চুপাৰিসহ গ্ৰেপ্তাৰ বিজেপি নেতা



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** সৰিয়হৰ ডুলিতে ভূত ওলাল। চোৰাং বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ বিৰুদ্ধে বিজেপি নেতৃত্বাধীন চৰকাৰে কঠোৰতা অৱলম্বন কৰাৰ সময়তে বাৰ্মিজ চুপাৰি সৰবৰাহ কৰি এজন বিজেপি নেতা গ্ৰেপ্তাৰ হ'ল। প্ৰায় ১০ টন ১০ পৃষ্ঠাত চাওক

## মহানগৰীত ১০ টা অবৈধ পানী বটলিং কাৰখানা ছীল

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** জনস্বাস্থ্যৰ প্ৰতি তীব্ৰ ভাবুকিৰে গ্ৰাহকক ৰাম্‌ঠগন দি বিশুদ্ধ খোৱাপানীৰ নামত একাংশ পানী বটলিং কাৰখানাই ১০ পৃষ্ঠাত চাওক

■ বিত্তমন্ত্ৰী সীতাৰমণক সাক্ষাৎ ■ অসমে পাবলগীয়া পুঁজিৰ অংশৰ ভিত্তিত ৰাজ্যিক বাজেটত মূলধনী প্ৰকল্প গ্ৰহণ ■ ২০২১তকৈ অধিক ভাল ফলাফল হ'ব মাজুলীত ঃ মুখ্যমন্ত্ৰীৰ দাবী

## কেন্দ্ৰৰ পৰা ধন কিমান পাব বুজ ল'লে শৰ্মাই

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অহা ১৬ মাৰ্চত বিধানসভাত দাখিল হ'বলগীয়া ২০২২-২৩ৰ ৰাজ্যিক বাজেটৰ পূৰ্বে অসম চৰকাৰে কেন্দ্ৰৰ পৰা লাভ কৰিবলগীয়া পুঁজিৰ সম্পৰ্কত আজি নতুন দিল্লীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই সাক্ষাতৰ পাছত মুখ্যমন্ত্ৰীয়ে কয় যে পুঁজিৰ পৰিমাণৰ ভিত্তিত ৰাজ্য চৰকাৰে মূলধনী প্ৰকল্পৰ প্ৰস্তাৱ গ্ৰহণ কৰিব। তেওঁ কয়,



'কেন্দ্ৰীয় বাজেটত এইবাৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মূলধনী প্ৰকল্পৰ বাবে এক লাখ কোটি টকা ধাৰ্য কৰা হৈছে। তাৰে ৭০ হেজাৰ কোটি টকা ৰাজ্যবোৰে পাব। অসমে তাৰ পৰা কিমান আশা কৰিব পাৰে সেই বিষয়ে কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰীৰ লগত আলোচনা কৰা হয়, যাতে আমি মূলধনী প্ৰকল্প গ্ৰহণ কৰিব পাৰো। তদুপৰি ভাৰত চৰকাৰৰ পৰা অসমে কিমান পুঁজি অন্যান্য শিতানত লাভ কৰিব পাৰে সেই বিষয়েও আলোচনা ১০ পৃষ্ঠাত চাওক




## মহাৰাষ্ট্ৰত শ্ৰীশংকৰদেৱৰ নামঘৰৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

বিশেষ সংবাদদাতা
**মুম্বাই, ১৮ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহাৰাষ্ট্ৰৰ ৰাইগড় জিলাৰ কৰজত অঞ্চলৰ পোচাৰি আৰু টাওৱে গাঁৱৰ ৰাইজৰ উদ্যোগত তথা মুম্বাইৰ প্ৰবাসী অসমীয়া সমাজৰ সহযোগত গাঁওখনত ১০ পৃষ্ঠাত চাওক



■ ধনী ঘৰৰ সন্তানৰ আসক্তিৰ তথ্য লাভ

## দিল্লীৰ পৰা নিয়ন্ত্ৰণ ঃ বিদেশী নাগৰিকৰ জৰিয়তে অসমলৈ কোকেইন সৰবৰাহ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** এক আন্তঃৰাষ্ট্ৰীয় চক্ৰই উত্তৰ-পূবৰ মূল বাণিজ্যিক চহৰ গুৱাহাটী মহানগৰীক কেন্দ্ৰ কৰি মাৰাত্মক কোকেইনৰ ব্যৱসায় চলোৱাৰ তথ্য পোহৰলৈ আহিছে। শেহতীয়াকৈ কোকেইনসহ দুই নাইজেৰিয়ান নাগৰিক মহানগৰ আৰক্ষী আৰু অপৰাধ শাখাৰ জালত পৰাৰ পাছতে এটা আন্তঃৰাষ্ট্ৰীয় চক্ৰই অব্যাহত ৰখা মাৰাত্মক কোকেইন সৰবৰাহৰ বহু তথ্য আৰক্ষীয়ে লাভ কৰিছে। উত্তৰ-পূবত ১০ পৃষ্ঠাত চাওক

## চেঙা তেল




*ফটো তোলা হৈ গ'ল যেতিয়া আঁচনিৰ আধা-আধি ৰূপায়ণ হৈ গ'ল বুলিয়ে ধৰি লওক!*

## ৰঙাপৰাত মালবাহী ৰেল দুৰ্ঘটনাগ্ৰস্ত



বিশেষ সংবাদদাতা
**ৰঙাপৰা, ১৮ ফেব্ৰুৱাৰী ঃ** ৰঙাপৰা ৰেল জংছনৰ সমীপত আজি এখন মালবাহী ৰেল গাড়ী দুৰ্ঘটনাগ্ৰস্ত হয়। ৰেলপথৰ পৰা নামি যায় চলন্ত মালবাহী ৰেলখন। ১০ পৃষ্ঠাত চাওক



# দৈনিক অগ্রদূত

গুৱাহাটী, ১৯ ফেব্রুৱাৰী, শনিবাৰ ২০২২ পৃষ্ঠা তিনি


## বিলাসনন্দন চ'ৰা



## কিহৰ হিচাপ লাগে?

**দিল্লীৰ** দৰবাৰত এইকেইদিন টেনছনৰ পৰিৱেশ। বাদশ্বাহৰো মুড ভাল নহয় কাৰণে মুডী হৈ দেখুৱাব পৰা নাই। পাঁচ ৰাজ্যৰ ভোট। কিন্তু বাদশ্বাহে বৰ মনোযোগ দিব পৰা নাই। খাওঁতে-লওঁতে উঠোতে-বহোতে কেৱল এই কথাটোৱে শুনি আছে যে হিচাপ লাগে! হিচাপ বস্তুটো এনেকুৱা নহয়তো যে যেতিয়াই-তেতিয়াই দি দিব পৰা যাব। হিচাপ দিয়া আৰু বেচি দিয়া— দুটা সম্পূর্ণ বেলেগ বিষয়। যেতিয়াই-তেতিয়াই বেচি দিব পাৰি, তাৰ কাৰণে মগজো খটুৱাব নালাগে। ইমানদিনে বাদশ্বাহে ষ্টেছনৰ পৰা এয়াৰপোৰ্টলৈকে যিমান বেচিলে, সৱ চকু মুদিয়ে বেচিছে! চকুকেইটা মেলিলেই আৰু বহু বেচা নোযোৱা বস্তু দেখা পোৱা যাব, লগালগ বেচি দিবৰ মন যাব, সেইকাৰণে বাদশ্বাহে চকু মুদিয়ে সৱ বেচি গৈ আছে। কিন্তু হিচাপ? ১০-১২ টা গজগজীয়া মগজ লগ লাগিও বহুতৰে হিচাপ উলিয়াব নোৱাৰে। ব'ৰ্ফৰ্ছৰ হিচাপ আজিও নোলাল। ২-জিৰ হিচাপ নোলালেই! কয়লা নিলামৰ হিচাপ নোলালেই! বাদশ্বাহে কিন্তু আজিলৈ একোৰে হিচাপ দিব লগা হোৱা নাই। দেছবাচীৰ এটা বিশ্বাস আছে যে তেওঁ বেপৰোৱা হ'লেও বেহিচাপী নহয়। ধামাকাবোৰ দিলেও বহু হিচাপ কৰি কৰি দিয়ে। ক'ৰবাত কিবা হিচাপৰ গণ্ডগোল ফাদিল হোৱা যেন পালেই এইফালে জোৰদাৰ ধামাকা এটা লগাই দিয়ে। ধামাকাই সৱ বেহিচাপৰ আলাপ-প্ৰলাপবোৰ নুশুনা কৰি পেলায়।

এইবাৰ পিছে বাদশ্বাহৰ অলপ টেনছন হৈছে। হিচাপ লাগে, হিচাপ লাগে জাতীয় কথাবোৰ শুনি শুনি বাদশ্বাহৰ এনে টেনছন হ'ল যে এদিন জৰুৰী ৰাজসভা এখনকে পাতি পেলালে। ৰাজসভাৰ সভাসদসকলক সম্বোধন কৰাৰ ফৰ্মেলিটীবোৰ নকৰাকৈয়ে



বাদশ্বাহে আৰম্ভ কৰিলেই—'কিহৰ হিচাপ লাগে হা কিহৰ হিচাপ লাগে?'

সভাসদসকলে আচৰিত হ'ল! আগ নাই গুৰি নাই, বাদশ্বাহে হঠাতেনো এইটো কি প্ৰশ্ন কৰিলে—'কি হ'ল জাহাপনা?'

ঃ হিচাপ লাগে বোলে! কিহৰ হিচাপ লাগে?

ঃ নাজানো জাহাপনা।

ঃ চুইচ বেংকৰ পৰা কিমান টকা আহিল, তাৰে হিচাপ লাগে নেকি?

ঃ নাজানো নহয়।

ঃ কাৰ একাউণ্টত কিমান জমা হ'ল, তাৰে হিচাপ লাগে?

ঃ নাজানো।

ঃ বুলেট ট্ৰেইন চলাবলৈ জাপানে কিমান পুঁজি দিলে, তাৰে হিচাপ লাগে?

ঃ নাজানো জাহাপনা!

ঃ নোটবন্দী কৰি কিমান ক'লা টকা পোৱা গ'ল তাৰে হিচাপ লাগে নেকি?

ঃ নাজানো!

ঃ কেয়াৰ ফাণ্ডৰ হিচাপ লাগে?

ঃ নাজানো, সঁচাই নাজানো!

ঃ ৰাফেলত কিমান কমিছন খোৱা হ'ল, তাৰে হিচাপ লাগে?

ঃ নহয় নেকি?

ঃ বস্তুবোৰ বেচি বেচি কিমান টকা পোৱা গ'ল, তাৰ হিচাপ লাগে?

ঃ নাজানো।

ঃ স্বচ্ছতাৰ নামত কিমান টয়লেট বনোৱা হ'ল, তাৰ হিচাপ লাগে?

ঃ সঁচাই নাজানো জাহাপনা।

ঃ বিজয় মালিয়াই কিমান লুটি পলাল, তাৰ হিচাপ লাগে?

ঃ নাজানো!

ঃ নীৰৱ মোদী-ঋষি আগৰৱালাৰ বেংক লুটৰ হিচাপ লাগে?

ঃ নাজানো!

ঃ কৰিশ্মা দেখুৱাই ভাল পোৱা কৰিশ্মা শ্বাহৰ পুতেকৰ প্ৰপাৰ্টি কিমান বাঢ়িল, তাৰ হিচাপ লাগে?

ঃ এইবোৰ হিচাপনো কাক লাগিব জাহাপনা?

ঃ তেন্তে হিচাপ হিচাপ বুলি চিঞৰি আছে কিয়?

এজন সভাসদে বাদশ্বাহৰ খংটো বুজি পালে। বুজি পাই ক'লে, 'জাহাপনা, হিচাপ লাগে বুলি কোৱা নাই! কিছুমানে হিজাব লাগে বুলিহে চিঞৰি আছে!'

স্বস্তিৰ নিশ্বাস এৰি বাদশ্বাহে ক'লে, 'হয় নেকি? ভাল কথা! এটা কাম কৰা তেন্তে?'

ঃ কি জাহাপনা?

ঃ হিজাবেৰে সৱ হিচাপ ঢাকি দিয়া!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## ৰঙিয়াত আৰক্ষীৰ গুলিত আহত টিকলা



অগ্রদূত বার্তা

**ৰঙিয়া, ১৮ ফেব্রুৱাৰী ঃ** যোৱা নিশা ৰঙিয়া আৰক্ষীৰ গুলিত আহত হ'ল এজন দুৰ্ধৰ্ষ অপৰাধী। তেওঁক গুৰুতৰ আহত অৱস্থাত ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীয়ে ছয় পৃষ্ঠাত চাওক

## বাৰিষাৰ পূৰ্বে ভূৰাগাঁৱত মথাউৰি নিৰ্মাণ সম্পূৰ্ণৰ দাবীত গেৰুৱাত বানাক্ৰান্তৰ পথসভা

অগ্রদূত বার্তা

**ভূৰাগাঁও ১৮** ফেব্রুৱাৰী ঃ আজি মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত গেৰুৱা চাৰিআলিত অঞ্চলটোৰ বানাক্ৰান্ত ৰাইজ আৰু ছাত্ৰ ছাত্ৰী সকলে এক পথসভা আৰু অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ন কৰে। অঞ্চলটোৰ অৱসৰ প্ৰাপ্ত শিক্ষক বুধেন্দ্ৰ নাথ ডেকাৰ সভাপতিত্বত অনুসূচিত পথসভাত অংশ গ্ৰহণ কৰে, তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী সদস্য বিপিন চন্দ্ৰ বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ কান্ত শইকীয়া, খগেন্দ্ৰ নাথ ডেকা, নিজগেৰুৱা গাঁও পঞ্চায়তৰ সভানেত্ৰী বুদ্ধেশ্বৰী বৰদলৈ, বৰালিমাৰী ছয় পৃষ্ঠাত চাওক

■১৯ ক্ষুব্ধ বিজেপিৰ নিৰ্দলীয় ৰূপে মনোনয়ন ■ নিৰ্দলীয়ৰ ৰূপত ক্ষুব্ধ বিজেপি সদস্য ■ ক্ষোভ মৰিষণৰ চেষ্টা সাংসদ পল্লৱলোচনৰ ■ মনোনয়ন প্ৰত্যাহাৰৰ বাবে হেঁচা

# প্ৰাৰ্থিত্বক লৈ ক্ষোভ তেজপুৰ বিজেপিত



*যমুনামুখত আৰক্ষীৰ জালত চাৰি চোৰাং চিকাৰী, শুকুৰবাৰে।*

অগ্রদূত বার্তা

**তেজপুৰ, ১৮ ফেব্রুৱাৰী ঃ** পৌৰসভা নিৰ্বাচনকলৈ তেজপুৰত বিজেপি আৰু কংগ্ৰেছে বিশেষভাৱে তৎপৰ হোৱাৰ সময়ত ইয়াত নিৰ্দলীয় সদস্যৰ পয়োভৰে আটাইতকৈ শ'লঠেকত পেলাইছে বিজেপিক। শাসকীয় দলটোৰ একাংশ প্ৰাক্তন পৌৰ সদস্যৰ লগতে দলটোৰ সাংগঠনিক ক্ষেত্ৰত দীৰ্ঘদিন ধৰি পৰিশ্ৰম কৰা বহুসংখ্যক প্ৰাৰ্থিত্ব প্ৰত্যাশীক পৌৰ নিৰ্বাচনৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত কৰাৰ ক্ষোভত তেজপুৰৰ প্ৰায় সংখ্যক ৱাৰ্ডত বিজেপিৰ বিক্ষুব্ধ সদস্য একাংশই নিৰ্দলীয় ৰূপত মনোনয়ন দাখিল কৰিছে। এইপৰ্যন্ত তেজপুৰত মুঠ ২৩ জন নিৰ্দলীয় সদস্যৰ বিপৰীতে ১৯ জনেই ছয় পৃষ্ঠাত চাওক

**নিখিল ৰাভা ছাত্ৰ সন্থা-মহিলা পৰিষদৰ অধিবেশন আৰম্ভ**

## ভেৰগাঁও বীৰ দদান সমন্বয় ক্ষেত্ৰ উদুলি-মুদুলি



অগ্রদূত বার্তা


**টংলা, ১৮ ওদালগুৰি ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও বীৰ দদান সমন্বয় ক্ষেত্ৰত আজিৰ পৰা আৰম্ভ হৈছে নিখিল ৰাভা ছাত্ৰ সন্থাৰ ১৮ সংখ্যক আৰু নিখিল ৰাভা মহিলা পৰিষদৰ ১১ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন। অধিবেশনৰ মুখ্যদ্বাৰ উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক কুমুদ কছাৰীয়ে। আদৰণি সমিতিৰ পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি শশীন্দ্ৰ ৰাভাই। আদিৰাম ৰাভা আৰু হেমত বড়ো সোঁৱৰণী ভোজনালয় উদ্বোধন কৰে সমাজসেৱক তথা ইউপিপিএলৰ ভেৰগাঁও জিলাৰ উপ-সভাপতি মনমোহন বড়োৱে। খৈৰাবাৰী সমষ্টিৰ পাৰিষদ ভবেন্দ্ৰ বড়োৱে বায়'খ দাম পূজাস্থলীৰ দ্বাৰ মুকলি কৰি নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ কেন্দ্ৰীয় অধিবেশন সফলতা কামনা কৰাৰ লগতে শান্তিপূৰ্ণ-শৃংখলাবদ্ধভাৱে সম্পন্ন হোৱাৰ কামনা কৰে। আনহাতে, দিনৰ ভাগত কে'বাটাও কাৰ্যসূচী ৰূপায়ণৰ পাছত নিশা প্ৰতিনিধি সভাৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে। তিনিদিনীয়াকৈ আয়োজন কৰা ছয় পৃষ্ঠাত চাওক

## গোলাঘাটৰ ১৩ টা ৱাৰ্ডত ৩৪ প্ৰাৰ্থীৰ মনোনয়নপত্ৰ বৈধ

**দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ**

বিশেষ সংবাদদাতা

**গোলাঘাট, ১৮ ফেব্রুৱাৰীঃ** অহা ছয় মাৰ্চত হ'বলগীয়া গোলাঘাট মহকুমাৰ অন্তৰ্গত গোলাঘাট পৌৰসভাৰ অধীনৰ ১৩ টা ৱাৰ্ডৰ নিৰ্বাচনৰ বাবে আজি মনোনয়নপত্ৰসমূহৰ পৰীক্ষণ সম্পূৰ্ণ হয়। উল্লেখ্য যে গোলাঘাট পৌৰসভাৰ ১৩ টা ৱাৰ্ডৰ ভিতৰত কালি ১১টা ৱাৰ্ডৰ পৰীক্ষা সম্পূৰ্ণ হোৱাৰ বিপৰীতে আঠ আৰু ১০ নম্বৰ ৱাৰ্ডৰ মনোনয়নপত্ৰসমূহৰ পৰীক্ষাৰ সময় আজি পৰ্যন্ত বৃদ্ধি কৰা হৈছিল। গোলাঘাট পৌৰসভাৰ অধীনৰ আজি পৰীক্ষা কৰা আঠ আৰু ১০ নম্বৰ ৱাৰ্ডত চাৰিজন প্ৰাৰ্থীৰ মনোনয়নপত্ৰ বৈধ পোৱাৰ বিপৰীতে দুজন প্ৰাৰ্থীৰ মনোনয়ন নাকচ হয়। আঠ নম্বৰ ৱাৰ্ডত বিজেপিৰ অজয় ভৰালী আৰু ১০ নম্বৰ ৱাৰ্ডত বিজেপিৰ ৰবীন বৰুৱা, এ জে পিৰ জিতেন কাকতি আৰু আপৰ জুৰি সন্দিকৈৰ মনোনয়নপত্ৰ বৈধ হয়। আঠ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ ৰিছামণি গগৈ সিংহ আৰু ১০ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ নবীন কাকতিৰ মনোনয়নপত্ৰ নাকচ হয়। ইয়াৰ পূৰ্বে কালি ১১ টা ৱাৰ্ডৰ মনোনয়নপত্ৰসমূহৰ ভিতৰত আটাইকেইখন অৰ্থাৎ ৩০ জন প্ৰাৰ্থীৰ মনোনয়ন বৈধ হয়। সেই অনুসৰি এক নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ চিমা গগৈ শৰ্মা, বিজেপিৰ নৱনীতা বৰা আৰু আপৰ জোনমনি হাজৰিকা, দুই নম্বৰ ৱাৰ্ডত ছয় পৃষ্ঠাত চাওক


অসম চৰকাৰ

জনতাৰ চৰকাৰ | my GOV

বিশিষ্ট সমাজ সংগঠক, উদ্যোগপতি আৰু প্ৰশাসক

প্ৰয়াত দীপক কুমাৰ বৰঠাকুৰৰ

সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন অনুষ্ঠান

শেষকৃত্যস্থলী ঃ নৱগ্ৰহ শ্মশান, গুৱাহাটী

তাৰিখ ঃ ১৯ ফেব্ৰুৱাৰী

সময় ঃ দিনৰ ১১ বজা

বৰ্ণিল জীৱন কৃতি

- ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগ (ছিটা)ৰ প্ৰথমগৰাকী উপাধ্যক্ষ
- ৫০ বছৰীয়া দীঘলীয়া পৰিক্ৰমাৰে এল বি গ্ৰুপ অৱ ইণ্ডাষ্ট্ৰিজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ
- গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰ, শ্ৰীশংকৰদেৱ নেত্ৰালয়, নিউ আৰ্ট প্লেয়াৰ্ছ, বালাজী মন্দিৰ আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ অপৰিসীম অৱদান
- অসমত বিদ্যা ভাৰতীৰ অধীনস্থ শংকৰদেৱ শিশু নিকেতনসমূহৰ প্ৰতিষ্ঠা-প্ৰসাৰত বলিষ্ঠ ভূমিকা

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

জনসংযোগ/ডি/১৫৮৫৮/২১

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৬ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১৯ ফেব্ৰুৱাৰী ২০২২

# প্ৰচাৰ নে প্ৰলোভন?

**পাঁচ** ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত শাসক-বিৰোধী উভয়ে প্ৰচাৰৰ নামত যিদৰে পৰস্পৰৰ বিৰুদ্ধে স্থিতি গ্ৰহণ কৰিছে, এই ঘটনাই সমগ্ৰ দেশবাসীৰে দৃষ্টি আকৰ্ষণ কৰিছে। উত্তৰ প্ৰদেশ, পঞ্জাৱ, উত্তৰাখণ্ড, গোৱা আৰু মণিপুৰৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লোৱা দেশৰ প্ৰতিটো ৰাজনৈতিক দলে কেৱল প্ৰতিপক্ষক সমালোচনা আৰু গালি-গালাজ কৰিয়ে ৰাইজৰ পৰা ভোটভিক্ষা কৰিছে। পাঁচ ৰাজ্যৰ উত্তৰাখণ্ড আৰু গোৱাত এটা পৰ্যায়ত ভোটগ্ৰহণ সমাপ্ত হ'ল। উত্তৰ প্ৰদেশত সাতটা পৰ্যায়ৰ ভোট গ্ৰহণ চলি আছে আৰু পঞ্জাৱ-মণিপুৰত ভোট গ্ৰহণ বাকী আছে। সংশ্লিষ্ট ৰাজ্যকেইখনত নিৰ্বাচনৰ প্ৰচাৰত শাসকীয় দলে বিৰোধীক তুচ্ছ-তাচ্ছিল্য কৰাৰ বিপৰীতে বিৰোধীয়ে প্ৰচাৰ চলাবলৈ গৈ শাসক পক্ষৰ ব্যৰ্থতা-অকৰ্মণ্যতাক কঠোৰ সমালোচনা কৰিছে। একে সময়তে এয়াও দৃষ্টিগোচৰ হ'ল যে শাসক-বিৰোধী উভয়ে ভোটদাতাক প্ৰলোভনৰেও মন জয় কৰাৰ অপচেষ্টা চলাইছে। পাঁচ ৰাজ্যৰ নিৰ্বাচনত প্ৰতিটো দলেই ইস্তাহাৰত চৰকাৰ গঠন কৰিলে নানা ধৰণৰ সেৱা আৰু সামগ্ৰী বিনামূল্যে ৰাইজক যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিছে। বিনামূলীয়া বিদ্যুৎ, ৰন্ধন গেছ, স্কুটী, লেপটপ, স্মাৰ্টফোন, ৰেছন ইত্যাদি যোগান ধৰাৰ লগতে মাহেকীয়া ভাট্টা, কৰ্মসংস্থাপন প্ৰদানৰো প্ৰতিশ্ৰুতি দিছে শাসক-বিৰোধীয়ে। অৱশ্যে ভাৰতীয় ৰাজনীতিত এনে ধৰণৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি কোনো নতুন ঘটনা নহয়; কিন্তু বিৰোধীৰ সমানে যেতিয়া শাসক দলেও নিৰ্বাচনত একে প্ৰতিশ্ৰুতি দিবলৈ ধৰে, তেতিয়া ভোটদাতা বিবুধিত পৰাটোৱে স্বাভাৱিক। ক্ষমতাত থকাৰ পাছতো শাসক পক্ষই পুনৰ চৰকাৰ গঠন কৰিলেহে ৰাইজক 'ইটো দিম, সিটো দিম' বুলি প্ৰতিশ্ৰুতি দিয়াটো হাস্যকৰ নহয় নে? পৰিতাপৰ কথা যে ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাত এতিয়া নিৰ্বাচনক লৈ শাসক-বিৰোধীয়ে এনে এক প্ৰতিশ্ৰুতি প্ৰদানৰ হাস্যকৰ প্ৰতিযোগিতাতে অৱতীৰ্ণ হৈছে।

শাসকীয় দলসমূহৰ লগতে বিৰোধীয়েও নিৰ্বাচনৰ প্ৰচাৰত একে কৌশল অৱলম্বন কৰাত স্বাভাৱিকতে ভোটদাতা ৰাইজ বিভ্ৰান্ত হৈছে। তদুপৰি মন কৰিবলগীয়া কথা হৈছে, নিৰ্বাচনৰ প্ৰচাৰত অংশ লৈ ভাষণ প্ৰসংগত একাংশ বিয়াগোম নেতাই দলৰ ইস্তাহাৰত উল্লেখ নথকা প্ৰতিশ্ৰুতিও ৰাইজক দিছে। এবাৰ দলে ইস্তাহাৰ প্ৰকাশ কৰাৰ পাছত দ্বিতীয়খন প্ৰতিশ্ৰুতি পত্ৰ জাৰি কৰাৰ ঘটনাও পাঁচ ৰাজ্যৰ নিৰ্বাচনৰ প্ৰচাৰত সংঘটিত হৈছে। এইদৰে প্ৰতিশ্ৰুতিৰ ফুলজাৰিৰে প্ৰতিটো দলে পাঁচ ৰাজ্য দখলৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। এফালে এইদৰে প্ৰতিশ্ৰুতিৰে ভোটাৰৰ সমৰ্থন লাভৰ চেষ্টাৰ বিপৰীতে প্ৰচাৰৰ নামত শাসকে বিৰোধীক আৰু বিৰোধীয়ে শাসকসহ অন্য দলৰ সমালোচনাত মুখৰ হৈছে। ইমানতে ক্ষান্ত নাথাকি এটা দলে আনটোক গালি-গালাজ কৰিবলৈকো এৰা নাই। বিশেষকৈ উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ নিৰ্বাচনী প্ৰচাৰত গালি-গালাজৰ এনে দৃষ্টিকটু-শ্ৰুতিকটু প্ৰতিযোগিতাহে অধিক প্ৰত্যক্ষ হৈছে। সংশ্লিষ্ট ৰাজ্যৰ মুখ্যমন্ত্ৰী, বিৰোধী নেতাৰ পৰা আৰম্ভ কৰি স্বয়ং দেশৰ প্ৰধানমন্ত্ৰীলৈকে সকলোৱে দলৰ প্ৰচাৰৰ নামত এইদৰে পৰস্পৰক কটাক্ষ আৰু গালি-শপনি পৰাত উঠি-পৰি লাগিছে। ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনৰ বতৰত এনে আচৰণ প্ৰদৰ্শনৰ ফলত মূল ইছ্যুসমূহ গুৰুত্বহীন হৈছে। এয়া গণতন্ত্ৰৰ বাবে এক অশনি সংকেত। নিৰ্বাচনত যদিহে ৰাইজে কেৱল প্ৰতিশ্ৰুতি আৰু ৰাজনৈতিক নেতাৰ গালি-গালাজ শুনি চৰকাৰ নিৰ্বাচন কৰিব লগা হয়, তেন্তে ৰাজ্য এখনৰ প্ৰকৃত সমস্যাসমূহৰ সমাধানৰ পথ ওলাব কেনেকৈ?

এই কথাত সন্দেহ নাই যে মূল সমস্যাসমূহৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰাই ৰাখিবলৈকে ৰাজনৈতিক দলসমূহে এতিয়া নিৰ্বাচনত প্ৰতিশ্ৰুতি প্ৰদান আৰু পৰস্পৰক সমালোচনা কৰাত অগ্ৰাধিকাৰ দিবলৈ ধৰিছে। দেশৰ প্ৰায় প্ৰতিখন ৰাজ্যৰে জ্বলন্ত সমস্যাসমূহৰ অন্যতম হ'ল কৰ্মসংস্থাপনহীনতা, স্বাস্থ্য সেৱাৰ অভাৱ, আন্তঃগাঁথনিৰ দুৰ্বলতা ইত্যাদি। শাসক-বিৰোধী উভয়ে এই কথা ভালদৰে জানে যে ক্ষমতা লাভ কৰিলেও তেওঁলোকৰ পক্ষে এনেবোৰ গুৰুতৰ সমস্যা সমাধানৰে ৰাজ্যৰ দ্ৰুত বিকাশ নিশ্চিত কৰাটো বৰ সহজ নহ'ব। সেয়েহে ৰাজনৈতিক দলে প্ৰকৃত সমস্যাক আওকাণ কৰি নিৰ্বাচনত ৰাইজক নানা সস্তীয়া প্ৰলোভনৰে আকৰ্ষিত কৰাৰ অপকৌশল অৱলম্বন কৰিছে। পাঁচ ৰাজ্যৰ প্ৰচাৰত এইটো কৌশলৰে সৰ্বাত্মক ব্যৱহাৰ প্ৰতিটো দলে কৰাটো স্পষ্ট হ'ল। প্ৰায় প্ৰতিটো দলেই লাখ লাখ লোকক কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি দিছে ঠিকেই, কিন্তু ক'ত আৰু কেনেকৈ ইমান বৃহৎ সংখ্যক চাকৰি সৃষ্টি কৰা হ'ব তাৰ তথ্য প্ৰকাশ কৰা নাই। নিৰ্বাচনৰ ইস্তাহাৰত একোখন ৰাজ্যৰ মূল সমস্যাৰ কথা আৰু ইয়াৰ সমাধানৰ উপায় উল্লেখ নাথাকিলে যি দলেই ক্ষমতা লাভ নকৰক কিয়, সংশ্লিষ্ট ৰাজ্যৰ প্ৰকৃতাৰ্থত উন্নয়ন আৰু বিকাশ আশা কৰিব নোৱাৰি।

## খো লা ম ঞ্চ

# সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নেকি?



**ইংৰাজৰ** শাসনৰ পৰা ১৯৪৭ত ভাৰতে স্বাধীনতা লাভৰ সময়ত আমাৰ 'অসম' মাথোঁ অসম হিচাপেই ভাৰতবৰ্ষত সকলোৰে জ্ঞাত আছিল। ১৯৫৪ত মিজোসকলে লাভ কৰি থকা পাহাৰীয়া জিলাৰ স্থিতিৰ পাছত ১৯৭২ত কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ১৯৮৭ত পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰে। অসমৰ কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ সীমাই মিজোৰাম ৰাজ্য চুই আছে। ইয়াৰ পাছত অসমৰ এখন জিলা হিচাপে থকা নগালেণ্ডে ১৯৬৩ত ৰাজ্যৰ ৰূপ পাইছিল। সেই সময়ত ভাৰতৰ সন্মানীয় ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে ৰাজ্যখন উদ্বোধন কৰিছিল। নগালেণ্ডৰ সীমাই অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, গোলাঘাট আৰু ডিমা হাছাও জিলাৰ উপৰি কাৰ্বি আংলং জিলাৰ সীমাও চুইছে। ১৯৬৯ত মণিপুৰে কৰ্তৃত্বাধীন অঞ্চল পৰিষদ হিচাপে পৰিচয় লাভ কৰাৰ পাছত ১৯৭২ত ৰাজ্যৰ পৰিচয় লাভ কৰে। অসমৰ ডিমা হাছাও আৰু কাছাৰ জিলাৰ সীমাই মণিপুৰ ৰাজ্যৰ সীমা চুই আছে। ১৯৭২ত ক্ৰমান্বয়ে ত্ৰিপুৰা আৰু মেঘালয় ৰাজ্যই পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰে। এই দুয়োখন ৰাজ্যৰ সীমাই অসমৰ কৰিমগঞ্জ, গোৱালপাৰা, ধুবুৰী, ডিমা হাছাও, মৰিগাঁও আৰু কামৰূপ মহানগৰৰ সীমামূৰীয়া হিচাপে অৱস্থিত। ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ সীমাই চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ সীমা চুইছেগৈ। এইবোৰৰ উপৰি ১৯৮৭ত পূৰ্ণাংগ ৰাজ্য হিচাপে পৰিচয় লাভ কৰা অৰুণাচল প্ৰদেশে ক্ৰমান্বয়ে চৰাইদেউ, ওদালগুৰি, বিশ্বনাথ, শোণিতপুৰ, লখিমপুৰ, ধেমাজি আৰু ডিব্ৰুগড় জিলাৰ সীমাত অৱস্থিত। এইদৰে অসমৰ আন্তঃৰাজ্যিক সীমাৰ দীঘ প্ৰায় ২৭৫০ কিলোমিটাৰ হয়গৈ। এই দীৰ্ঘতম সীমান্তলৈ সুচল বাট-পথৰ অভাৱৰ হেতু সীমামূৰীয়া কিছু অঞ্চলত একো একোখন ৰাজ্য গঠন হোৱাৰ সময়ৰ পৰা আজিলৈকে ৰাজ্যবোৰৰ বাসিন্দাৰ মাজত আৰু কোনো কোনো সময়ত দুখন ৰাজ্যত কৰ্তব্যৰত আৰক্ষী বাহিনীৰ মাজত ভীষণ কাজিয়াৰ সূত্ৰপাত আৰু কেতিয়াবা গুলীয়াগুলি পৰ্যন্ত হোৱা পৰিলক্ষিত হৈছে। এইবোৰৰ বাবে কোনোপধ্যেই অসমক অকলশৰীয়াভাৱে দায়ী কৰিব পৰা নাযায়।

**আৰ্চি নাথ,** *লেখক*

ৰাজ্য এখন গঠন হোৱাৰ সময়ত আমাৰ চৰকাৰৰ জৰীপ বিভাগৰ ভীষণ দায়িত্ব থাকে। সীমামূৰীয়া বাসিন্দাসকলৰ ভূমি নথিত পৰস্পৰ বিৰোধী, বিভ্ৰান্তিকৰ ভাষা আৰু প্ৰাকৃতিকভাৱে নাইবা মানৱসৃষ্ট ধৰণে সীমাক গঢ় দিবলৈ প্ৰচেষ্টা আমাৰ প্ৰশাসনৰ জ্ঞাতে-অজ্ঞাতে অব্যাহত থকা পৰিলক্ষিত হয় যিয়ে সীমান্ত বিবাদক গাঢ় কৰি তুলিবলৈ অৰিহণা লাভ কৰে। সীমামূৰীয়া বাসিন্দাৰ হাই-কাজিয়া, আৰক্ষীৰ গুলীয়াগুলিৰ ফলস্বৰূপে অনেকজনে প্ৰাণত্যাগ কৰিবলগীয়া হোৱাৰ উপৰি সৰহ সংখ্যকেই গৃহহীন, কৰ্মহীন হৈ নিৰাশ জীৱন আঁকোৱালি ল'বলৈ বাধ্য হৈ পৰিছে। এইবোৰৰ পৰিপ্ৰেক্ষিতত অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছু এৰা-ধৰাৰ মাজেৰে আন্তঃৰাজ্যিক সীমা সমস্যা স্থায়ীভাৱে সমাধান কৰিবলৈ হাতত লোৱা প্ৰচেষ্টা নিশ্চয়কৈ সমৰ্থনযোগ্য। তেওঁৰ ৰাজনৈতিক বিচক্ষণতা আৰু সীমান্ত সমস্যা সমাধানৰ প্ৰতি থকা আগ্ৰহ আৰু একাগ্ৰতাই মেঘালয়ৰ লগতে বাকীকেইখন সীমামূৰীয়া ৰাজ্যৰ স'তে একপ্ৰকাৰ চিৰদিনীয়া হৈ উঠা সমস্যা ৰাজনৈতিক বুজাবুজি আৰু সীমান্তবাসীৰ এৰা-ধৰাৰ প্ৰচেষ্টাৰে নিশ্চয়কৈ সমাধান লাভ কৰিব বুলি আমাৰ বিশ্বাস।

*ফোন : ৮৭৬১০২১১২৫*

## 'মানৱতাৰ সাংস্কৃতিক ঐতিহ্য'

# ইউনেস্ক'ৰ মৰ্যাদা প্ৰদানৰ নতুন মাত্ৰা



**কেইমাহমান** পূৰ্বে ইউনেস্ক'-এ কলকাতাৰ দুৰ্গা পূজাক মানৱতাৰ সচেতনতাবিহীন সাংস্কৃতিক ঐতিহ্য' ৰূপে চিহ্নিত কৰি প্ৰতিনিধিত্বমূলক তালিকাত অন্তৰ্ভুক্ত কৰিছে। এই সন্মান প্ৰাপ্তিৰ বাবে মাথোন কলকাতাবাসীয়েই নহয়, সমগ্ৰ পশ্চিমবংগৰ জনসাধাৰণো আনন্দিত। অৱশ্যে এই সন্দৰ্ভত অন্য প্ৰান্তৰ লোকেও তেনে সন্মান পোৱাৰ যোগ্য আছিল বুলি দাবী কৰিছে। দুৰ্গা পূজা এতিয়া কলকাতা বা পশ্চিমবংগতে সীমিত নহয়; দিল্লীৰ চিত্তৰঞ্জন পাৰ্ক বা মুম্বাইৰ শিৱাজী পাৰ্কতো মহা আড়ম্বৰেৰে দুৰ্গা পূজা পালন কৰি অহা হৈছে। আনকি পশ্চিমবংগতে কলকাতাৰ দৰেই জাকজমকতাপূৰ্ণ দুৰ্গা পূজা উদ্‌যাপন কৰা হয় উপকণ্ঠ অঞ্চলত। তাকে উপভোগ কৰিবলৈ পূজাৰ দিনকেইটাত দৰ্শকসকল এঠাইৰ পৰা আনঠাইলৈ লৰা-ঢপৰা কৰি থাকে। তেনেস্থলত মাথোন কলকাতাৰ দুৰ্গা পূজালৈ ঐতিহ্যৰ বিশেষ সন্মান কিয়?

প্ৰকৃততে ইউনেস্ক'-এ ঐতিহ্যৰ যিটো নতুন মাত্ৰাৰ সূচনা কৰিছে, সেইটোৱেই বহু পৰিমাণে দুৰ্বোধ্য। কোৱা হৈছে কলকাতাৰ দুৰ্গা পূজাক 'Representative List of Intargible Cultural Heritage of Humanity' ত স্থান দিয়া হ'ল। নিঃসন্দেহে নামটোৱে এটা কাব্যিক ভাৱনাৰ সৃষ্টি কৰিব পাৰে। দুৰ্গা পূজাৰ উদ্‌যাপন যেন স্বতঃস্ফূৰ্ত পৰম্পৰা, তাক পালন কৰিবলৈ বিশেষ সচেতনতাৰ প্ৰয়োজন নহয়; কাৰণ পূজা আহিল, পূজা পাতিবই লাগিব, পূজা চাবই লাগিব, ইত্যাদি। এইটো যেন মানৱতাৰ সাংস্কৃতিক গতিবিধি। আৰু সেয়েহে অপৰিহাৰ্য। পিছে এইটোও সঁচা যে এনে তালিকা ভুক্তিয়ে সাংস্কৃতিক পৰম্পৰাৰ নতুন দৃষ্টিকোণ মুকলি কৰিছে; কাৰণ দুৰ্গা পূজা মূলতঃ এটা ধৰ্মীয় পৰম্পৰা। সেয়েহে ইউনেস্ক'ৰ সিদ্ধান্তটোৱে বিতৰ্কৰ সৃষ্টি নকৰাকৈ থকা নাই।


অসমবাসীৰ বাবেও মানৱতাৰ সচেতনতাবিহীন সাংস্কৃতিক ঐতিহ্যৰ বিষয়টো গুৰুত্বপূৰ্ণ। হওঁতে কে'বাবছৰ ধৰি মাজুলীয়ে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি অচিৰে লাভ কৰিব বুলি অসমবাসীয়ে অপেক্ষা কৰি আছে। মাজুলী সত্ৰীয়া কলা-সংস্কৃতিৰ পীঠস্থান। পিছে ২০১২ত বিশ্ব ঐতিহ্য কমিটীয়ে ভাৰত চৰকাৰক জনাইছিল যে কমিটীয়ে বান্ধি দিয়া 'কাৰ্যকৰী নিয়মাৱলী' অনুসৰি মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা প্ৰদান কৰাটো সম্ভৱ নহ'ব।

এই নিয়মাৱলীত কি কি চৰ্ত আছে আমি নাজানো; কিন্তু শংকৰী কলা-কৃষ্টিৰ বিষয়ে সামান্য জ্ঞান থকা জনেও বুজি পায় যে অসমৰ সত্ৰ অনুষ্ঠানটো তৃণমূল পৰ্যায়ৰ অনুষ্ঠান আৰু সমস্ত মানৱীয় গুণৰ বিকাশ তথা মানৱীয় প্ৰমূল্যৰ সংৰক্ষণ-সঞ্চাৰণ ঘটোৱাৰ উদ্দেশ্য সত্ৰীয়া গতিবিধিত সন্নিবিষ্ট হৈ আছে। তদুপৰি সত্ৰীয়া সংস্কৃতিক এটা বিশেষ ধৰ্মীয় মতবাদত বান্ধি থ'ব নোৱাৰি। এই পৰম্পৰাৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱ। এসময়ত অসমত পাঁচশতকৈও অধিক সত্ৰ সক্ৰিয় হৈ আছিল যদিও আজি মাজুলীয়েহে সত্ৰীয়া সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ কাৰ্যসূচী অব্যাহত ৰাখিছে। তেনে স্থলত মাজুলীয়ে ইউনেস্ক'ৰ 'ঐতিহ্যপূৰ্ণ স্থান'ৰ তালিকাত স্থান নোপোৱাটো এটা দুৰ্বোধ্য সাঁথৰ।

'বিশ্ব ঐতিহ্য কমিটী'ৰ নীতি-নিয়ম অনুসৰি মাজুলীয়ে কেনেদৰে ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰিব পাৰে, সেইটো পৰীক্ষা কৰি চাবলৈ অসম চৰকাৰে এগৰাকী পৰামৰ্শদাতা নিযুক্তি দিছে। এই সন্দৰ্ভত ভালেমান পৰামৰ্শ ৰাইজৰ ফালৰ পৰাও দিয়া হৈছে। অৱশ্যে শেহতীয়াভাৱে অসম চৰকাৰে 'Majuli Cultural Landscape Management Authority গঠন কৰি দিছে এখন চূড়ান্ত নথি প্ৰস্তুত কৰাৰ উদ্দেশ্যৰে। কোৱা হৈছে যে মাজুলীৰ সাংস্কৃতিক নক্সাৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে আৰু উক্ত Management Authority-এ শীঘ্ৰেই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত 'ডছিয়াৰ' দাখিল কৰিব। অসম চৰকাৰৰ ফালৰ পৰা মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা দিবলৈ যাৱতীয় চৰ্তসমূহ পালন কৰিবলৈ চেষ্টা চলোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনো পোৱা যাব; কিন্তু সকলো নিৰ্ভৰ ইউনেস্ক'ৰ 'বিশ্ব ঐতিহ্য কমিটী'ৰ সদিচ্ছাৰ ওপৰত।

মন কৰিবলগীয়া যে সত্ৰ-সংস্কৃতিৰ পীঠস্থান নদী-দ্বীপ মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰাৰ দাবী বহুদিনীয়া। অলপতে ৰাজ্যসভাত কেন্দ্ৰীয় সংস্কৃতি বিভাগৰ মন্ত্ৰী কিষাণ ৰেড্ডীয়ে জনাইছে যে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ ৪৬টা সম্ভাব্য স্থানৰ তালিকাত মাজুলী পঞ্চম স্থানত আছে। আনহাতে, উক্ত তালিকাত অসমৰ 'শাড়ী বয়ন ক্লাষ্টাৰ' আৰু চৰাইদেউৰ আহোমসকলৰ মৈদামো আছে ক্ৰমে ২৩ আৰু ২৪ সংখ্যক স্থানত। এতিয়া ক্ৰমে

**অৱলোকন**



**ড° জয়কান্ত শৰ্মা**

স্পষ্ট হ'ব লাগিছে যে বিশ্ব ঐতিহ্য কমিটীৰ সিদ্ধান্ত সংশ্লিষ্ট ক্ষেত্ৰৰ কৰ্তৃপক্ষই দাখিল কৰা 'ডছিয়াৰ' খনৰ ওপৰতে নিৰ্ভৰশীল।

'কলকাতাৰ দুৰ্গা পূজা বিষয়ক 'ডছিয়াৰ' খন প্ৰস্তুত কৰিছিল প্ৰসিদ্ধ ইতিহাসবিদ তপতী গুহঠাকুৰতাই। তেওঁৰ নেতৃত্বত এটা বিশেষজ্ঞ দলে ব্ৰিটিছ কাউন্সিলৰ সহযোগত বিশ্ব ঐতিহ্য কমিটীৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছিল; তাত কোৱা হৈছিল, কলকাতাৰ দুৰ্গা পূজাত তাহানিৰে পৰা বিশ্বৰ বৃহত্তম ৰাজহুৱা বিদ্যুতৰ কলা-কৌশল প্ৰদৰ্শনৰ (The greatest Public installation In the world) পৰম্পৰা চলি আহিছে। অৰ্থাৎ জাকজমকতাও বিচাৰ্য বিষয়। মানৱতাৰ সাংস্কৃতিক ঐতিহ্যৰ বৈদ্যুতিক জাকজমকতা এটা আৱশ্যকীয় উপাদান; সৌন্দৰ্যবোধৰ দৃষ্টিৰে সেইটো নিশ্চয় আদৰণীয়। আনহাতে, 'মানৱতা' আৰু 'সচেতনতাবিহীনভাৱে' উপাদান দুটা প্ৰায়বোৰ ৰাজহুৱা উৎসৱ-পাৰ্বণতে নিহিত থাকে।

অৱশ্যে ১৮৪৯ তে পশ্চিমীয়া পণ্ডিতসকলে কলকাতাৰ দহ দিন ধৰি উদ্‌যাপিত দুৰ্গা পূজাক 'সম্পূৰ্ণ কলাত্মক গতিবিধি' (Total work of Art) বুলি অভিহিত কৰিছিল। নিঃসন্দেহে এই গতিবিধিত কলা আৰু কৌশলৰ সকলোবোৰ উপাদান নিহিত হৈ আছে; ধৰ্মীয় আচাৰ বিধি, দৰ্শনাৰ্থীৰ ধাৰ্মিক আচৰণ, পূজাৰ সুনিৰ্দিষ্ট পদ্ধতি, আনকি পৰীক্ষামূলক কলা-কৌশলো। এনেদৰেই ধৰ্মীয় কাণ্ড-কাৰখানা আৰু কলাসুলভ অনুশীলনৰ মাজত পাৰস্পৰিক বিৰোধ থাকিলেও দুয়োটাই মানৱতাৰ সাংস্কৃতিক ঐতিহ্যৰ অংশবিশেষ হ'ব পাৰে।

ইউনেস্ক'ৰ ৱেবছাইটত কোৱা হৈছে— 'দুৰ্গা পূজাৰ উদ্‌যাপন হ'ল ধৰ্ম আৰু কলাৰ ৰাজহুৱা প্ৰদৰ্শনৰ শ্ৰেষ্ঠ দৃষ্টান্ত; ইয়াৰ মাজত শিল্পী আৰু কাৰিকৰী লোকৰ মাজত সহযোগিতাৰ ক্ষেত্ৰ স্থাপন হোৱাৰ বিশেষ তাৎপৰ্য আছে। আনহাতে, দুৰ্গা পূজা উদ্‌যাপনে সমাজত শ্ৰেণী-বিদ্বেষ, ধৰ্মীয় পৰিচয় আৰু গোষ্ঠীগত বৈশিষ্ট্যৰ অৱসান ঘটায়; দৰ্শকসকলে সকলো পাহৰি মাথোন এখন পূজাথলীৰ পৰা আনখনলৈ ঘূৰি ফুৰে জাকজমকতা উপভোগ কৰিবলৈ; অজানিতে জাকজমকতাৰ প্ৰশংসা কৰাই নহয়, তেওঁলোকে তাৰ তুলনামূলক বিশ্লেষণো কৰে। এয়াই মানৱতাৰ সংস্কৃতি।

এনে দৃষ্টিভংগীৰ জৰিয়তে দুৰ্গা পূজাৰ মাজত থকা সৃষ্টিশীলতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে; পূজাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বৃহৎ বজাৰখনৰ প্ৰভাৱ আৰু পৰ্যটকৰ আগমনৰ বিষয়টো আওকাণ কৰাৰ ফলত

**অসম চৰকাৰৰ ফালৰ পৰা মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা দিবলৈ যাৱতীয় চৰ্তসমূহ পালন কৰিবলৈ চেষ্টা চলোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনো পোৱা যাব; কিন্তু সকলো নিৰ্ভৰ ইউনেস্ক'ৰ 'বিশ্ব ঐতিহ্য কমিটী'ৰ সদিচ্ছাৰ ওপৰত।**

অৰ্থনৈতিক দিশটো উপেক্ষিত হৈয়েই ৰ'ল। অথচ অৰ্থনীতি বাদ দি সংস্কৃতি ৰক্ষা কৰাটো এক অলীক কল্পনা মাথোন। এটা সাক্ষাৎকাৰত তপতী গুহঠাকুৰতাই কৈছে, দুৰ্গা পূজা উদ্‌যাপনৰ বিষয়টোক সৰ্বভাৰতীয় প্ৰেক্ষাপটত বিচাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অনুৰোধ জনোৱা সত্ত্বেও বিশ্ব ঐতিহ্য কমিটীয়ে সেই অনুৰোধ অগ্ৰাহ্য কৰিছে। কমিটীয়ে স্পষ্ট ভাষাত কৈছে তালিকাভুক্ত হ'বলৈ হ'লে এটা উৎসৱৰ আঞ্চলিক চৰিত্ৰ আৰু বৈশিষ্ট্য অটুট থাকিব লাগে; সেইটো নহ'লে বিশ্ব ঐতিহ্যৰ সাংস্কৃতিক তালিকাত স্থান দিব নোৱাৰি।

কলকাতাৰ দুৰ্গা পূজাই ইউনেস্ক'ৰ মজিয়াত লাভ কৰা প্ৰশস্তিৰ পৰা অসমবাসীয়েও প্ৰেৰণা লাভ কৰিব পাৰে। যিবোৰ কাৰণত কলকাতাৰ দুৰ্গা পূজাই 'মানৱতাৰ সচেতনতাবিহীন সাংস্কৃতিক ঐতিহ্য'ৰূপে স্বীকৃতি পালে, সেই একেবোৰ কাৰণত অসমৰ বিহুৱে একেধৰণৰ স্বীকৃতি পোৱাৰ যোগ্য নহয়নে? এই লেখাত বিষয়টোৰ বিভিন্ন দিশ আমি ফঁহীয়াই চোৱাৰো সেয়েই কাৰণ। বিহু সংস্কৃতিৰ নতুনকৈ মূল্যায়ন হ'ব লাগে জাতীয় উৎসৱটোৱে মানৱতাৰ বাৰ্তা, সৃষ্টিকামী গতিবিধি আৰু সমাজত অজানিতে সৃষ্টি কৰা বিপুল উৎসাহ-উদ্দীপনাৰ আধাৰত। 'বিহু আমাৰ জাতীয় উৎসৱ' বুলি সান্ত্বনা লভাটোৱে যথেষ্ট নহয়। এই দিশত কলকাতাৰ দুৰ্গাপূজাতকৈও অসমৰ বিহুৰ কে'বাটাও উজ্জ্বলতৰ উপাদান আছে।

প্ৰথম কথাটোৱেই হ'ল সচেতনতাবিহীন উদ্‌যাপন; বিহু পাতিবলৈ কোনো সিদ্ধান্ত লোৱাৰ অৱকাশ নাই। বিহু আহিল; প্ৰকৃতিয়ে তাৰ ইংগিত দিয়ে; অসমীয়া মানুহে (অসমৰ থলুৱা লোকৰ দৃষ্টিৰে কোৱা হৈছে) বিহু পাতিবই। প্ৰতিটো বিহুৰ মাজত কৃষিভিত্তিক সমাজৰ অৰ্থনীতি জড়িত হৈ আছে; বিহুৰ পৰম্পৰাৰ মাজত আছে মানুহৰ ভালপোৱা আৰু অকৃত্ৰিম প্ৰকৃতি প্ৰেম। পৰম্পৰাৰ মাজত যিবোৰ উপাসনাজাতীয় পদ্ধতি আছে সেইবোৰো নিতান্তই পশু-পক্ষী, তৰু-তৃণ আৰু বৃহত্তৰ মানৱ সমাজৰ বাবে কল্যাণকৰ। তাতোকৈ ডাঙৰ কথাটো হ'ল অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে বিহু উদ্‌যাপন কৰে, তাত পদ্ধতিগত সামান্য পাৰ্থক্য থাকিলেও মূল বাৰ্তা একেটা; উৎপাদনশীল সমাজ, ঐক্যবদ্ধ সমাজ আৰু ডেকা-গাভৰুৰ প্ৰাণ-চাঞ্চল্যৰ মাজত উথলি উঠা সৃষ্টিশীলতা। বিহু উদ্‌যাপনৰ পৰম্পৰাৰ মাজত শিশু, যুৱক-যুৱতী, গৃহস্থ-গৃহস্থনী আৰু বুঢ়া-মেথাকে ধৰি সকলোৰে সন্মানজনক স্থান আছে। জাত-পাত, সম্প্ৰদায় আৰু গোষ্ঠীগত পাৰ্থক্য পাহৰাই পেলায় বিহুৱে। অনাদি কালৰে পৰা অতি জাকজমকতাৰে স্বতঃস্ফূৰ্তভাৱে পালন কৰি অহা এই জাতীয় অনুষ্ঠানটোৱে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি নাপাব কিয়?

*ফোন : ৯৪৩৫৫-৫৪২০৫*

# টিউছন-কোচিং : সমস্যা নে সমাধান?

## কোচিং পঢ়া জীৱনৰ এক ধৰণৰ উন্নয়নমূলক ব্যৱস্থাপনা, কিন্তু ইয়াক অপৰিহাৰ্য বুলি ধৰি লোৱাটো ভুল

**প্ৰদীপ কুমাৰ শৰ্মা**

**কুৰি** বছৰমান আগৰ কথা।

সম্পৰ্কীয় ল'ৰা এজনৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাৰ খবৰ লোৱাৰ বাবে পৰীক্ষাৰ পিছদিনা দেওবাৰ হোৱাত তেওঁলোকৰ ঘৰত উপস্থিত হ'লো। গম পালো ল'ৰা ৰাতিপুৱাই টিউছনলৈ গ'ল। আগতে নাম ভৰ্তি নকৰিলে হেনো পাছত ভাল টিউছন পোৱা নাযায়। গতিকেই পৰীক্ষাৰ আগতেই নাম ভৰ্তি আৰু পৰীক্ষাৰ পিছদিনাৰ পৰাই টিউছন। সম্ভৱতঃ সেই সময়ছোৱাৰ পৰাই টিউছন নতুন ৰূপ আৰু ৰসেৰে আমাৰ শিক্ষাৰ্থীসকলৰ জীৱনত এৰাব নোৱৰাকৈ সংপৃক্ত হৈ পৰিল।

ইয়াৰ পাছত কনচেপ্ট নামৰ প্ৰতিষ্ঠান এটাৰ জৰিয়তে অসমত কোচিং ব্যৱস্থা জনপ্ৰিয় হৈ পৰিল। আমেৰিকাত চল্লিশ বছৰমান আগতে এই কোচিং ব্যৱস্থাৰ আৱিৰ্ভাৱ হৈছিল। কোচিং হৈছে এটা বিশেষ লক্ষ্য (যেনে ইঞ্জিনীয়াৰিং বা মেডিকেলত স্থান লাভ আদি) আগত ৰাখি দিয়া ব্যক্তিগত শিক্ষা বা প্ৰশিক্ষণ। গতিকে উদ্দেশ্যৰ ফালৰ পৰা টিউছন আৰু কোচিঙক সমাৰ্থক বুলিব পাৰি।

প্ৰাগ্-ঐতিহাসিক কালত শিক্ষা আৰম্ভ হৈছিল বয়স্কলোকৰ দ্বাৰা যুৱকসকলক সমাজৰ কাৰণে প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতাৰ প্ৰশিক্ষণ দিয়াৰ জৰিয়তে। প্ৰাক্ শিক্ষিত সমাজ মূলতঃ মৌখিকভাৱে আৰু অনুকৰণৰ মাধ্যমত প্ৰতিষ্ঠিত হৈছিল। ইয়াৰ উদ্দেশ্য আছিল জ্ঞান অৰ্জন, দক্ষতা, মূল্যবোধ, বিশ্বাস আৰু অভ্যাসৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা।

শিক্ষা শব্দৰ উৎপত্তি হৈছে সংস্কৃত 'শাস' ধাতুৰ পৰা, যাৰ অৰ্থ হৈছে শাসন কৰা, নিয়ন্ত্ৰণ কৰা, নিৰ্দেশ প্ৰদান, উপদেশ প্ৰদান আদি। এই অৰ্থত শিক্ষা হ'ল শিক্ষা প্ৰতিষ্ঠানৰ পৰা আৰ্জিত জ্ঞান বা দক্ষতা।

শিক্ষাৰ ইংৰাজী প্ৰতিশব্দ ইডুকেচন শব্দটো বহু ইংৰাজী শব্দৰ নিচিনা লেটিন শব্দৰ পৰা অহা বুলি বহুলোকে ধাৰণা কৰে। এটা ধাৰণা মতে, ই লেটিন ইডুকেয়াৰৰ পৰা উদ্ভৱ হোৱা। যাৰ অৰ্থ ছাত্ৰৰ জন্মসূত্ৰে যি অন্তৰ্নিহিত মানসিক শক্তি বিদ্যমান তাক বাহিৰলৈ উলিয়াই অনা। আন এটা ধাৰণা মতে, ই Educare শব্দৰ পৰা উদ্ভূত, যাৰ অৰ্থ হৈছে প্ৰতিপালন বা পৰিচৰ্যা কৰা। অৰ্থাৎ নিৰ্দিষ্ট লক্ষ্য আৰু আদৰ্শ আগত ৰাখি শিশুক সঠিকভাৱে লালন-পালন কৰাৰ প্ৰক্ৰিয়া। বহুতে আকৌ ইয়াক Educatum ৰ পৰা অহা বুলিও ক'ব খোজে, যাৰ অৰ্থ ছাত্ৰৰ ভৱিষ্যৎ জীৱনৰ উপযোগী কিছু কৌশল আয়ত্ত কৰাৰ প্ৰশিক্ষণ দিয়া।

স্বামী বিবেকানন্দৰ ভাষাত, শিক্ষা হ'ল মানুহৰ অন্তৰ্নিহিত মহত্ত্বৰ বিকাশ; কিন্তু আধুনিক শিক্ষাৰ অৰ্থ হৈছে, শিক্ষাৰ্থীৰ আগ্ৰহ, চাহিদা, প্ৰৱণতা, প্ৰয়োজনীয়তা আদিৰ ভেঁটিত গতিশীল সমাজ বা বিশ্বৰ পৰিৱৰ্তিত পৰিস্থিতিৰ স'তে নিজকে খাপ খুৱাবলৈ প্ৰস্তুত কৰি তোলাৰ প্ৰক্ৰিয়া।

কোৱা হয়, শিক্ষা ব্যক্তিগত বিকাশ বা সামাজিক উন্নয়নৰ আটাইতকৈ শক্তিশালী মাধ্যম। শিক্ষাৰ প্ৰকৃত উদ্দেশ্যই হ'ল এজন ব্যক্তিৰ বৌদ্ধিক, শাৰীৰিক আৰু অনুভূতিক দিশৰ বিকাশ সাধন কৰা। শৈশৱত মানুহে আটাইতকৈ বেছি কথা শিকে। এই সময়খিনিতে তেওঁক প্ৰচুৰ বৌদ্ধিক খোৰাক যোগান ধৰিব লাগে। সন্তানৰ স'তে সকলো সময়তে হাঁহি-ধেমালিৰ মাজেৰে তেওঁলোকৰ জ্ঞান-পিপাসা বা অনুসন্ধিৎসা জগাই তোলাৰ চেষ্টাত ব্ৰতী হ'ব লাগে। অনুসন্ধিৎসাই জ্ঞান লাভৰ নিচালৈ পৰিৱৰ্তিত হয়। এই নিচাই বিষয়বস্তু ভাল পাবলৈ শিকায়। বিষয়বস্তুক ভাল পোৱাৰ পৰাই বিষয়বস্তুৰ গভীৰলৈ যোৱাৰ ধৈৰ্য আহে। এই ধৈৰ্যই হৈছে সফলতা লাভৰ জখলা।

আনহাতে, অধ্যয়ন এটা বিস্ময়কৰ অভিজ্ঞতা, লগতে ই প্ৰত্যাহ্বানমূলকও। যেতিয়া ছাত্ৰই এটা বিষয় বুজি নাপায় আৰু সেয়া বিদ্যালয়ৰ শিক্ষকৰ পৰা যদিহে বুজি ল'ব নোৱাৰে, তেনেহ'লে তেওঁ পিছপৰি গৈ থাকে। ফলত তেওঁৰ বিষয়টোৰ প্ৰতি ভয় হয় আৰু বেয়া পাবলৈ আৰম্ভ কৰে। পঢ়িবলগীয়া বিষয়ৰ স'তে সহৃদয়তা গঢ়ি নুঠিলে বা তাক ভাল পাব নোৱাৰিলে পৰীক্ষাত ভাল নম্বৰ আশা কৰিব নোৱাৰি। যদিও বিদ্যালয়ৰ নম্বৰে এজন ছাত্ৰৰ বুদ্ধিমত্তাৰ প্ৰতিনিধিত্ব নকৰে, তথাপি ইয়ে তেওঁৰ ভৱিষ্যতৰ পেছাগত পথ নিৰ্বাচনত নিৰ্ণায়ক ভূমিকা পালন কৰে। ভাল ফলাফলে ছাত্ৰক ভাল বিদ্যালয় বা নিজৰ আগ্ৰহৰ বিষয় বা বিচৰা ধৰণৰ চাকৰি পোৱাত সহায় কৰে, ইয়ে ছাত্ৰক নম্বৰ সৰ্বস্ব আধুনিক শিক্ষাৰ পাছত দৌৰিবলৈ বাধ্য কৰাইছে।

গতিকে আধুনিক শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ আৰু প্ৰতিযোগিতাৰ পৃথিৱীখনৰ বাবে সন্তানক সাজু কৰি তুলিবলৈ নতুন নতুন কৌশল উদ্ভাৱন হৈছে পিতৃ-মাতৃৰ প্ৰাথমিক লক্ষ্য। তাৰেই আৱিষ্কাৰ টিউছন বা কোচিং।

টিউছন শব্দ এংলো-ফ্ৰান্সমূলীয় শব্দ tuycioun ৰ পৰা অহা, যাৰ অৰ্থ সুৰক্ষা যত্ন আৰু তত্ত্বাৱধান। আনহাতে, কোচ শব্দটো হাংগেৰীয় শব্দ কোক্‌জ (kocs)ৰ পৰা আহিছে, যাৰ অৰ্থ গাড়ী বা ঘোঁৰা গাড়ী। কাৰণ কোচিঙৰ প্ৰক্ৰিয়াটো এটা যাত্ৰাৰ নিচিনা।

ৰাতিপুৱা প্ৰাতঃভ্ৰমণৰ সময়ত বিদ্যালয়ৰ মাজত দেখা ল'ৰা-ছোৱালী বা সন্ধিয়া বাছত ওলমি অহা সমাবেশত দেখা ল'ৰা-ছোৱালীবোৰ হৈছে হয় টিউছন নহয় কোচিঙৰ চিকাৰ। অৱশ্যে কোচিং ব্যৱসায় গঢ়ি উঠিছে সময়ৰ দাবী আৰু অভিভাৱকৰ মানসিক প্ৰয়োজনত। দিনে দিনে প্ৰতিযোগিতা বাঢ়ি গৈছে আৰু এই প্ৰতিযোগিতাত যোগ্য হিচাপে বৰ্তাই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰীৰ পৰামৰ্শদাতা হিচাপে কোচিং গঢ়ি উঠিছে। এজন ভাল পৰামৰ্শদাতাই ছাত্ৰক তেওঁৰ পঢ়া জীৱনৰ উত্থান-পতনৰ নিৰীক্ষকৰ কাম কৰে আৰু প্ৰয়োজনত সহায়তা প্ৰদান কৰে।


কিন্তু কোচিং এতিয়া আমাৰ মন-মগজুত এনেদৰে সুমাই গৈছে যে ইয়াক এৰাই চলা প্ৰায় অসম্ভৱৰ পৰ্যায় পাইছেগৈ। কেইবছৰমান আগৰ এটা ঘটনা। আমাৰ দুই বন্ধুৰ ল'ৰা-ছোৱালী দুজনে একেলগে উচ্চ মাধ্যমিক বিদ্যালয় শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হ'ল। ল'ৰাজনৰ টিউছন আছিল, ছোৱালীজনীৰ নাছিল। অৱশ্যে দুয়োজনেই একেই নম্বৰৰ দক্ষতাৰে উত্তীৰ্ণ হ'ল। বিদ্যালয়ত টিউছন থকা ল'ৰাজনক পিতৃয়ে ভাল কোচিং চেণ্টাৰত নাম লগাই দিছে, তেওঁৰ ইঞ্জিনীয়াৰিং পঢ়াৰ মন। আনহাতে, ছোৱালীজনীৰ মেডিকেল পঢ়াৰ মন (এয়া সকলোৰে জ্ঞাত যে মেডিকেলত স্থান পোৱা ইঞ্জিনীয়াৰিঙত স্থান পোৱাতকৈ অধিক কষ্টকৰ)। ল'ৰাৰ পিতৃ বন্ধুৱে ছোৱালীৰ দেউতাকক সুধিলে, কোচিং ক'ত দিছে? বন্ধুজনে ক'লে, ছোৱালীয়ে কোচিং বিচৰা নাই। ল'ৰাৰ পিতৃ বন্ধুৱে প্ৰায় স্বতঃস্ফূৰ্তভাৱেই কৈ পেলালে, শেষ! এই ধাৰণাই এতিয়া আমাৰ প্ৰায় আটাইৰে মজ্জাত প্ৰায় নিগাজিকৈ বহি লৈছে। অঙহী-বঙহীয়েও আপোনাক প্ৰায় বাধ্যই কৰাব বিচাৰিব, ল'ৰা-ছোৱালীক কোচিঙৰ ব্যৱস্থা কৰি দিবলৈ; কিন্তু কোচিং কিয় লয়? বিভিন্ন ল'ৰা-ছোৱালীৰ মতামতৰ ভিত্তিত ক'ব পাৰি, কোচিং সাধাৰণতে তিনিটা কাৰণত লয়—

১) পিছপৰি যোৱাৰ ভয়

২) কোচিং চেণ্টাৰৰ বিজ্ঞাপন

৩) লোক সাধাৰণতে স্বয়ং-সুশৃংখল নহয়।

এতিয়া আহিল টিউছন বা কোচিং লোৱাৰ সুবিধাসমূহনো কি, অসুবিধাসমূহেই বা কি?



সুবিধাসমূহ :—

১) একেই লক্ষ্যৰ সহপাঠীৰ মাজত সহযোগিতা আৰু প্ৰতিযোগিতাৰ পৰিৱেশ সৃষ্টি কৰে।

২) শংকাগ্ৰস্ততা দূৰ কৰি নিজৰ ওপৰত আস্থা গঢ়ি তুলিবলৈ প্ৰয়োজনীয় পৰিৱৰ্তন অৰ্জন কৰাত সহায় কৰে।

৩) দ্বিধাগ্ৰস্ততাৰ সময়ত সহায় আৰু আত্মবিশ্বাস যোগায়।

৪) অন্তৰ্নিহিত ক্ষমতাৰ বিকাশ ঘটায়।

৫) নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ বা ভাল ফলাফল দেখুৱাবলৈ প্ৰতিজ্ঞাবদ্ধ কৰি তোলে।

কোচিঙত ইমানখিনি ইতিবাচক কথা যদি নিহিত হৈ আছেই, তেনেহ'লে সমস্যাসমূহনো কি?

১) কোচিঙে ছাত্ৰ-ছাত্ৰীক পৰনিৰ্ভৰশীল কৰি তোলে, ফলত নিজৰ মন-মগজ ব্যৱহাৰ কৰি যি আনন্দপূৰ্ণ শিক্ষাগ্ৰহণ সেয়া নহয়গৈ।

২) কোচিং হৈছে এটা পদ্ধতিগত পৰীক্ষামূলক প্ৰক্ৰিয়া। ফলত মাজে মাজে বা প্ৰায়ে ব্যৰ্থতা আহে।

৩) কোচিঙত অন্তৰ্ভুক্তি ছাত্ৰ-ছাত্ৰীতকৈ পিতৃ-মাতৃৰ প্ৰয়োজনতহে হয়, গতিকে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ আকৰ্ষণ অনুভৱ নকৰে।

৪) কোচিং লোৱা ছাত্ৰ-ছাত্ৰী প্ৰায়েই বিদ্যালয়ৰ শ্ৰেণীত মনোযোগ নিদিয়ে।

৫) কোচিঙত এনেকুৱা একো বস্তু নিশিকায় যি বিদ্যালয়ত শিকোৱা নহয়।

৬) কোচিং লোৱা মানেই সফলতা নুবুজায় আৰু কোচিং নল'লেই যে ৰসাতলে যাব সেয়াও নহয়।

৭) কোচিঙৰ এই সমান্তৰাল শিক্ষা ব্যৱস্থাৰ প্ৰচলনে সময়ত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰতি ভাবুকি আনিব। উল্লেখ্য যে এই প্ৰক্ৰিয়া ইতিমধ্যে সংগোপনে আৰম্ভ হৈছেই।

৮) ভাল কোচিঙৰ নামত পিতৃ-মাতৃৰ অতিৰিক্তভাৱে এক বুজন পৰিমাণৰ ধন ব্যয় হয়; কিন্তু যদিহে পৰিয়ালৰ সেই পৰিমাণৰ ধন ব্যয় কৰাৰ ক্ষমতা নাথাকে, তেনেহ'লে 'সাধাৰণ' কোচিঙৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, ফলত পিতৃ-মাতৃৰ ধন অবাবতে নষ্ট হয় আৰু ছাত্ৰৰো কোনো উপকাৰ সাধন নহয়।

৯) কোচিঙে নিম্ন আয়ৰ লোকৰ, যি কোচিং দিয়াৰ বাবে সামৰ্থ্যবান নহয়, ল'ৰা-ছোৱালীৰ ওপৰত মনস্তাত্ত্বিক চাপ বৃদ্ধি কৰিব আৰু 'সমবিকাশৰ অধিকাৰ'ৰ লক্ষ্যৰ পৰাই তেওঁলোকক আঁতৰাই আনিব।

কোচিং পঢ়া জীৱনৰ এক ধৰণৰ উন্নয়নমূলক ব্যৱস্থাপনা, কিন্তু ইয়াক অপৰিহাৰ্য বুলি ধৰি লোৱাটো ভুল। আজিৰ বেছিভাগ ল'ৰা-ছোৱালীক কোচিঙতকৈ পৰিয়ালৰ অনুপ্ৰেৰণা বা পৰামৰ্শৰহে প্ৰয়োজন।

আমি জনা গুৱাহাটীৰ এখন আগশাৰীৰ বিদ্যালয়ৰ অধ্যক্ষই নৱম শ্ৰেণী আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ স'তে শিক্ষাবৰ্ষৰ আৰম্ভণিতে প্ৰতি বছৰে কথা পাতে। তেওঁ কয়, 'টিউছন বা কোচিং নিদিব। ছাত্ৰ-ছাত্ৰীৰ কিবা খোকোজা থাকিলে শিক্ষকক ক'ব, মোকো ক'ব পাৰে। তেতিয়া আমি সেই মতে ব্যৱস্থা গ্ৰহণ কৰিম।'

অধ্যক্ষগৰাকীয়ে বাৰু কোচিং চেণ্টাৰবোৰক হিংসা কৰে নেকি? কথাটো তেনেকুৱা নহয়। প্ৰথম, এক বুজন পৰিমাণৰ ধন (ব্যক্তিগত) বিদ্যালয়ৰ মাচুলৰ নামত অভিভাৱকৰ ব্যয় হয়েই, গতিকে অতিৰিক্ত ধন ব্যয়ৰ কাৰণ নাথাকে। দ্বিতীয়, ছাত্ৰ-ছাত্ৰীয়ে দিনৰ বেছিভাগ সময় বিদ্যালয়ত কটায়, ইয়াৰ পাছত ঘণ্টা-ঘণ্টা ধৰি টিউছন বা কোচিঙত সময় দিব লাগে। ফলত তেওঁলোকৰ ভাল পোৱা অন্যান্য বিষয়বোৰৰ পৰা অকাৰণতে সময়ৰ অভাৱত আঁতৰি থাকিবলগীয়া হয়। আনকি ঘৰত পাঠ আওৰোৱাৰ সময়কণো উলিয়াবলগীয়া হয় ৰাতিৰ টোপনিৰ সময়খিনিৰ বিনিময়ত।

ইয়াৰ পাছতো তেনেহ'লে পিতৃ-মাতৃয়ে ছাত্ৰ-ছাত্ৰীক কোচিং কিয় দিয়ে? কাৰণ আমাৰ ধাৰণা বিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক বৰ্তমানৰ প্ৰয়োজনীয় সকলোখিনি শিক্ষা দিব নোৱাৰে। অৰ্থাৎ বিদ্যালয়সমূহ বিফল; কিন্তু বিদ্যালয়সমূহ যদি বিফল, কোচিং চেণ্টাৰসমূহ কিমান সফল? সমীক্ষাই কি কয়? দুই-এজন সফল ছাত্ৰৰ ছবিকেই তেওঁলোকে চকুত লগাকৈ প্ৰকাশ নকৰেনে? কিছুদিন আগতে বাতৰি কাকতত পঢ়া এটা তথ্য মতে অভিজাত অভিযান্ত্ৰিক প্ৰতিষ্ঠান আই আই টিত ইঞ্জিনীয়াৰিঙৰ বাবে ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ ৬৫ শতাংশৰে কোনো কোচিং নাথাকে।

পঢ়া পঢ়া আৰু পঢ়াৰ তিক্ততাপূৰ্ণ যান্ত্ৰিক শিক্ষা জীৱনতকৈ পঢ়া-অৱসৰ- খেল-ধেমালি আৰু পঢ়াৰ এটা আনন্দপূৰ্ণ আৰু উপভোগ্য স্বাভাৱিক শিক্ষা জীৱন আমি তেওঁলোকক উপহাৰ দিব নোৱাৰোনে? এয়া প্ৰমাণিত যে কষ্ট-সহিষ্ণুতা, স্থিৰ-লক্ষ্য আৰু আত্মবিশ্বাস থাকিলেই লক্ষ্যত উপনীত হ'ব পাৰি আৰু তাৰ বাবে প্ৰচলিত বিদ্যালয়ৰ শিক্ষাই যথেষ্ট। কোচিঙৰ দ্বাৰা যদি অৰ্জুনৰ জন্ম হোৱা সত্য, নিজ অধ্যৱসায়ৰ দ্বাৰা অৰ্জুনতকৈও মহান ধনুৰ্দ্ধৰ একলব্যৰ জন্ম হোৱাটো তাতোকৈ বেছি সত্য!

*ফোন : ৯৯৫৪৭৬৭৫৭৫*

সোণালী পাখিৰে ভৰা চৰাইটো দেখি নলে ঘোঁৰাৰ পৰা নামি আহি চৰাইটো হাতেৰে ধৰি পেলালে। ৰজাৰ হাতত মৃত্যু আসন্ন বুলি জানি মনুষ্য কণ্ঠৰে হংসই তাক মুকলি কৰি দিবলৈ কাকুতি কৰিলে। দলে চৰাইটো মুঠিৰ পৰা এৰি দিলত সি আকাশলৈ উৰা মাৰিলে। সৰোৱৰৰ ৰক্ত পদুমণিৰ মাজত নলৰ ৰঙচুৱা হাতখনি পদমু বুলি ভাবি চৰাইটোৱে পুনৰ নলৰ হাতত পৰি ক'বলৈ ধৰিলে, 'হে ৰাজন! সঁচাকৈয়ে তুমি অতি দয়ালু। তোমাৰ দয়াৰ বিনিময়ত মইনো কি দিব পাৰো? জান-জুৰি-সৰোবৰ ঘূৰি মই পৃথিৱীৰ অনেক ঠাই দেখিছো; তোমাৰ নিচিনা কামদেৱ সদৃশ ৰূপৱান পুৰুষক দময়ন্তী নামে এনে এটি সুলক্ষণা ৰূপৱতী কুমাৰীৰ বতৰা দিম, যাৰ ৰূপ-লাৱণ্য কোনো নাৰীয়ে চেৰ পেলাব নোৱাৰে।

# নৈষধ চৰিত মহাকাব্যত স্বয়ম্বৰৰ বিৱৰণি



অৱলোকন

অহল্যা গগৈ

**দ্বাদশ** শতিকাত কবি শ্ৰীহৰ্ষই ৰচনা কৰা নৈষধ চৰিত মহাকাব্যখন সংস্কৃত সাহিত্যৰ মুঠ পাঁচখন উৎকৃষ্ট মহাকাব্যৰ ভিতৰত অন্যতম বুলি কোৱা হয়। অন্য চাৰিখন মহাকাব্য হ'ল কালিদাসৰ ৰঘুবংশ আৰু কুমাৰসম্ভৱ, ভাৰৱিৰ কিৰাতাৰ্জুনীয় আৰু মাঘৰ শিশুপাল বধ। কঠিন ভাষা আৰু জটিল ভাবেৰে নৈষধ চৰিত এখন দুৰ্বোধ্য কাব্য। 'নৈষধং ৱিদ্বদ্ ঔষধম্' বুলি এই মহাকাব্যৰ বিষয়ে এটা প্ৰাচীন উক্তি আছে। ১৯৩৪ত পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে সাত বছৰৰ গৱেষণাৰ পাছত তেওঁৰ প্ৰথম গ্ৰন্থ Naiadhacarita of Sriharsa অবিভক্ত ভাৰতৰ লাহোৰৰ 'মতিলাল বেনাৰসীদাস অৰিয়েন্টল প্ৰেছৰ পৰা প্ৰকাশিত হয় গ্ৰন্থখন। প্ৰকাশ হোৱাৰ লগে লগে সমগ্ৰ ভাৰত, ইউৰো আৰু আমেৰিকাৰ প্ৰাচ্যতত্ত্ববিদ পণ্ডিতসকলৰ মাজত অভূতপূৰ্বভাৱে সমাদৃত হৈ আন্তৰ্জাতিক স্বীকৃতি আপোনা-আপুনি বৈ আহিল তেওঁৰ ৩৬ বছৰীয়া জীৱনৰ যৌৱন কালতে। ইংৰাজী অনুবাদেৰে ব্যাখ্যা দাঙি ধৰি বিশ্বৰ পণ্ডিতমণ্ডলীক এনে এখন ইংৰাজী গ্ৰন্থ তেওঁ যোগান ধৰিলে যে ইয়াৰ পূৰ্বে জগতৰ কোনো পণ্ডিতৰ তাক বুজি পোৱাৰ সাধ্য নাছিল। প্ৰাচীন নৈষধ চৰিত মহাকাব্যখনত মুঠ ২৮৩৪টা সংস্কৃত শ্লোক আছে। মহাভাৰতৰ নল-দময়ন্তীৰ উপাখ্যানৰ আধাৰত ৰচনা কৰা এই মহাকাব্যৰ দৰ্পণত ভাৰতীয় পৰম্পৰাগত সামাজিক প্ৰথাৰ প্ৰতিচ্ছবি পোৱা যায়। উদাহৰণস্বৰূপে এই মহাকাব্যত বৰ্ণনা কৰা এখন স্বয়ম্বৰৰ বিৱৰণ দিয়াই বৰ্তমানৰ লেখাটোৰ বিষয়— বিদৰ্ভ দেশৰ সমৃদ্ধিশালী ৰজা ভীমৰ অপূৰ্ব সুন্দৰী ৰাজকুমাৰী দময়ন্তীৰ অসামান্য ৰূপ আৰু সৎ চৰিত্ৰৰ যশস্যা চৌদিশে বিয়পি নিষধ দেশৰ ছত্ৰপতি নলৰজাৰ ৰাজসভাত গুঞ্জৰিত হৈ উঠিল। বিদৰ্ভ ৰাজকুমাৰীৰ অসামান্য ৰূপ-লাৱণ্য শুনি শুনি যৌৱন উন্মত্ত পৰাক্ৰমী চৰিত্ৰৱান ৰজা নল, যাৰ ৰূপে শাৰদীয় জোনৰ জেউতিকো চেৰ পেলাইছিল, সেইগৰাকী ৰূপৱান ৰজা ব্যাকুল হৈ উঠিল।

একেদৰে মদন সদৃশ ৰূপৱান নিষধ দেশৰ ৰাজ নৈষধৰ (অৰ্থাৎ নল ৰজা) যশস্যাৰ ঢৌ চৌদিশে বিয়পি বিদৰ্ভ ৰাজ্যতো ঠেকা খালেহি। বিদৰ্ভৰ ৰজা ভীমৰ ৰাজসভাত সমাগত হোৱা গুণগ্ৰাহী অতিথি, সজ্জনে প্ৰতিদিনে নিষধৰাজ নলৰ সৰ্বগুণৰ গুণানুকীৰ্তন কৰিবলৈ ধৰিলে। অতিথি, অভ্যাগতৰ মুখত নলৰজাৰ প্ৰশংসা তন্ময় হৈ শুনি শুনি ৰজাৰ তনয়া ৰূপৱতী দময়ন্তী আকৃষ্ট হ'ল নৈষধৰ প্ৰতি। কিশোৰী কন্যাই নলৰ বিৱৰণ যিমানেই শুনিলে, সিমানেই শয়নে সপোনে নলৰ নাম কাণত প্ৰতিধ্বনিত হ'ল।

ইফালে, নিষধ দেশৰ প্ৰণয়াসক্ত নলে ৰজাকাৰ্যত মন লগাব নোৱাৰি শুকুলা ঘোঁৰাত উঠি লোকাৰণ্য নগৰীৰ মাজেৰে তীব্ৰবেগে আগবাঢ়িল এক নিৰ্জন স্থানলৈ। অৱশেষত সীমান্তৰ এক নিৰল উপবনত থমকি ৰ'লহি। অনুগামী অশ্বাৰোহী সেনাদলেও উপবনৰ সমুখত অপেক্ষা কৰি ৰ'ল। বসন্তই ৰং ছটিওৱা অৰণ্যৰ ফল-ফুল, গছ-লতাৰ শোভাই নিমিষতে নলৰ শৰীৰ-মন শাঁত পেলালে। বতাহত কঁপি উঠা গছ ডালবোৰে যেন ফল-মূলৰ সম্ভাৰ লৈ অশ্বাৰোহী নৃপতিজনক আদৰণি জনাইছে। নৱ পুষ্পিত সুগন্ধী নাহৰ, চম্পক, অশোক, পলাশৰ উজ্জ্বল ৰংবোৰে তীব্ৰতৰ কৰি তুলিলে প্ৰিয়তমাৰ বিচ্ছেদৰ বেদনা। এনেতে ৰজাৰ চকুত পৰিল এক ৰমণীয় সাগৰ সদৃশ সৰোৱৰ। সৰোৱৰত ফুলি থকা ৰক্ত পদুমণিৰ মাজত বন-হংসবোৰে হংসিনীবোৰৰ লগত জল-ক্ৰীড়া কৰিছে। বনহংসবোৰৰ মাজত সোণালী ৰঙৰ হংস এটা দেখি ৰজাৰ মনত কৌতূহল জাগিল। পানীত সাঁতুৰি-নাদুৰী হংসটোৱে পাৰলৈ আহি এটা ঠেঙৰ ওপৰত ভৰ দি পাখিৰ মাজত মূৰ গুজি শুই পৰিল। সোণালী পাখিৰে ভৰা চৰাইটো দেখি নলে ঘোঁৰাৰ পৰা নামি আহি চৰাইটো হাতেৰে ধৰি পেলালে। ৰজাৰ হাতত মৃত্যু আসন্ন বুলি জানি মনুষ্য কণ্ঠৰে হংসই তাক মুকলি কৰি দিবলৈ কাকুতি কৰিলে। দলে চৰাইটো মুঠিৰ পৰা এৰি দিলত সি আকাশলৈ উৰা মাৰিলে। সৰোৱৰৰ ৰক্ত পদুমণিৰ মাজত নলৰ ৰঙচুৱা হাতখনি পদুম বুলি ভাবি চৰাইটোৱে পুনৰ নলৰ হাতত পৰি ক'বলৈ ধৰিলে, 'হে ৰাজন! সঁচাকৈয়ে তুমি অতি দয়ালু। তোমাৰ দয়াৰ বিনিময়ত মইনো কি দিব পাৰো? জান-জুৰি-সৰোবৰ ঘূৰি মই পৃথিৱীৰ অনেক ঠাই দেখিছো; তোমাৰ নিচিনা কামদেৱ সদৃশ ৰূপৱান পুৰুষক দময়ন্তী নামে এনে এটি সুলক্ষণা ৰূপৱতী কুমাৰীৰ বতৰা দিম, যাৰ ৰূপ-লাৱণ্য কোনো নাৰীয়ে চেৰ পেলাব নোৱাৰে। সেই নিৰুপমা কুমাৰী হ'ল বিদৰ্ভ দেশৰ ধাৰ্মিক ৰজা ভীমৰ জীয়াৰী। হে ৰাজন! তোমাক দেখি মোৰ মনত ভাব হৈছে, সৃষ্টিকৰ্তাই তোমাকেই সেই মনোৰমাৰ স্বামী হিচাপে গঢ় দিছে।' দময়ন্তীৰ কথা শুনি নল আনন্দত বিভোৰ হ'ল। চৰাইটোৰ গাত হাত ফুৰাই ক'লে, 'তোমাৰ কথাবোৰ শুনি মোৰ প্ৰেয়সীক চকুৰ আগত দেখা যেন লাগিছে। প্ৰিয়াক নেদেখি মই জীয়াতু ভুগিছো, তাকে চাই তুমি সঘনে আহি মোক সকলো বতৰা দি থাকিবা।' হংসটো উৰুৱাই দি নল উদ্যান গৃহত প্ৰৱেশ কৰিলে। ৰজাৰ সন্মতি পাই হংসই আকাশমাৰ্গত উৰিবলৈ ল'লে। গিৰি, বন-বননি, নদ-নদী, নগৰ-চহৰৰ ওপৰেদি উৰি উৰি অৱশেষত মণি-মৰকতৰ কাৰু-কাৰ্যৰে জিকমিকাই থকা ভীম ৰজাৰ 'কুণ্ডিনপুৰী' তাৰ ৰিণিকি ৰিণিকি চকুত পৰিল। হংসই তাৰ ডেউকাৰ গতি ক্ৰমে ধীৰ কৰি চক্ৰকাৰে তললৈ নামি নন্দন-কানন হেন প্ৰমোদ উদ্যান পৰি দূৰৈৰ পৰা সখীহঁতৰ মাজত দময়ন্তীক দেখা পালে। আকাশত দুপাকমান উৰি সি দময়ন্তীৰ সমুখত পৰিলহি। সোণালী হংসৰ অপূৰ্ব দৃশ্যই সকলোকে স্তম্ভিত কৰি তুলিলে। হংসই দময়ন্তীক প্ৰলোভিত কৰি উদ্যানৰ মাজে মাজে আহি উপবনৰ জোপোহা এটাৰ মাজত সোমালহি। দময়ন্তীয়ে পিছে পিছে দৌৰি আহিল। ছেগ বুজি সি নলৰজাৰ সকলো বাতৰি দময়ন্তীক দিলে। প্ৰণয়সক্তা দময়ন্তীয়েও লাজত তলমূৰ কৰি শুনি থাকিল। হংসই নলৰ ৰূপ-যৌৱনৰ কথা শুনাই ক'লে, 'তোমাৰ নিচিনা ৰূপ-গুণে বিভূষিতা যুৱতীক নলৰজাই বিয়া কৰালে তুমি অমৃতময় সুখৰ ভাগী হ'ব পাৰিবা।' বিবাহৰ কথা শুনি দময়ন্তীৰ অন্তৰ কঁপি উঠিল, অতি কাতৰেৰে দময়ন্তীয়ে হংসক ক'লে, 'প্ৰাণতকৈয়ো অধিক মোৰ হৃদয়ৰ স্বামীক তুমি দান দিলে, মই তোমাৰ যশস্যাৰ গুণ-গান চিৰকালে গাই থাকিম।' দময়ন্তীৰ কথা শুনি হংসই নলক সকলো কথা জনাবলৈ আকাশ মাৰ্গত উৰিবলৈ ল'লে। ইফালে, দময়ন্তীয়ে বিৰহৰ যাতনাত শোৱন-খাৱন এৰিলে। সখীহঁতৰ মুখে ভীম ৰজাই কথাবোৰ শুনি অৱশেষত দময়ন্তীৰ মনৰ ভাৱ বুজি বিবাহোপযোগী কন্যাৰ স্বয়ম্বৰ সভাৰ ঘোষণা কৰিলে। ঘোষণাৰ লগে লগে কুণ্ডিনৰ ৰাজপথত বিৰ দি বাট নোপোৱাকৈ ৰথৰ সমাৱেশ ঘটিল। স্বয়ম্বৰ উপলক্ষে পৃথিৱীৰ শ্ৰেষ্ঠ সুন্দৰীৰ পাণি গ্ৰহণৰ লালসাত সমবেত হৈছেহি অস্ত্ৰ আৰু শাস্ত্ৰ উভয় বিদ্যাত পাৰ্গত উচ্চ বংশৰ ৰূপৱান ঐশ্বৰ্যশালী ৰথী, মহাৰথীসকল। বতাহত কঁপি উঠা বিদৰ্ভৰ পতাকাই অভ্যাগতসকলক স্বাগতম জনাইছে। ত্ৰিলোকৰ ৰাজ-ৰাজন্যবৰ্গৰ মণি-মুক্তা খচিত অশ্বাৰোহী আৰু গজাৰোহী নৃপতিবৃন্দৰ ধৰণী কঁপোৱা খোজৰ ধূলি চৌদিশে বিয়পিছে। চিক্‌মিকীয়া বেশ-ভূষণ পৰিহিত নৃপতিবৃন্দৰ অনুচৰহঁতে চমকিত কৰিছে কুণ্ডিনপুৰবাসীসকলক। বিদৰ্ভ ৰাজ্যৰ জাকজমকীয়া স্বয়ম্বৰৰ আয়োজনে সৰগৰ দেৱতাসকলকো আকৰ্ষিত কৰিলে। দেৱতাৰ ৰজা ইন্দ্ৰ প্ৰমুখ্যে, বৰুণ দেৱতা, অগ্নিদেৱতা আৰু যম দেৱতাৰো হৃদয়ত জাগি উঠিল পৃথিৱীৰ শ্ৰেষ্ঠ সুন্দৰী দমন্তীৰ প্ৰতি অনুৰাগ। বিবাহ প্ৰাৰ্থী হ'বলৈ মন মেলি নামি আহিল মৰতলৈ। আনহাতে, দময়ন্তীৰ প্ৰণয় প্ৰাৰ্থী নল ৰজাও শুকুলা ঘোঁৰাত উঠি কুণ্ডিনপুৰী অভিমুখে যাত্ৰা কৰিলে। ৰাস্তাত নল ৰজাৰ মুখামুখি হ'ল দেৱতাগণৰ। সুন্দৰতাৰ প্ৰতিমূৰ্তি নলক দেখি চতুৰ ইন্দ্ৰ দেৱতাৰ বুজিবলৈ বাকী নাথাকিল তেওঁৰ আগমনৰ উদ্দেশ্যে। চতুৰালিত পাৰ্গত ইন্দ্ৰই ততালিকে নলক অভিবাদন জনাই পিতৃপুৰুষৰ ধৰ্ম জ্ঞান আৰু নৈতিকতাৰ গুণ বখানি ক'বলৈ ধৰিলে, 'আমাৰ দেৱগণৰ মৰ্ত্যমুখী যাত্ৰা অতি শুভ যে তুমি আগবাঢ়ি আহি আমাৰ অভিপ্ৰায় পূৰণ কৰিলা। দময়ন্তীৰ স্বয়ম্বৰৰ সন্দৰ্ভত তোমাৰ ওচৰত আমাৰ এটা প্ৰাৰ্থনা নিবেদন কৰিবলৈ ওলাই আহিছো। হে পুৰুষশ্ৰেষ্ঠ! আমাৰ হৈ তুমি দময়ন্তীক প্ৰেম নিবেদন কৰি দেৱতাৰ মনোবাঞ্ছা পূৰ্ণ কৰা। ধৰ্ম-জ্ঞানৰ প্ৰতীক নলৰজাই দেৱতাৰ প্ৰাৰ্থনা অগ্ৰাহ্য কৰিব নোৱাৰিলে।



নিজ প্ৰণয়ীনীক অন্যৰ হৈ প্ৰেম নিবেদনৰ দৌত্যগিৰি কৰিবলৈ মনে তোলপাৰ লগালে। অৱশেষত অশেষ কষ্ট কৰি নলে হৃদয়ৰ প্ৰেমাগ্নি শান্ত কৰিলে। কুণ্ডিনৰ দিশে আগবাঢ়িবলৈ সাজু হ'ল। দেৱবৃন্দই আনন্দত বৰ দান কৰিলে যে ভীম ৰজাৰ সশস্ত্ৰ পালি- প্ৰহৰীয়াৰ চকুত ধূলি দিবলৈ নলে যেন মানুহৰ দৃষ্টিৰ পৰা অদৃশ্য হোৱাৰ শক্তি আহৰণ কৰে!

অংগীকাৰবদ্ধ নলৰ বায়ুবেগী ৰথে গতি কৰিলে কুণ্ডিনৰ দিশে। ভীম ৰজাৰ অগণন পালি-প্ৰহৰীয়াৰ দৃষ্টিৰ পৰা শৰীৰ অদৃশ্য কৰি নলে প্ৰাসাদৰ ভিতৰচ'ৰাত সোমাল। অন্তেষপুৰত সোমাই নলে অপূৰ্ব সুন্দৰী দময়ন্তীক দেখিয়েই ধৰিব পাৰিলে তেওঁৰ প্ৰেয়সী বুলি। দেৱতাৰ বৰপ্ৰাপ্ত অদৃশ্য শৰীৰ দময়ন্তীৰ আগত প্ৰকাশ কৰি দেৱতাৰ দূতৰ কৰ্তব্য পালন কৰিবলৈ তেওঁ মন বান্ধিলে। অংগীকাৰবদ্ধ নলে দূতৰ ছদ্মবেশেৰে দময়ন্তীৰ সমুখত দেখা দিলে। ৰাজকন্যাৰ অন্দৰমহলত আচম্বিতে এক যুৱকৰ আৱিৰ্ভাৱে সকলোকে স্তম্ভিত কৰিলে। ইতিমধ্যে নল আৰু দময়ন্তীৰ প্ৰথম সাক্ষাতত প্ৰেমৰ দাবানল জ্বলিল। পূৰ্বে নলক দেখা নাই যদিও দময়ন্তীয়ে মনতে চিন্তা কৰিলে, এওঁ যদি প্ৰকৃততে নলেই হয় অন্তঃপুৰ প্ৰৱেশ কৰিলে কেনেকৈ? বাৰিষাৰ ঢল অহাৰ দৰেই দময়ন্তীৰ হিয়াত এক অজানিত আনন্দই তোলপাৰ লগালে। আনন্দ-আৱেগ ৰোধ কৰি দময়ন্তীয়ে ক'লে, 'সুৰক্ষিত ৰাজপ্ৰাসাদ অতিক্ৰম কৰি তুমি কেনেকৈ অন্তঃপুৰ প্ৰৱেশ কৰিলা? প্ৰাসাদৰ অগণন সশস্ত্ৰ প্ৰহৰীক তোমাৰ ৰূপৰ চমকৰে অন্ধ কৰিব পৰা দৈৱশক্তিৰে তুমি নিশ্চয় এজন অসাধাৰণ পুৰুষ। কোন ৰাজবংশৰ কুলপ্ৰদীপ তুমি ক'বানে মোক?' ভাৱাবেগ দমাই নলে ক'লে, 'তোমালৈ সৰগৰ দেৱতাই দিয়া প্ৰেম নিবেদনৰ বাৰ্তা তোমাক জনাবলৈকে মই ইয়াত উপস্থিত হৈছোহি। ত্ৰিজগতৰ দিক্‌পাল ইন্দ্ৰ, বৰুণ, অগ্নি আৰু যম দেৱতাই তোমাৰ গুণ-গৰিমাৰ কথা শুনি অতি মুগ্ধ। দেৱবৃন্দই তোমাক পত্নীৰূপে পোৱাৰ সপোন দেখিছে। মোৰ কণ্ঠৰ যোগেদিয়েই তোমালৈ প্ৰণয় সম্বাদ জনাইছে। দময়ন্তী! বৰমাল্য প্ৰদানেৰে ইন্দ্ৰ বা অন্য দেৱতাক বৰণ কৰি প্ৰেমাগ্নিৰ পৰা উদ্ধাৰ কৰা।' দেৱতাৰ প্ৰাৰ্থনাত অসন্তুষ্ট প্ৰকাশ কৰি দময়ন্তীয়ে বিৰক্তিৰে ক'লে, 'আঃ তোমাৰ নাম আৰু বংশৰ কথাৰ পৰা ফালৰি কাটি তুমি অন্য বিষয় উলিয়াইছা! মই তোমাৰ সুমধুৰ কথাবোৰ শুনি শুনি তোমাৰ নাম জানিবলৈ অধীৰ হৈ পৰিছো। কোন ৰাজবংশৰ শিৰোমণি তুমি, সেই কথা কৈ মোৰ মন শান্ত কৰা' হৃদয়ৰ গুপুত কথাবোৰ ব্যক্ত কৰিবলৈ লাজ পাই দময়ন্তীয়ে সখীৰ কাণত ফুচফুচালে। সখীয়ে সেই কথা প্ৰকাশ্যে দোহাৰিলে, 'দময়ন্তীৰ হৈ ময়ে কৈছো যে দময়ন্তীয়ে তেওঁৰ অন্তৰ বেদীত নল ৰজাক থাপনা পাতি নিতৌ পূজা দিয়ে। অন্যজনৰ কথা ভুলতো মনলৈ আনিলে কুমাৰীয়ে মনত প্ৰচণ্ড আঘাত পায়।' দময়ন্তীয়ে তেতিয়া মুকলিকৈ নলক শুনালে, 'মোৰ হৃদয়ত থাপনাত পতা যুৱকজনে মোৰ পাণি গ্ৰহণ নকৰিলে মই জুইত জাপ দি জীৱন নাশ কৰিম' বুলি শোকত ব্যাকুল হৈ ধাৰাসাৰে চকুলো বোৱালে। ইফালে, প্ৰিয়তমা দময়ন্তীৰ আকুল বিননি শুনি ছদ্মবেশী নল উন্মত্ত হৈ উঠিল। নিজকে সংযম কৰিব নোৱাৰি আত্মপৰিচয় দি ক'লে, 'প্ৰিয়া! ধাৰাসাৰে লোতক বোৱাই যাৰ বাবে তুমি ইমান বিলাপ কৰিছা, তুমি চকু মেলি চোৱাচোন! তেওঁ তোমাৰ সন্মুখতে মূৰ দোঁৱাই ৰৈ আছে।' নলৰ কথা শুনি কুমাৰী লাজত মুছকছ গ'ল। মুখৰ মাত হৰিল। উপায়হীন হৈ কুমাৰীয়ে সখীৰ মুখে নলক স্বয়ম্বৰত যোগদান দিবলৈ ইংগিত দিলে। নহ'লে যোগদান দিয়াৰ প্ৰতিশ্ৰুতি দি বিদায় ল'লে। দময়ন্তীয়ে দেৱতাবৃন্দৰ প্ৰণয় বাৰ্তা প্ৰত্যাখ্যান কৰাত ইন্দ্ৰাদি দেৱবৃন্দই কুমাৰীক প্ৰৱঞ্চনা কৰিবলৈ স্বয়ম্বৰ সভাত নলৰ ৰূপ লৈ ইন্দ্ৰ, বৰুণ, অগ্নি আৰু যমে স্বয়ম্বৰ সমাৰোহৰ আসনত বহি ল'লেহি। ইফালে, অমৰাৱতী হেন কুণ্ডিনৰ ৰজা ভীমে আমন্ত্ৰিত অতিথিগণৰ আদৰ-অভ্যৰ্থনাৰে ৰাজশ্ৰীৰ কোনো ত্ৰুটি ৰখা নাই। ৰমণীয় ৰাজপথ, সুশোভিত পদূলি, সুদৃশ্য লোকালয়েৰে সজাই তোলা হৈছে উৎসৱমুখৰ নগৰী। যথাসময়ত পাণিপ্ৰাৰ্থী নৃপতিসকলে আসন ল'লেহি স্বয়ম্বৰ সভাত। সেই সমাৱেশ সৌন্দৰ্যময় কৰি তুলিলে ৰজা নলৰ উপস্থিতিয়ে। ৰাজকন্যাই যেতিয়া দোলাত আৰোহণ কৰি সহচৰীৰে পৰিবৃতা হৈ ৰভাথলীত পদাৰ্পণ কৰিলে, কুমাৰীৰ ৰূপৰ জলক দেখি সকলোৱে তৱধ মানিলে। ভীম ৰজাৰ আমন্ত্ৰিত দেৱী সৰস্বতীয়ে কুমাৰীক পাণি প্ৰাৰ্থী বীৰ নৃপতিসকলৰ গুণ-গৰিমাৰ বিষয়ে বৰ্ণাই এজন এজনকৈ চিনাকি কৰাই দিলে। অৱশেষত কুমাৰীৰ দোলা প্ৰকৃত নলৰে স'তে একে চেহেৰাৰ চাৰিজন ছদ্মবেশী দেৱতাৰ কাষলৈ অনা হ'ল। পাঁচজন একে চেহেৰাৰ পুৰুষলৈ চাই কুমাৰীয়ে কোনো জনৰে পাৰ্থক্য নেদেখি ব্যাকুল হ'ল। চিন্তাকুল দময়ন্তীয়ে কোনো উপায় নেদেখি শেষত সমুখত বহি থকা ছদ্মবেশী দেৱতা ইন্দ্ৰ, বৰুণ, অগ্নি আৰু যম দেৱতালৈ সেৱা জনাই অতি কাতৰেৰে অন্তৰত থাপনা পাতি এই বিপদৰ পৰা ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনালে। কুমাৰী দময়ন্তীৰ দেৱভক্তি আৰু ধৰ্ম নিষ্ঠা দেখি দেৱতাবৃন্দ সন্তুষ্ট হৈ কুমাৰীৰ সুস্থিৰ বিচাৰ-বুদ্ধিৰ বাবে বৰ দান কৰিলে। কুমাৰীয়ে বিচাৰ শক্তি পাই নলক চিনি উলিয়াব পাৰিলে। কুমাৰীয়ে মন কৰিলে দেৱতাকেইজনৰ ভৰিয়ে মাটি স্পৰ্শ কৰা নাই, চকু অলৰ হৈ আছে আৰু শৰীৰৰ ছাঁ পৰা নাই; অথচ মাত্ৰ এজন পুৰুষৰ ভৰিয়ে মাটি স্পৰ্শ কৰিছে, শৰীৰৰ ছাঁ পৰিছে আৰু চকুৰ পতা লৰাই যেন মিলনৰ বাবে আহ্বান কৰিছে। আনন্দৰ চকুলো বোৱাই দময়ন্তীয়ে নলক বৰমাল্য পিন্ধালে। দেৱতাগণেও নিজ নিজ শকিতৰ বৰ নলক প্ৰদান কৰি সৰগলৈ যাত্ৰা কৰিলে। কুণ্ডিনপুৰী উৰুলীকৃত হ'ল সংগীত-বাদ্য ধ্বনিৰে। বৰমাল্য সামৰণিত নল ৰজা ফিৰি গ'ল নিজ শিবিৰলৈ। পিতৃ ভীম ৰজাই নৱ বৰণীয় নলৰ লগত কন্যাৰ বিবাহ কাৰ্য সম্পন্ন কৰাত মনোনিৱেশ কৰিলে। দুৰ যোগে নলক পিছদিনা প্ৰাসাদলৈ নিমন্ত্ৰণ কৰি অধীৰ আগ্ৰহেৰে বাট চাই থাকিল। যথা সময়ত বেঁইঘৰত কইনাক নোৱাই-ধোৱাই সৰ্বশৰীৰত বসন-ভূষণৰে সজোৱা-পৰোৱা পৰ্ব শেষ কৰিলে। শাস্ত্ৰীয় বিধি মতে নল ৰজাই কইনাৰ স'তে অগ্নিৰ চাৰিওফালে প্ৰদক্ষিণ কৰাৰ পাছত দৰা-কইনাৰ বস্ত্ৰত গাঁঠি মৰা হ'ল। বিবাহ কাৰ্য সমাপন কৰি দুয়ো প্ৰাসাদৰ প্ৰমোদ গৃহত প্ৰৱেশ কৰিলে। তিনিদিন তিনি ৰাতি বিনা সম্ভোগৰে কটাই পাঁচ দিনৰ পাছত নলে নিষধলৈ যাত্ৰা কৰিবলৈ প্ৰস্তুত হ'ল। অশ্ৰুসিক্ত নয়নৰে পিতৃ ভীম ৰজাই দময়ন্তীক ক'লে, 'আই আজিৰ পৰা মই তোমাৰ কোনোৱেই নহওঁ! নলেই তোমাৰ সৰ্বস্ব। সহনশীলতাই তোমাৰ বিপদমুক্ত হোৱাৰ উপায়।' ব্যাকুল নৰ-বধূৰ আকুল হৃদয় জুৰ পৰিল প্ৰিয়তমাৰ প্ৰেমসাগৰৰ মাজত বুৰ গৈ। গৃহাভিমুখী নল ৰজাৰ ক্ৰমে চকুত পৰিল ৰাজপুৰীৰ অলংকৃত তোৰণ আৰু ধ্বজা উত্তোলিত শাৰী শাৰী প্ৰাসাদবোৰ। মিলামিল হ'ল ক্ৰমে উৎসুক পাৰিষদ আৰু সহচৰবৰ্গৰে স'তে। সমগ্ৰ ৰাজপথত যুৱতীহঁতৰ সুগন্ধী আখৈৰ পুষ্পবৃষ্টি মূৰ পাতি ল'লে বৰ-বধুৱে।

*ফোন : ৯৯৫৪০৩৮৭০৪*



# চিঠিৰ বোজা মই পিঠিত বান্ধি লৈ পৰৰ চেনেহ কঢ়িয়াও

দীনমণি দাস

**চা**কৰি জীৱনৰ কৰ্ম ব্যস্ততাৰ পৰা আঁতৰি দুদিনমান ছুটী উপভোগৰ বাবে ঘৰত থাকোতে এদিন হঠাৎ ঘৰৰ চুকত থকা পুৰণি বাকচলৈ চকু গ'ল। ঘৰৰ চুকত অনাদৃতভাৱে পৰি থকা বাকচটো খুলি চোৱাত তাত কেইখনমান লেফাফা, পুৰণি চিঠিৰ খাম আৰু আকাশী নীলা ইনলেণ্ড লেটাৰ পালো। উঁৱলি যাব ধৰা চিঠিকেইখনমানে মোক তাহানি কটন কলেজত পঢ়া দিনবোৰলৈ লৈ গ'ল।

হয়, এই চিঠিবোৰেই ছাৰ্টৰ পকেটত আলফুলে লৈ ফুৰিছিলো আৰু পদাৰ্থ বিজ্ঞানৰ প্ৰেক্টিকেল ক্লাছৰ পৰা মাজে মাজে ওলাই আহি মনে মনে পঢ়িছিলো? এই চিঠিবোৰেই পাণবজাৰৰ ফাগুনৰ দুপৰীয়াবোৰ বেছি ৰঙীন কৰি তুলিছিল। যৌৱনৰ দিনবোৰত কোনো এক কিশোৰীয়ে মোলৈ লিখা চিঠি।

হয়তো বহুতেই যৌৱনৰ দিনবোৰত প্ৰেয়সীৰ মিঠা মিঠা কথাৰে ভৰা চিঠি পায় আৰু সেই চিঠি যদি জীৱনৰ ৫০টা বসন্ত পাৰ হোৱাৰ পাছত আকৌ পঢ়িবলৈ পায়, তেতিয়া কেনে লাগিব সেয়া অনুভৱহে, প্ৰকাশ কৰা কঠিন। বিভিন্ন সম্পৰ্কৰ বিভিন্নজনে, বিভিন্ন কাৰণত, বিভিন্ন সময়ত লিখা কে'বাখনো চিঠি পালো। চিঠিবোৰে মোক দূৰ অতীতলৈ লৈ গ'ল।

ছমৰীয়াৰ পৰা সম্পৰ্কীয় শিক্ষক মহা এজনে ১৯৭৪তে লিখা এখন উপদেশ ভৰা চিঠিও পালো, বহুত কথাৰ মাজত তেওঁ এযাৰ কথা লিখিছিল—

'ভাবিও কৰিও, কৰিও ভাবিও না।' এনেধৰণৰ বহু উপদেশ চিঠিখনত আছিল। জীৱনৰ বাটত সেইবোৰ উপদেশ অনুকৰণ হয়তো কৰিব নোৱাৰিলো। পূৰ্ঠ বয়সত প্ৰিয়া 'অনামিকা'ৰ বহু চিঠিও পালো। অৱশ্যে আজি কে'বাবছৰো কাৰো চিঠি পোৱা নাই-আজি কালি কিছু চৰকাৰী চিঠি পাওঁ, যিবোৰ নিতান্তই গতানুগতিক।

হয়, আগতে ডাকোৱালৰ বাবে ৰৈ থকা দিনবোৰ, গাঁৰৰ শাখা ডাকঘৰত গৈ পোষ্ট মাষ্টৰক মোৰ নামত চিঠি আহিছে নেকি খবৰ লোৱা দিনবোৰ অতীত হৈ গ'ল।

কেতেকীৰ হিয়া ভগা মাতত সাৰ পাই বুকুৰ অবুজ বেদনা উজাৰি মম জ্বলাই প্ৰিয়া অনামিকালৈ চিঠি লিখা দিনবোৰ যেন অতীত হৈ গ'ল।

'ৰৈ যোৱা ডাকোৱাল<br>খোজ কিয় কোৱাল<br>ৰুণুক জুনুক বাজে' গীতবোৰো আজি শুনিব নোপোৱা হ'লো।

হয়, ডাকোৱালে দিয়া চিঠিয়ে তুলিছিল— বুকুত অবুজ শিহৰণ।

আজি বাৰু প্ৰথম প্ৰেমত পৰা মাজ ৰাতিলৈ সাৰ পাই লিখেনে প্ৰিয়তমা চিঠি— নীলা খামৰ চিঠি।

হাতে লিখা চিঠিবোৰৰ ঠাই এতিয়া বিভিন্ন মাধ্যমে অধিকাৰ কৰিলে। পাৰৰ পাখিত গাঁঠি দিয়া চিঠিখন পিজন মেইলৰ পৰা বৰ্তমানলৈ 'ই-মেইল'লৈকে যোগাযোগ ব্যৱস্থালৈ এটা দ্ৰুত পৰিৱৰ্তন আহিছে। চিঠি মানুহৰ ভাব প্ৰকাশৰ মাধ্যম। অতীজতে মানুহে নিজৰ মনৰ ভাবধাৰা প্ৰকাশ কৰিবলৈ বিভিন্ন উপায় অৱলম্বন কৰিছিল। শিলত ভাস্কৰ্য কাটি, বল্কল, পল্লৱ আদিত আঁকিছিল সাংকেতিক চিহ্ন। বাৰ্তাবাহী মানৱ দত, কটকী, প্ৰশিক্ষিত পাৰ চৰাই, ঘোঁৰা, উট আদিয়ে বা-বাতৰি অনা-নিয়া কৰিছিল।

চিঠিৰে মত বিনিময় ৰজা-মহাৰজাৰ দিনৰ পৰা চলি আহিছে। বিভিন্ন সময়ত বিভিন্ন মানুহ এই চিঠি বিনিময়ৰ লগত জড়িত হৈ আহিছে।

আজি বহুদিন খাকী ৰঙৰ সাজপাৰ পিন্ধি কান্ধত ভৰ্তি বেগ লৈ খোজ কাঢ়ি বা চাইকেল চলাই দূৰ-দূৰণিৰ চিঠি বিলাই ফুৰা ডাকোৱাল দেখা পোৱা নাই।

ৰ'দ-বতাহ নেওচি এই ডাকোৱালেই অতি দুৰ্গম ঠাইলৈ গৈয়ো নিৰ্দিষ্ট ঠিকনাত চিঠি দিছিল।

কেশৱ মহন্তৰ গীতত পোৱা যায় ডাকোৱালৰ মনৰ কথা—

'চকুৰে নেদেখা দূৰণিতে<br>আছোহি পিয়নৰ চাকৰিতে<br>চিঠিৰ বোজা মই পিঠিত বান্ধি লৈ<br>পৰৰ চেনেহ কঢ়িয়াওঁ<br>মোৰহে চেনেহীৰ কিনো ভাবিছে<br>তাৰ একো গমকে নাপাওঁ।'

তাহানিতে কবিয়ে কোৱাৰ দৰে 'আবেগৰ ডাকোৱাল তই দিয়া মোক প্ৰেমৰ চিঠি..হয়তো এতিয়া প্ৰেমৰ চিঠি দিবলৈ কোনো ডাকোৱাল নাহে'। 'প্ৰেমৰ চিঠি' কঢ়িওৱা দিনবোৰ এতিয়া পাহৰণিৰ গৰ্ভত। চিঠিৰ অপেক্ষা আৰু অপেক্ষাৰ অন্তত চিঠি প্ৰাপ্তিৰ কেনে অনুভৱ হয় সেয়া হয়তো আজিৰ প্ৰজন্মই নাজানিব। কবি হেমচন্দ্ৰ গোস্বামীয়ে 'প্ৰিয়তমাৰ চিঠি' কবিতাত প্ৰেমৰ মাহাত্ম্য প্ৰকাশ কৰিছে—

'কুকুৰা ঠেঙীয়া এই আখৰ কিটিত<br>যি অমিয়া ঘঁহা আছে<br>আৰু ক'তো নাই,<br>তোমাৰ চিঠিয়ে প্ৰিয়ে,<br>জানে কি মোহিনী,<br>নিতৌ নোহোৱা বহি,<br>ন ন ফুল ফুলে।<br>য'ত শুঙো, চুমা খাওঁ<br>নালাগে আমনি,<br>হৃদয়ত হেঁপাহৰ ভোটা তৰা জ্বলে'..।

আজি কম্পিউটাৰৰ যুগত চিঠিৰ সৱাসৰ পৰা বঞ্চিত হৈছো নতুন প্ৰজন্ম। চিঠি লিখা অৰু পঢ়াৰ আমেজৰ মাদকতাৰ পৰা অনাগত প্ৰজন্ম হয়তো বঞ্চিত হ'ব। ম'বাইল, ইন্টাৰনেট আদিয়ে মানৱ জাতিক বৈষয়িকভাৱে বহু আগবঢ়াই নিলেও কিছুমান অন্তৰৰ উপলব্ধি চিঠিতহে পোৱা যায়। চিঠিত মৰম-চেনেহবোৰ বহুদিনলৈ সজীৱ হৈ জীয়াই থাকে। চিঠিত মৰম-চেনেহ দুখ বেদনাবোৰ, জীৱন উপলব্ধি বহু দিনলৈ সজীৱ হৈ থাকে। চিঠিৰ ভাৱধাৰা গভীৰ, প্ৰাণস্পৰ্শী। পথ দুৰ্ঘটনাত পতিত হৈ আমাৰ পৰা দৈহিকভাৱে আঁতৰি যোৱা প্ৰথম পুত্ৰ 'পীযুষ-প্ৰীতম' (পিজু)ক চিতাত তোলাৰ সময়ত ফুলৰ থোপাৰ মাজত তিনিটা বাক্যৰ চিঠি (মিৰ্জা দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ তেওঁৰ সহপাঠী বন্ধু কেইগৰাকীমানে লিখা)ৰ টুকুৰা এটা পোৱা গৈছিল। তিনিটা বাক্যৰ সেই চিঠিৰ ভাষাৰ মাজত নিহিত বেদনাৰ উপলব্ধিয়ে আজিও ৰাৱণৰ চিতা জুইৰ দৰে অন্তৰ্দহি বেদনাৰ স্মৃতি আমাক সোঁৱৰাই আছে, এনে গভীৰ উপলব্ধি চিঠিৰ বাদে কোনো মাধ্যমে কেতিয়াও বহন কৰিব নোৱাৰে।

জীৱনৰ বিয়লি বেলাত মোগল সম্ৰাট ঔৰংগজেৱে প্ৰিয় নাতিলৈ লিখা চিঠিত জীৱনৰ শেষ বেদনাৰ নিৰাশা আৰু হতাশাৰ— যি ছবি প্ৰকাশ পাইছে, সেইবোৰ কথাই আজি তিনিশ বছৰ পাছতো আমাক সোঁৱৰাই দিয়ে চৰম বৈষমিক প্ৰাপ্তি আৰু ক্ষমতাৰ উচ্চ শিখৰত থকাজনৰো জীৱন বাটৰ কিছুমান মুহূৰ্তত পাৰ্থিৱ গৌৰৱ আৰু ক্ষমতাৰ অসাৰতাৰ উপলব্ধি আহিব পাৰে।

চিঠিৰ পৰাই সৃষ্টি হৈছে বিখ্যাত সাহিত্য। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি— লিও টলষ্টয়ে ছোফিয়ালৈ দিয়া প্ৰেমৰ চিঠিবোৰ, কবি ৰবাৰ্ট ব্ৰাউনিং এলিজাবেথলৈ দিয়া চিঠি, জন কীটছে প্ৰেয়সী ফেনী ব্ৰাউনলৈ, ৰবীন্দ্ৰনাথে মৃণালিনীলৈ আৰু সম্ৰাট ছাহজাহানে দিয়া চিঠিবোৰ। ইয়াৰ উপৰি গ্ৰীক বীৰ আলেকজেণ্ডাৰ আৰু পাৰস্যৰ ৰজা দৰায়ুছৰ মাজত বিনিময় হোৱা চিঠিবোৰ, জৱাহৰলাল নেহৰুৱে জীয়েক ইন্দিৰালৈ লিখা চিঠিবোৰ এইবোৰ মহৎ সাহিত্যৰ অন্তৰ্গত।

চিঠিৰ মাধ্যমত সাৰ্থক কাব্য সৃষ্টি কৰিছে হেম বৰুৱাই। হেম বৰুৱাৰ 'মমতাৰ চিঠি', 'এখন চিঠি' কবিতাত চিঠিৰ মাহাত্ম্য প্ৰকাশ পাইছে—

'এয়া মম এডাল জ্বলাই থৈছো<br>আজি বহুদিনৰ মূৰত তোমালৈ চিঠি লিখো বুলি<br>বাহিৰৰ উৰুঙা বতাহজাকে<br>মমডাল আহি কোবাইছেহি<br>চাওঁ খিৰিকিখন জপাই দিওঁ..।'<br>(মমতাৰ চিঠি)

এতিয়া আৰু কোনোবাই মম জ্বলাই চিঠি লিখিবনে, নে চিঠি অভিধানৰ পাতত বন্দী এটা শব্দ হৈ ৰ'ব? তথাপি আমালৈ মৰম-চেনেহ, দুখ-বেদনাৰ বতৰা কঢ়িয়াই অনা চিঠি জীয়াই থকাৰ কামনা কৰিলো।

*ফোন : ৯৪৩৫১৯২০৫৬*

ইতিহাসৰ আঁত ধৰি

# উৰ্বশীৰ আঁচলেৰে বৈ যায় সূৰ্যাস্ত

অনজন ডেকা

**গুৱাহাটী** মহানগৰীৰ লগতে লাগি থকা উমানন্দ বা ভস্মাচল পাহাৰৰ কিছু দক্ষিণ আৰু কাছাৰীঘাটৰ পৰা কিছু উত্তৰে ব্ৰহ্মপুত্ৰৰ মাজভাগত ঐতিহাসিক উৰ্বশী শিলাখণ্ড অৱস্থিত। বছৰৰ প্ৰতিটো দিনেই বিশাল ব্ৰহ্মপুত্ৰৰ পবিত্ৰ জলধাৰাই ইয়াক ধৌৱাই থাকে।

একমাত্ৰ জলপথেৰে সংযোগী এই ঐতিহাসিক ঠাইখনলৈ কামৰূপ জিলাৰ বৰ্তমানৰ উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰায় তিনিশ মিটাৰ দূৰ আৰু ইতিহাস প্ৰসিদ্ধ উমানন্দৰ পৰা দুশ মিটাৰতকৈও কম।

যদিও এই বিশেষ ঠাইখন মহানগৰীৰ সোঁমাজতে, তথাপি এই স্থানলৈ মানুহৰ অহা-যোৱা তেনেই নগণ্য। অৰ্থাৎ বিশেষ কোনো কাম নাথাকিলে এই ঠাইলৈ কোনো মানুহ নাযায়। আনহাতে, বছৰৰ অধিকাংশ সময় ই পানীৰ তলত থাকে।

এই জনসমাগম বৰ্জিত ঠাইকণৰ আছে এক অতি চহকী ইতিহাস।



বছৰৰ অধিকাংশ সময় পানীত তলত থকা এই শিলাখণ্ড বা সৰু শিলাময় নদীদ্বীপটোত বহু আগতেই কম সময়ৰ বাবে হ'লেও কোনো নিপুণ শিলাকূটিয়ে খোজ পেলাইছিল। আৰু তাৰ পাছতেই তেওঁলোকৰ নিপুণ হাতেৰে সৃষ্টি কৰিছিল বহু আকৰ্ষণীয় আৰু সুন্দৰ শিল্পকৰ্ম। এতিয়াও খৰালি কালত ব্ৰহ্মপুত্ৰ নদীৰ পানী কমি গ'লে এই শিল্পকৰ্মসমূহ জনসাধাৰণৰ দৃষ্টিগোচৰ হয়। সাধাৰণতে বছৰৰ অধিকাংশ সময় বতাহ-বৰষুণ, ধূলি-মাকতি আদিৰ পৰা নিলগত থাকে বাবেই হয়তো এই শিলাময় দ্বীপৰ সেই ঐতিহাসিক ভাস্কৰ্য বা শিল্পকৰ্মসমূহ এতিয়াও প্ৰায় অক্ষত অৱস্থাত আছে। এই ঠাইত দেখিবলৈ পোৱা ঐতিহাসিক শিল্পকৰ্মসমূহৰ ভিতৰত কেঁবাটাও বিষ্ণু, বিষ্ণুপদ, গণেশ, সূৰ্য, মহামৃত্যুঞ্জয়, ধ্যানৰত উৰ্বশী, সখীৰ স'তে উৰ্বশীৰ ভাস্কৰ্য, আৰু শিলাখণ্ডৰ শীৰ্ষত তিনিটা শিৱলিঙ্গ, বিষ্ণুৰ দশাৱতাৰ, কিছু খটখটী, আৰু অলেখ শিলত কটা ৰেখা চিত্ৰ, নাৰী চিত্ৰ ইত্যাদি। আন আন ভাস্কৰ্যসমূহৰ লগতে এটা যোগাসনৰ ভূমিস্পৰ্শ মুদ্ৰাযুক্ত ভাস্কৰ্যও দেখা যায়। ইতিহাসবিদ কনকলাল বৰুৱাই এইটো বুদ্ধ মূৰ্তি হ'ব পাৰে বুলি নিজৰ মত প্ৰকাশ কৰিছে। ইয়াৰ লগতে আন এক উপাসকৰ ভাস্কৰ্যও দেখা যায়। এইটো আকৃতিত কিছু সৰু। ইয়াৰ বাহিৰেও বহু পূৰ্ণ-অপূৰ্ণ শিল্পকৰ্ম পোৱা যায়।

এই উৰ্বশী শিলাখণ্ডত থকা খটখটীসমূহৰ গোৱালপাৰা জিলাৰ পঞ্চৰত্নৰ নিকটৱৰ্তী ডেকধোৱা পাহাৰত দেখিবলৈ পোৱা শিলৰ খটখটীসমূহৰ স'তে সাদৃশ্য আছে। সম্প্ৰতি এইসমূহ শিল্পকৰ্মক বিশেষভাৱে সংৰক্ষিত কৰি ৰখা হৈছে। আন আন ঐতিহাসিক স্থানৰ দৰে উৰ্বশী নামৰ এই শিলাময় দ্বীপটোৰ বুকুত দৃষ্টিগোচৰ হোৱা শিল্পকৰ্ম বা ভাস্কৰ্যসমূহ কোনে কেতিয়া আৰু কিয় সৃষ্টি কৰিছিল সেই সম্পৰ্কে কোনো লিখিত তথ্য পোৱা নাযায়। অৱশ্যে এই স্থানত থকা শিলাখণ্ডত উদ্ধাৰ হোৱা ঐতিহাসিক শিলালিপিসমূহৰ পাঠোদ্ধাৰ কৰিব পাৰিলে হয়তো এই শিলাখণ্ডৰ শিল্পকৰ্মসমূহৰ বিষয়ে বহু কথাই জানিব পৰা গ'লহেঁতেন।

এইখিনিতে উল্লেখ কৰিব পাৰি যে সৰহ সংখ্যক লিপিবিদৰ মতে অসমীয়া ভাষাত ব্যৱহাৰ হোৱা লিপিসমূহৰ লগতে সমগ্ৰ উত্তৰ ভাৰতীয় ভাষাত ব্যৱহৃত লিপিসমূহৰ উৎপত্তিৰ উৎস এই ব্ৰাহ্মী লিপি। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ মৌৰ্য বংশৰ ৰজা অশোকৰ দিনত বহু ঠাইত উদ্ধাৰ হোৱা শিলালিপিসমূহ এই ব্ৰাহ্মী লিপিত লিখা আছিল। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা আৰম্ভ হোৱা গুপ্তযুগ বা গুপ্তবংশৰ ৰজাসকলৰ ৰাজত্ব কালৰ আগলৈকে এই ব্ৰাহ্মী লিপি ব্যৱহাৰ কৰা হৈছিল বুলি বিভিন্ন পুথি-পাঁজিত উল্লেখ আছে। যদি সেয়েই হয়, তেন্তে, উৰ্বশী শিলাখণ্ড বা এই নদীদ্বীপটোত উদ্ধাৰ হোৱা ভাস্কৰ্যসমূহ বা শিল্পকৰ্মসমূহৰ নিৰ্মাণ কাল খ্ৰীষ্টীয় চতুৰ্থ শতিকা বা তাৰ আগৰ বুলি ভাবিব পৰাৰ থল আছে। এই সম্পৰ্কে কিছু গভীৰ অধ্যয়নৰ প্ৰয়োজন নিশ্চয় আছে।

ঐতিহাসিকৰ গুৰুত্বৰ লগতে এই উৰ্বশী শিলাখণ্ডৰ যথেষ্ট আধ্যাত্মিক গুৰুত্বও আছে।

কালিকা পুৰাণত উল্লেখ থকা অনুসৰি উৰ্বশীকুণ্ডত বিধিমতে স্নান কৰি উমানন্দ দৰ্শন কৰাৰ পাছত পাণ্ডুত থকা পাণ্ডুশিলা স্পৰ্শ কৰি নীলকূট পৰ্বত বা নীলাচলত থকা কামাখ্যা দৰ্শন কৰিলে সেই ব্যক্তিয়ে পুনৰ্জন্মৰ পৰা মুক্তি লাভ কৰে। ইয়াৰ উপৰি সমুদ্ৰ মন্থনত উদ্ভৱ হোৱা অমৃত এই উৰ্বশীয়ে শিলাৰূপী শিৱৰ তত্ত্বাৱধানত দেৱী কামাখ্যাৰ বাবে সঞ্চয় কৰি ৰাখিছে। প্ৰতিবছৰে বসন্ত কালত সৰস্বতী পূজা আৰু ফল্গু উৎসৱৰ মাজৰ সময়ছোৱাত এই উৰ্বশী শিলাখণ্ডত ৰতিকা মহোৎসৱৰ আয়োজন কৰা হয়। এই মহোৎসৱত উমানন্দৰ দেৱালয়ৰ দলৈ পৰিয়ালৰ তত্ত্বাৱধানৰ বিশেষ পূজা-পাতলৰ ব্যৱস্থা কৰা হয়। ইতিহাস আৰু আধ্যাত্মিকতাৰ উপৰি ব্ৰহ্মপুত্ৰৰ জলপথৰ বাবেও এই উৰ্বশী শিলাখণ্ডৰ গুৰুত্ব আছিল অনেক বেছি। তাহানিৰ ব্ৰিটিছৰ আমোলত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰত উত্তৰকূলৰ পৰা দক্ষিণকূললৈ যাব পৰাকৈ উজান বজাৰ, কাছাৰী আৰু ফাঁচীবজাৰত তিনিটা ঘাট আছিল। ফাঁচীবজাৰৰ অতীতৰ সেই ঐতিহ্যমণ্ডিত ঘাটটো ইতিমধ্যেই ব্ৰহ্মপুত্ৰত জাহ গৈছে। আনহাতে, কাছমাৰীঘাটৰ অৱস্থিতি এতিয়াও অনুমান কৰিব পাৰি। শেহতীয়াকৈ এই ঘাটত শাৰদীয় দুৰ্গা পূজাত বিজয়া দশমীৰ দিনাখন দেৱীক বিসৰ্জন দিয়া হয়। আনফালে উজানবজাৰৰ ঘাটত সেই সময়ত এখন তোৰণ আছিল। ১৮৯৭ খ্ৰীষ্টাব্দৰ বৰভূঁইকঁপত এই তোৰণখন সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। অসমৰ জল পৰিবহণত গুৱাহাটীস্থ এই ঘাটৰ গুৰুত্ব আছিল সৰ্বাধিক। ১৮৪৮ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথমবাৰলৈ গুৱাহাটী আৰু কলকাতাৰ মাজত জাহাজ চলোৱাৰ ব্যৱস্থা কৰিছিল। ১৮৬০ খ্ৰীষ্টাব্দত চৰকাৰৰ স'তে কৰা চুক্তি অনুসৰি ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানীয়ে ছসপ্তাহ বা ডেৰ মাহৰ বিৰতিত কলকাতা আৰু গুৱাহাটীৰ মাজত জাহাজ চলাইছিল। সৌসিদিনা অৰ্থাৎ ১৯৬৫ খ্ৰীষ্টাব্দৰ ভাৰত-পাকিস্তানৰ যুদ্ধৰ সময়লৈকে এই জলপৰিবহণৰ ধাৰাবাহিকতা চলি আছিল। পাছলৈ কলকাতাৰ পৰা অহা কোম্পানীৰ মালবাহী জাহাজসমূহ আহি এই ঘাটত লাগিছিল। ইয়াৰ পৰাই সা-সামগ্ৰী ৰেলত উঠিছিল। জাহাজঘাটৰ পৰা ঐতিহাসিক মংগলচণ্ডী দেৱালয়ৰ ওচৰেৰে বাৰোৱাৰী হৈ গুৱাহাটী ষ্টেছনলৈ মালবাহী ৰেলৰ লগতে সেই অঞ্চলত বাস কৰা ৰেল বিভাগৰ কৰ্মচাৰীসকলক অনা-নিয়া কৰাৰ বাবে পুৱা আৰু গধূলি ছাটল ৰেল চলিছিল। এতিয়াও এই ৰেলৰ আলিৰ চিহ্ন স্পষ্টকৈ দেখা যায়।

এই উজানবজাৰ পকীঘাট বা মথুৰামোহন বৰুৱা ঘাটলৈ অহা-যোৱা কৰা জাহাজসমূহ উৰ্বশী শিলাখণ্ডৰ আৰু ভস্মাচল পাহাৰৰ মাজৰ এক ঠেক অংশৰে পাৰ হৈছিল। সেই জাহাজসমূহক সঠিকভাৱে সংকেত প্ৰেৰণ কৰাৰ বাবে উৰ্বশী শিলাখণ্ডৰ মাজভাগত এক লাইটহাউছ বা পোহৰ স্তম্ভ নিৰ্মাণ কৰা হৈছিল। সম্ভৱতঃ কুৰি শতিকাৰ প্ৰথম দশকৰ শেহৰফালে ইয়াৰ নিৰ্মাণ কৰা হৈছিল। শতায়ু গৰকা এই স্তম্ভটোৱে এতিয়াও গৌৰৱেৰে ইয়াৰ ইতিহাস বহন কৰি আছে। (ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱাহাটী)

গুৱাহাটীৰ বহু খ্যাত-অখ্যাত ভৱনৰ নিৰ্মাণৰ লগতে এই ঐতিহাসিক স্তম্ভটো নিৰ্মাণ কৰিছিল সুদূৰ উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ পৰা কুৰি শতিকাৰ আৰম্ভণিতে ভাগ্যৰ অন্বেষণত গুৱাহাটীলৈ অহা খাঁন বাহাদুৰ ইদা খাঁন নামৰ এগৰাকী ব্যক্তিয়ে। নিজৰ দক্ষতাৰ বলত তেওঁ অসমৰ এজন আগশাৰীৰ ভৱন নিৰ্মাতাৰূপে পৰিগণিত হৈছিল। আজি ২১ শতিকাৰ তৃতীয় দশকতো এই স্তম্ভটোৱে নিজৰ অস্তিত্ব বজাই ৰাখিছে। অৱশ্যে এই স্তম্ভটোত সময়ৰ আঁচোৰ নপৰা নহয়। আশা কৰিম, বৰ্তমানৰ চৰকাৰে এই আপুৰুগীয়া ঐতিহ্যমণ্ডিত স্তম্ভটোৰ প্ৰয়োজনীয় মেৰামতিৰ ব্যৱস্থা হাতত লৈ ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব। শেহতীয়াকৈ এই উৰ্বশী শিলাখণ্ডৰ ওপৰেৰে নিৰ্মাণ হৈছে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ সংযোগী ৰ'পৱে বা ৰজ্জু পথ। ৰজ্জু পথেৰে পাৰ হৈ যোৱা যাত্ৰী-পৰ্যটকসকলৰ চকুত এই উৰ্বশী শিলাখণ্ডই প্ৰতি মুহূৰ্ততে এক আকৰ্ষণীয় ৰূপত ধৰা দিয়ে। ব্যস্ত মহানগৰীৰ একেবাৰে সোঁমাজতে থকা উৰ্বশী শিলাখণ্ডলৈ মানুহৰ কৌতূহল অন্ত নাই। এক অতি চহকী ইতিহাস বহন কৰা উৰ্বশী বহুতৰে বাবে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এক চহকী অতীতৰ ভঁৰাল।


*ফোন : ৯৪৩৫১৯০৫৪৫*

## অবৈধ ধন সৰবৰাহৰ অভিযোগত ডাউদৰ ভ্ৰাতৃক গ্ৰেপ্তাৰ



**নিউজ ব্যুৰ', মুম্বাই, ১৮ ফেব্ৰুৱাৰী ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ আজি মাফিয়া ড'ন ডাউদ ইব্ৰাহিমৰ ভ্ৰাতৃ ইকবাল কাছকৰক মহাৰাষ্ট্ৰৰ থানেত গ্ৰেপ্তাৰ কৰিলে। ই ডিয়ে কাছকৰক পি এম এল আদালতত হাজিৰ কৰিব। ই ডিয়ে ডাউদ আৰু তেওঁৰ সহযোগীৰ বিৰুদ্ধে অবৈধ ধন সৰবৰাহৰ গোচৰ ৰুজু কৰিছিল। এই গোচৰতে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে কাছকৰক সোধাপোছা কৰিব। যোৱা ১৬ ফেব্ৰুৱাৰীত ই ডিয়ে কাছকৰৰ বিৰুদ্ধে চমন জাৰি কৰিছিল। যোৱা ১৫ ফেব্ৰুৱাৰীত মুম্বাইত ই ডিয়ে ডাউদৰ আত্মীয়ৰ একাধিক ঠিকনাত ব্যাপক তালাচী অভিযান চলাইছিল।

## দেশত পুনৰ ক'ভিডৰ দৈনিক সংক্ৰমণ, মৃত্যু হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** শুকুৰবাৰে দেশৰ ক'ভিড সংক্ৰমণ পুনৰ হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ২৫,৯২০ জন লোক ক'ভিড ১৯ত সংক্ৰমিত হ'ল। আনহাতে, বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে দেশৰ বিভিন্ন ৰাজ্যত ৪৯২ জন লোকৰ প্ৰাণ কাঢ়িলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে কৰ'না আক্ৰান্তৰ সংখ্যা প্ৰায় পাঁচ হেজাৰ হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দেশত ৬৬,২৫৪ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল।




## অক্টোবৰ-ডিচেম্বৰত দেশৰ জি ডি পি ৫.৮ শতাংশ বৃদ্ধিৰ সম্ভাৱনা

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** দেশৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ২০২১-২২ বিত্তীয় বৰ্ষৰ তৃতীয়টো ত্ৰিমাহেকত ৫.৮ শতাংশ হাৰত বৃদ্ধিৰ সম্ভাৱনা আছে। ভাৰতীয় ষ্টেট বেংক (এছ বি আই)ৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ পালে। উল্লেখ্য যে ২০২১-২২ৰ দ্বিতীয়টো ত্ৰিমাহেকত দেশৰ অৰ্থ ব্যৱস্থা ৮.৪ শতাংশ হাৰত বৃদ্ধি পাইছিল। অৱশ্যে জি ডি পি বৃদ্ধিৰ হাৰ জুলাই-ছেপ্টেম্বৰত ইয়াৰ পূৰ্বৰ ত্ৰিমাহেকৰ ২০.১ শতাংশ বৃদ্ধিৰ তুলনাত কম আছিল।



## পুনৰ বাৰ্ড ফ্লু আতংক ঃ মহাৰাষ্ট্ৰত ২৫ হেজাৰ কুকুৰা হত্যাৰ নিৰ্দেশ

**নিউজ ব্যুৰ' থানে, ১৮ ফেব্ৰুৱাৰী ঃ** দেশত পুনৰ বিয়পিল বাৰ্ড ফ্লু (পক্ষী জ্বৰ)ৰ আতংক। বিহাৰৰ পাছত এইবাৰ মহাৰাষ্ট্ৰৰ থানেত বাৰ্ড ফ্লুৰ সংক্ৰমণ ধৰা পৰিল। থানেৰ সাহপুৰ অঞ্চলৰ হেহলীগাঁৱত হঠাতে এটা কুকুৰাৰ ফাৰ্মত শতাধিক কুকুৰাৰ মৃত্যু হোৱাৰ পাছতে পশু চিকিৎসকে বাৰ্ড ফ্লুৰ সংক্ৰমণ ধৰা পেলায়। সংক্ৰমণ বৃদ্ধিৰ শংকাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় প্ৰশাসনে ইতিমধ্যে ২৫ হেজাৰ কুকুৰাক হত্যা কৰাৰ সিদ্ধান্ত ল'লে। কিছুদিন পূৰ্বে বিহাৰৰ পাটনাত এটা কুকুৰাৰ ফাৰ্মত ৭৮৭টা কুকুৰাৰ বাৰ্ড ফ্লুত মৃত্যু হৈছিল।

### ২০২২-২৩ বিত্তীয় বৰ্ষত তিনি হেজাৰ ৯৬ কোটি ৪০ লাখ টকা আয়ৰ লক্ষ্য নিৰ্ধাৰণ

# দান দিয়া কেশৰ জৰিয়তে ১২৬ কোটি, প্ৰসাদৰে ৩৬৫ কোটি টকা উপাৰ্জনৰ লক্ষ্য তিৰুপতি মন্দিৰৰ

**নিউজ ব্যুৰ' তিৰুপতি, ১৮ ফেব্ৰুৱাৰী ঃ** হিন্দু ধৰ্মাৱলম্বীসকলৰ অনেকেই জীৱনত এবাৰ হ'লেও তিৰুপতি মন্দিৰ দৰ্শন কৰিব বিচাৰে। বহু ভক্তই এই মন্দিৰত নিজৰ কেশ দান কৰে। দেশৰ ভিতৰতে ঐতিহ্যমণ্ডিত হোৱাৰ লগতে অন্যতম এটি ধনী মন্দিৰ হিচাপে তিৰুপতি বালাজী মন্দিৰ পৰিচিত। কালি তিৰুমালা তিৰুপতি দেৱস্থানম (টি টি ডি)-এ ২০২২-২৩ বিত্তীয় বৰ্ষৰ আয়-ব্যয়ৰ খতিয়ান দাখিল কৰে। সংশ্লিষ্ট বিত্তীয় বৰ্ষত মন্দিৰটোৱে তিনি হেজাৰ ৯৬ কোটি ৪০ লাখ টকা আয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নিৰ্ধাৰিত আয়ৰ এহেজাৰ কোটি টকা আহৰণ কৰা হ'ব দান বাকচৰ জৰিয়তে। আনহাতে, প্ৰসাদ হিচাপে লাড্ডু বিক্ৰীৰে মন্দিৰটোৱে ৩৬৫ কোটি টকা উপাৰ্জনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। বিভিন্ন টিকট বিক্ৰীৰ দ্বাৰা ৩৬২ কোটি টকা মন্দিৰটোৱে চলিত বিত্তীয় বৰ্ষত আহৰণ কৰিব। একেদৰে ভাড়াৰ বাবদ এই বৰ্ষটোত ৯৫ কোটি টকা উপাৰ্জন কৰাৰ সম্ভাৱনা আছে।

আনহাতে, ভক্তই মন্দিৰত দান কৰা কেশ বিক্ৰীৰ জৰিয়তে ২০২২-২৩ বিত্তীয় বৰ্ষত ১২৬ কোটি টকা আহৰণ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে তিৰুপতিত কেশ দান কৰিলে স্বয়ং দেৱী লক্ষ্মীয়ে আশীৰ্বাদ বৰ্ষণ কৰে বুলি এক বিশ্বাস প্ৰচলিত হৈ আহিছে। এই মন্দিৰত ভক্তই যিমান কেশ দান কৰে, তাৰ দহ গুণ ধন-সম্পত্তি লাভ কৰে বুলি ভক্তসকলে বিশ্বাস কৰে।



## কুমাৰ বিশ্বাসৰ অভিযোগৰ সন্দৰ্ভত কি ক'লে কেজৰিৱালে ?



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** কবি তথা আম আদমী পাৰ্টি (আপ)ৰ প্ৰাক্তন নেতা কুমাৰ বিশ্বাসে উত্থাপন কৰা অভিযোগৰ সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে আপৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। এখন সংবাদমেলত বিশ্বাসক প্ৰত্যুত্তৰ দি কেজৰিৱালে কয় যে তেওঁ (বিশ্বাস) এজন হাস্য কবি আৰু যিকোনো মন্তব্য প্ৰকাশ কৰি আহিছে। এনে মন্তব্যক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাহুল গান্ধীয়ে গভীৰভাৱে গ্ৰহণ কৰা বুলিও কেজৰিৱালে মন্তব্য কৰি কয়, 'মোদীজী, প্ৰিয়ংকা গান্ধী, ৰাহুল গান্ধী সকলোৱে কৈছে যে যোৱা ১০ বছৰ ধৰি কেজৰিৱালে দেশখন দুটুকুৰা কৰিবলৈ পৰিকল্পনা গ্ৰহণ কৰিছে আৰু ইয়াৰে এটুকুৰাৰ প্ৰধানমন্ত্ৰী হ'ব বিচাৰিছে। এয়া সম্ভৱ হ'ব পাৰে নে? এয়া এক তামাচা, ইয়াৰ অৰ্থ হৈছে মই এজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী! বিগত ১০ বছৰৰ তিনি বছৰ কংগ্ৰেছৰ চৰকাৰ আৰু সাত বছৰ বিজেপিৰ চৰকাৰ আছে। ইমান বছৰে এই দুখন চৰকাৰে মোক গ্ৰেপ্তাৰ নকৰিলে কিয়? তেওঁলোকৰ নিৰাপত্তা সংস্থাসমূহে কি কৰিছিল আৰু তেওঁলোকে শুই আছিল নেকি? হয়তো বিশ্বত ময়ে এনে এজন সন্ত্ৰাসবাদী যিজনে পথ, বিদ্যালয় আৰু চিকিৎসালয় নিৰ্মাণ কৰিছো, বিনামূল্যে বিজুলী যোগান দিছো।' কেজৰিৱালে লগতে অভিযোগ কৰি কয় যে পঞ্জাৱত আপৰ চৰকাৰ গঠনত বাধাদান কৰিবলৈকে এতিয়া প্ৰধানমন্ত্ৰী মোদী, ৰাহুল গান্ধী, কেপ্টেইন অমৰিন্দৰ সিং, মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নী, সুখবীৰ সিং বাদল সকলোৱে একত্ৰিত হৈ তেওঁৰ বিৰুদ্ধে অভিযোগত সৰৱ হৈছে।



## ম্যানমাৰত এবছৰত জ্বলি চাৰখাৰ হ'ল ৪৫০০ বাসগৃহ

**নিউজ ব্যুৰ', য়াংগুন, ১৮ ফেব্ৰুৱাৰী ঃ** সামৰিক শাসন প্ৰৱৰ্তনৰ পাছৰে পৰা ম্যানমাৰত বিগত এবছৰত কমেও ৪৫০০ বাসগৃহ জ্বলাই চাৰখাৰ কৰিলে বাৰ্মিজ সেনাই। ২০২১ৰ ফেব্ৰুৱাৰীত ম্যানমাৰৰ গণতান্ত্ৰিক নেত্ৰী আং ছান ছ্যু কীৰ চৰকাৰক ক্ষমতাচ্যুত কৰি বাৰ্মিজ সেনাই সামৰিক শাসন প্ৰৱৰ্তন কৰিছিল। সেই সময়ৰ পৰাই দেশখনত সামৰিক জুণ্টাৰ বিৰুদ্ধে গণতন্ত্ৰকামীয়ে ব্যাপক প্ৰতিবাদ অব্যাহত ৰাখিছে। দেশখনত বিদ্ৰোহীয়ে সশস্ত্ৰ আন্দোলন আৰম্ভ কৰিছে। ৰেডিঅ' ফ্ৰি এছিয়াৰ প্ৰতিবেদনৰ তথ্য অনুসৰি বিগত এবছৰত বিদ্ৰোহ দমনৰ নামত বাৰ্মিজ সেনাই সাধাৰণ নাগৰিকৰ ৪৫০০ টা বাসগৃহ জ্বলাই চাৰখাৰ কৰিলে।

## ছন্নীয়ে ক'লে ঃ মই পি এইচ ডি কৰি আছো, মানে দ্বাদশতে ব্যয় কৰিলে তিনি বছৰ



**নিউজ ব্যুৰ', গুৰদাসপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীয়ে নিৰ্বাচনৰ প্ৰচাৰত আম আদমী পাৰ্টি (আপ)ৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ভগৱন্ত মানৰ শৈক্ষিক অৰ্হতাক লৈ প্ৰশ্ন উত্থাপন কৰিলে। ছন্নীয়ে কয় যে কোনো কাৰণতে মানে তেওঁৰ স'তে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে। 'তেওঁ (মান) কেনেকৈ মোৰ স'তে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব? মই পি এইচ ডি কৰি আছো আৰু মানে দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'বলৈ তিনি বছৰ লৈছিল। এনে এজন ব্যক্তিক পঞ্জাৱৰ মুখ্যমন্ত্ৰী হিচাপে কোনে চাব বিচাৰে? তেওঁ যিকোনো স্থানতে সুৰাপান কৰি উপস্থিত হয়। কেজৰিৱালে মুংগেৰীলালৰ দৰে স্বপ্ন দেখি তেওঁক মুখ্যমন্ত্ৰীৰ পদত বহুৱাব বিচাৰিছে।' গুৰদাসপুৰৰ দুখন পৃথক ৰেলীত কংগ্ৰেছৰ মুখ্যমন্ত্ৰীজনে এইদৰে প্ৰতিদ্বন্দ্বী দলৰ প্ৰাৰ্থী মানক কটাক্ষ কৰে।




## কেজৰিৱালৰ খালিস্তান সংযোগৰ সন্দৰ্ভত তদন্তৰ দাবী মুখ্যমন্ত্ৰী ছন্নীৰ

**নিউজ ব্যুৰ', চণ্ডীগড়, ১৮ ফেব্ৰুৱাৰী ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে কালি তেওঁৰ প্ৰাক্তন সতীৰ্থ কুমাৰ বিশ্বাসে এক চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। বিশ্বাসে দাবী কৰি কৈছিল যে কেজৰিৱালে খালিস্তানপন্থীক সমৰ্থন কৰে আৰু স্বাধীন খালিস্তানৰ প্ৰথম প্ৰধানমন্ত্ৰী হোৱাৰো স্বপ্ন দেখিছিল। বিশ্বাসৰ কেজৰিৱাল বিৰোধী এই অভিযোগৰ সন্দৰ্ভত পঞ্জাৱৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিত সিং ছন্নীয়ে তদন্তৰ দাবী জনালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। এক টুইটত ছন্নীয়ে এইদৰে কয়, 'পঞ্জাৱৰ মুখ্যমন্ত্ৰী হিচাপে মই মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীক অনুৰোধ জনাব বিচাৰো যে কুমাৰ বিশ্বাসজীৰ ভিডিঅ' অভিযোগৰ সন্দৰ্ভত এক নিৰপেক্ষ তদন্তৰ নিৰ্দেশ দিয়া হওক। ৰাজনীতি বাদ দি বিচ্ছিন্নতাবাদৰ বিৰুদ্ধে যুঁজ কৰিবলৈ গৈ পঞ্জাৱৰ জনগণে যথেষ্ট মূল্য আদায় দিলে। মাননীয় প্ৰধানমন্ত্ৰীয়ে প্ৰতিজন পঞ্জাৱীৰ উদ্বেগ দূৰ কৰিব লাগিব।'

## কানাডাত এইবাৰ স্বস্তিক প্ৰতীক ব্যৱহাৰক লৈ বিতৰ্ক



**নিউজ ব্যুৰ', অট'ৱা, ১৮ ফেব্ৰুৱাৰী ঃ** হিন্দুসকলে পৱিত্ৰ গণ্য কৰা স্বস্তিক প্ৰতীকক লৈ বিতৰ্কৰ সৃষ্টি হ'ল কানাডাত। স্বস্তিকৰ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰাৰ দাবী উত্থাপিত হ'ল কানাডাৰ সংসদত। কানাডাৰ নিউ ডেম'ক্ৰেটিক পাৰ্টিৰ নেতা জগমিত সিঙৰ সমৰ্থকে সংসদত স্বস্তিকৰ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপৰ বাবে এখন বিধেয়ক দাখিল কৰিলে। শেহতীয়াভাৱে ট্ৰাকচালকৰ আন্দোলনে অট'ৱাসহ কানাডাৰ একাধিক চহৰ উত্তাল কৰি ৰাখিছে। প্ৰতিবাদকাৰীসকলে বিভিন্ন প'ষ্টাৰ-বেনাৰৰ লগতে স্বস্তিক প্ৰতীকো ব্যৱহাৰ কৰিছে। কানাডাত স্বস্তিক প্ৰতীক ব্যৱহাৰৰ প্ৰসংগত তীব্ৰ বিৰোধিতা কৰি ভাৰতীয় মূলৰ কানাডাৰ একাংশ নাগৰিকে এনে প্ৰতীকৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ দাবী জনাইছে। নিউ ডেম'ক্ৰেটিক পাৰ্টিৰ নেতা জগমিত সিঙে চলিত মাহৰ আৰম্ভণিতে টুইট কৰি কৈছিল, 'স্বস্তিক আৰু সংঘৰ পতাকাৰ কানাডাত কোনো স্থান নাই। নিজৰ সম্প্ৰদায়ৰ সুৰক্ষিত ৰখাটো আমাৰ দায়িত্ব। কানাডাত ঘৃণাৰ প্ৰতীক ব্যৱহাৰ নিষিদ্ধ হোৱা উচিত।'



## ৰাছিয়াৰ পক্ষত থিয় দিলে ইজৰাইলে, ইউক্ৰেইনক আইৰন ড'ম নকৰে বিক্ৰী

**নিউজ ব্যুৰ', তেল আভিভ, ১৮ ফেব্ৰুৱাৰী ঃ** ৰুছ আৰু ইউক্ৰেইনৰ মাজত সংঘাত অব্যাহত থকাৰ সময়তে ইজৰাইলে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। আমেৰিকাই অনুৰোধ জনোৱাৰ পাছতো ইজৰাইলে ইউক্ৰেইনক আইৰন ড'ম প্ৰতিৰক্ষা ব্যৱস্থা যোগান ধৰিবলৈ অস্বীকাৰ কৰিলে। 'টাইমছ অৱ ইজৰাইল'ৰ বাতৰি অনুসৰি ইজৰাইলে আমেৰিকাক এই কথা স্পষ্টভাৱে অৱগত কৰিছে যে দেশখনে ইউক্ৰেইনলৈ আইৰন ড'ম প্ৰতিৰক্ষা ব্যৱস্থা প্ৰেৰণ নকৰে। ইজৰাইলে লগতে কয় যে ইউক্ৰেইনক এই বিশেষ প্ৰযুক্তিৰ প্ৰতিৰক্ষা ব্যৱস্থা যোগান ধৰিলে ৰাছিয়াৰ স'তে ইজৰাইলৰ সম্পৰ্ক ক্ষতিগ্ৰস্ত হ'ব। ইউক্ৰেইনক এইদৰে সামৰিক অস্ত্ৰৰে সহায় কৰিবলৈ অস্বীকাৰ কৰি ইজৰাইলে ৰাছিয়াৰ সমৰ্থনত থিয় দিলে।




## যুদ্ধকালীন পৰিস্থিতিত অন্য দেশৰ সমৰ্থনত ৰাছিয়াক সতৰ্কবাৰ্তা ইউক্ৰেইনৰ

**নিউজ ব্যুৰ' কীভ, ১৮ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউক্ৰেইন সীমান্তত ৰুছ সেনা নিয়োগৰ সন্দৰ্ভত এইবাৰ ৰাছিয়াক সতৰ্কবাৰ্তা দিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰদূতে। কালি নিৰাপত্তা পৰিষদত ইউক্ৰেইনৰ ৰাষ্ট্ৰদূত ছাৰ্গেই কিষ্টলেটছাই কয় যে সীমান্তত সেনা নিয়োগ কৰাৰ পৰিস্থিতিৰ সন্দৰ্ভত আন্তৰ্জাতিক সম্প্ৰদায়ৰ সমৰ্থন আদায়ৰ বাবে ৰাছিয়াই যি চেষ্টা চলাইছে সেই বিষয়ত দেশখনক সতৰ্ক কৰি দিয়া হৈছে। নিৰাপত্তা পৰিষদৰ বৈঠকত ইউক্ৰেইনে এইদৰে কয়, 'ৰাছিয়াৰ হাতত সেনা প্ৰত্যাহাৰ আৰু কূটনৈতিক আলোচনাৰ মাধ্যমৰে সমস্যা সমাধানৰ উপায় আছে। কিন্তু এনে উপায় অৱলম্বনৰ পৰিৱৰ্তে যদি দেশখনে আন্তৰ্জাতিক সমৰ্থন লাভৰ কথা চিন্তা কৰে তেন্তে সেয়া সঠিক নহ'ব। ইউক্ৰেইনে কেৱল নিজৰ বাবে নহয়, সমগ্ৰ ইউৰোপৰ স্বাৰ্থত অঞ্চলটোত শান্তি, নিৰাপত্তা আৰু স্থিতিশীলতা অটুট থকাটো বিচাৰে। ৰাছিয়াই যদি উত্তেজনা বৃদ্ধিৰ পথ বাছি লয়, ইউক্ৰেইনে নিজক ৰক্ষা কৰিব।'

## মহাকাশ ভ্ৰমণৰ বাবে টিকট বুকিং আৰম্ভ, ব্যয় কৰিব লাগিব ৩.৫ কোটি টকা

**নিউজ ব্যুৰ', কেলিফৰ্ণিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** মহাকাশ পৰ্যটনৰ ক্ষেত্ৰত ২০২১ বৰ্ষটো যথেষ্ট তাৎপৰ্যপূৰ্ণ আছিল। উক্ত বৰ্ষতে ৰিচাৰ্ড ব্ৰেনছন আৰু জেফ বেজ'ছৰ দৰে অৰ্বুদপতিয়ে নিজৰ মহাকাশ প্ৰতিষ্ঠানৰ জৰিয়তে বাণিজ্যিক মহাকাশ ভ্ৰমণৰ সুবিধা প্ৰৱৰ্তন কৰিলে। যোৱা বছৰতে মহাকাশ ভ্ৰমণৰ বাবে টিকটৰ বুকিং আৰম্ভ কৰা হৈছিল। চলিত বৰ্ষৰ আৰম্ভণিতে ব্ৰেনছনৰ প্ৰতিষ্ঠান ভাৰ্জিন গেলেক্টিকে আকৌ এবাৰ মহাকাশ ভ্ৰমণৰ বাবে ইচ্ছুক লোকৰ বাবে টিকটৰ বুকিং প্ৰক্ৰিয়া আৰম্ভ কৰিলে। মহাকাশ ভ্ৰমণৰ প্ৰতি আগ্ৰহী লোকে ৩.৫ কোটি টকা ব্যয়ৰে এই ৰোমাঞ্চকৰ আৰু শিঁহৰণকাৰী ভ্ৰমণৰ অভিজ্ঞতা আহৰণ কৰিব পাৰিব। আবেদনকাৰী যোগ্য বিবেচিত হ'লে প্ৰথমে ১.১২ কোটি টকা জমা দিব লাগিব আৰু ইয়াৰে ১৮ লাখ টকা ঘূৰাই দিয়া নহ'ব। ভাৰ্জিন গেলেক্টিকে চলিত বৰ্ষৰ অন্তিমভাগত বাণিজ্যিক মহাকাশ ভ্ৰমণ কাৰ্যসূচী গ্ৰহণ কৰিব। বৰ্তমানলৈকে প্ৰতিষ্ঠানটোৰ স'তে মহাকাশ ভ্ৰমণৰ বাবে ইচ্ছা ব্যক্ত কৰি ১০০০ ৰো অধিক লোকে যোগাযোগ কৰিছে। বৰ্তমানে ভাৰ্জিন গেলেক্টিকৰ হাতত মাত্ৰ এখন মহাকাশ বিমান আছে। কোম্পানীটোৱে আৰু দুখন মহাকাশ বিমানৰ নিৰ্মাণ অব্যাহত ৰাখিছে। ভাৰ্জিন গেলেক্টিকে বাণিজ্যিক মহাকাশ ভ্ৰমণৰ পৰিকল্পনাৰ অধীনত নিৰ্বাচিত মহাকাশ যাত্ৰীক মহাকাশৰ ৫০,০০০ ফুট উচ্চতালৈকে লৈ যাব আৰু তাৰ পাছত পুনৰ পৃথিৱীলৈ উভতি আহিব। বৰ্তমানে মহাকাশ ভ্ৰমণৰ বাবে ব্যৱহাৰ কৰা যানখনত ছজন যাত্ৰী আৰু দুজন বৈমানিকে যাত্ৰা কৰিব পাৰিব। ৯০ মিনিটৰ ভিতৰতে মহাকাশ ভ্ৰমণৰ এই অভিযান সমাপ্ত হ'ব।





## ইউক্ৰেইন সংঘাতৰ মাজতে ৰাছিয়াই আয়োজন কৰা বৈঠকত অংশ ল'ব আমেৰিকাই

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৮ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনক লৈ ৱাশ্বিংটনৰে সংঘাত অব্যাহত থকাৰ মাজতে আমেৰিকাক এখন বৈঠকলৈ আমন্ত্ৰণ জনালে ৰাছিয়াই। এই বৈঠকত অংশ ল'বলৈ সন্মতি দিলে আমেৰিকাই। অহা সপ্তাহৰ অন্তিমভাগত ইউৰোপত এখন বৈঠকত মিলিত হ'ব ম'স্কো আৰু ৱাশ্বিংটন। অৱশ্যে সূত্ৰৰ খবৰ অনুসৰি, ইউক্ৰেইনক আক্ৰমণ নকৰাৰ বাৰ্তাৰে এই বৈঠকত অংশ ল'ব মাৰ্কিন প্ৰতিনিধিয়ে। আমেৰিকাৰ বৈদেশিক সচিব এণ্টনী ব্লিংকনে ইতিমধ্যে এই প্ৰসংগত ৰাষ্ট্ৰসংঘত নিজৰ বক্তব্য স্পষ্ট কৰিছে। আমেৰিকাই কয় যে এই সংকটপূৰ্ণ পৰিস্থিতিত সমাধানৰ একমাত্ৰ উপায় হৈছে আলোচনা। মাৰ্কিন বৈদেশিক বিভাগৰ তথ্য অনুসৰি ব্লিংকন আৰু ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লেভৰ'ভে অহা সপ্তাহত ইউৰোপত আলোচনাৰ মেজত বহিব।

## বিজেপিৰ সন্মুখত শিৰনত নকৰা হেতুকে নিৰ্যাতিত হৈছে লালু ঃ দাবী প্ৰিয়ংকাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** পশুখাদ্য কেলেংকাৰিৰ আৰু এটা গোচৰত অলপতে আদালতে দোষী সাব্যস্ত কৰা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আৰ জে ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ সমৰ্থনত থিয় দিলে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাই। প্ৰিয়ংকাই সামাজিক মাধ্যমৰ জৰিয়তে দাবী কৰি কয় যে লালুপ্ৰসাদ প্ৰকৃততে বিজেপিৰ ৰাজনৈতিক শত্ৰুতাৰ বলি হ'ল। টুইটত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কয়, 'বিজেপি ব্ৰেণ্ডৰ ৰাজনীতিৰ সন্মুখত শিৰনত নকৰিলে সেই ব্যক্তিয়ে নিৰ্যাতনৰ সন্মুখীন হ'ব লাগে। মই আশা কৰো যে লালুজীয়ে অচিৰে ন্যায় লাভ কৰিব।' উল্লেখ্য যে যোৱা মঙলবাৰে চি বি আইৰ এখন বিশেষ আদালতে লালুক ১৩৯ কোটিটকীয়া পশুখাদ্য কেলেংকাৰিৰ আন এটা গোচৰত দোষী সাব্যস্ত কৰিছিল। অহা ২১ ফেব্ৰুৱাৰীত আদালতে লালুৰ এই গোচৰত শাস্তিৰ ৰায় দিব। পশুখাদ্য কেলেংকাৰিৰ একাধিক গোচৰত পূৰ্বে দোষী সাব্যস্ত হোৱা লালুৰে দীৰ্ঘদিন কাৰাগাৰত থকাৰ পাছত যোৱা বছৰত জামিনত মুক্তি লাভ কৰিছিল।

## তছলিমা ঘৃণাৰ প্ৰতীক, বিতৰ্কিত লেখিকাৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত ওৱেইছিৰ



**নিউজ ব্যুৰ', হায়দৰাবাদ, ১৮ ফেব্ৰুৱাৰী ঃ** হিজাব বিতৰ্কত দেশ উত্তপ্ত হৈ থকাৰ সময়তে কালি বাংলাদেশৰ স্ব-নিৰ্বাসিত লেখিকা তছলিমা নাছৰিনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে হিজাব হ'ল নাৰীৰ সতীত্বৰ পহৰাদাৰী কৰা পোছাক আৰু এনে পোছাকে মহিলাক উপভোগৰ সামগ্ৰীত পৰিণত কৰে। তছলিমাৰ এই মন্তব্যৰ প্ৰসংগত আজি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে এ আই এম আই এমৰ হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰে হোৱা সাক্ষাৎকাৰত বিতৰ্কিত লেখিকাৰ বিৰুদ্ধে ক্ষোভ উজাৰি ওৱেইছিয়ে কয়, 'মই এনে কোনো ব্যক্তিক উত্তৰ দিব নিবিচাৰো যি ঘৃণাৰ প্ৰতীকত পৰিণত হৈছে। এনে কোনো ব্যক্তিক উত্তৰ নিদিওঁ যাক আশ্ৰয় দিয়া হৈছিল আৰু যিজন ব্যক্তিয়ে নিজ দেশত আত্মৰক্ষা কৰিব নোৱাৰি ভাৰতত থাকিব লগা হৈছে। সেয়েহে মই তেওঁক লৈ কোনো আলোচনা নকৰো।'

## হিজাব পিন্ধি কলেজত প্ৰৱেশত বাধাদান, ইস্তফা দিলে কৰ্ণাটকৰ ইংৰাজীৰ অধ্যাপিকাই

**নিউজ ব্যুৰ', টুমাকুৰু, ১৮ ফেব্ৰুৱাৰী ঃ** কৰ্ণাটকৰ শিক্ষানুষ্ঠানত সূত্ৰপাত ঘটা হিজাব বিতৰ্ক অব্যাহত আছে। এইবাৰ হিজাব পৰিধানত কলেজ কৰ্তৃপক্ষই বাধাদান কৰাত এগৰাকী অধ্যাপিকাই ইস্তফা দিলে। এই ঘটনা সংঘটিত হ'ল কৰ্ণাটকৰ টুমাকুৰুৰ জৈন পি ইউ কলেজত। চান্দনী নামৰ উক্ত অধ্যাপিকাই অভিযোগ কৰা অনুসৰি, কলেজত প্ৰৱেশৰ সময়ত কৰ্তৃপক্ষই তেওঁক হিজাব খুলিবলৈ কৈছিল আৰু ইয়াৰ পাছতে অপমানিত বোধ কৰি তেওঁ ইংৰাজী বিভাগৰ অধ্যাপিকাৰ পদত্যাগৰ সিদ্ধান্ত ল'লে। তিনি বছৰ পূৰ্বে চান্দনীয়ে উক্ত কলেজত শিক্ষাৰ্থী হিচাপে যোগদান কৰিছিল। ইমানদিনে তেওঁ হিজাব পৰিধান কৰি শিক্ষাদান কৰিছিল। চান্দনীয়ে অভিযোগ কৰি কয়, 'হঠাতে বৃহস্পতিবাৰে কলেজৰ অধ্যক্ষই মোক ক'লে যে হিজাব অথবা অন্য কোনো ধৰ্মীয় চিহ্ন থকা পোছাক পৰিধানৰে শ্ৰেণীত উপস্থিত থাকিব নোৱাৰিব, কিন্তু বিগত তিনি বছৰে মই হিজাব পিন্ধি পাঠদান কৰিছিলো।'



# মুছলপুৰত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** বাগ্সা জিলাৰ মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত বালাপাৰাত আজি এটা অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। বালাপাৰাৰ ওচৰতে থকা কৃষ্ণগুৰু এম ই বিদ্যালয়ৰ কাষেৰে বৈ যোৱা দেওজৰা নৈৰ পানী যুঁৰলিত ৩৫ বছৰীয়া লংপেন্ট চাৰ্ট পৰিহিত পুৰুষৰ মৃতদেহটো উদ্ধাৰ হয়। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মুছলপুৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰাখে।

# জাগীৰোডৰ গুলিচালনা ঘটনাক আছুৰ প্ৰতিক্ৰিয়া বন মন্ত্ৰীৰ সলনিৰ দাবী বৰুৱাৰ

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ১৮ ফেব্ৰুৱাৰী ঃ** ‘এক দেশ এক ভাষা’ৰ গয়না লৈ অসমীয়া ভাষা-সংস্কৃতি নিঃশেষ কৰাৰ এক ষড়যন্ত্ৰত লিপ্ত হৈছে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰ। ইয়াৰ প্ৰকৃত উদাহৰণ শেহতীয়াকৈ অসম লোকসেৱা আয়োগৰ পৰা অসমীয়া ভাষা উঠাই দিয়া, উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ পৰা বিহুক উঠাই দিয়া।’ এই অভিযোগ সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ। আজি জাগীৰোডত অনুষ্ঠিত জাগীৰোড আঞ্চলিক ছাত্ৰ সন্থাৰ একাদশ সংখ্যক বাৰ্ষিক অধিবেশনত তেওঁ এইদৰে কয়। লগতে অসমীয়াৰ বাপতি সাহোন বিহু সন্দৰ্ভত কৰা মুখ্যমন্ত্ৰীৰ মন্তব্য সন্দৰ্ভত সাধাৰণ সম্পাদকজনে কয় যে চান্দা আৰু ড° হিমন্ত বিশ্ব শৰ্মা এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। বিহুক লৈ সম্যক জ্ঞান নাই মুখ্যমন্ত্ৰী ড° শৰ্মাৰ। কাৰণ মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে বিহু কেৱল একৰ পৰা সাত ব’হাগলৈ নহয়। অসমৰ জনগোষ্ঠী ভেদে ব’হাগৰ বেলেগ বেলেগ সময়ত উদ্‌যাপন কৰে বিহু। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাক অসমৰ পৰিৱেশ অধ্যয়ন কৰিবলৈ আহ্বান জনায় সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বৰুৱাই। আনহাতে, শেহতীয়াকৈ জাগীৰোডত সংঘটিত হোৱা বনকৰ্মীৰ ভুৱা গুলিচালনাৰ ঘটনা সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যক অপসাৰণ কৰি যোগ্য ব্যক্তিক মন্ত্ৰিত্বৰ দায়িত্ব অৰ্পণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। ছাত্ৰ নেতাজনে কয়, ‘এনে মন্ত্ৰীৰ হাতত কেতিয়াও বন বিভাগ সুৰক্ষিত নহয়।’

# ফকিৰাগ্ৰামত আমছুৰ ক’লা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**চিথিলা/দোতমা, ১৮ ফেব্ৰুৱাৰী ঃ** আজি সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ (আমছু)ৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আৰু আঞ্চলিক সমিতিসমূহৰ সহযোগত ১৯৮৩তত সংঘটিত ‘নেলী’ হত্যাকাণ্ডৰ বিৰুদ্ধে ফকিৰাগ্ৰামস্থ আমছুৰ কাৰ্যালয়ৰ সন্মুখত ক’লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰা হয়। এই হত্যাকাণ্ডৰ অপৰাধী ৰক্তপিপাসুসকলৰ আজিও বিচাৰ হোৱা নাই। চৰকাৰী হিচাপ মতে তিনি হেজাৰ লোকৰ মৃত্যু হৈছিল যদিও বেচৰকাৰী হিচাপ মতে পাঁচ হেজাৰতকৈ অধিক লোকৰ মৃত্যু হৈছিল। পিছে আজিলৈকে কোনো এজন হত্যাকাৰীক আইনৰ কাঠগৰাত তোলা হোৱা নাই। ভুক্তভোগী পৰিয়ালে চাৰিটা দশকেই ন্যায় পোৱা নাই। চৰকাৰে গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন আজিলৈকে কোনো এখন চৰকাৰে প্ৰকাশ নকৰিলে বুলি আমছুৰ কোকৰাঝাৰ জিলা সভাপতি আমিনুৰ ইছলামে অভিযোগ উত্থাপন কৰে। উক্ত অনুষ্ঠানত আমছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক আনোৱাৰ হুছেইন, আব্দুল লতিফ আদি উপস্থিত থাকে। ইপিনে, আজি তুলসীবিলতো আমছুৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আৰু তুলসীবিল আঞ্চলিক সমিতিৰ সহযোগত আমছুৰ কাৰ্যালয়ত এই দিৱস পালন কৰা হয়।

# শুৱালকুছি শ্ৰীশ্ৰীহৰিহৰ মন্দিৰত ৪০ সংখ্যক ২৪ ঘন্টীয়া অখণ্ড হৰিনাম কীৰ্তন পালন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৮ ফেব্ৰুৱাৰী ঃ** শুৱালকুছিৰ পূব প্ৰান্তৰ ঐতিহাসিক শ্ৰীশ্ৰী হৰিহৰ মন্দিৰত ৰাজ্যৰ মংগলৰ বাবে ২৪ ঘন্টীয়া অখণ্ড হৰিনাম কীৰ্তন পালন কৰা হয়। যোৱা ১৬ ফেব্ৰুৱাৰীত সন্ধিয়া ছয় বজাৰ পৰা আৰম্ভ কৰা হৰিনাম কীৰ্তনত বৃহত্তৰ শুৱালকুছি তথা শ্ৰীশ্ৰীকৃষ্ণ মন্দিৰ, শ্ৰীশ্ৰী বংশী গোপাল নামঘৰ, জীয়ৰী- বোৱাৰী নামতী দল, চমুৱাটোল মহিলা নাম দল, কুমাৰপাৰা পুৰুষ-মহিলা দল আদি কৰি একুৰিৰো অধিক পুৰুষ আৰু মহিলা দলে ধৰ্মীয় নাম পৰিবেশন কৰে। কালি সন্ধিয়া ছয় বজাত সমাপ্তিৰ আগেয়ে কুমাৰপাৰা শ্ৰীশ্ৰী হৰিহৰ মন্দিৰ ৰাইজ গয়ৰহে হৰিনামত অংশগ্ৰহণ কৰে। হৰিনাম কীৰ্তনৰ লগত সংগতি ৰাখি ১৬ ফেব্ৰুৱাৰীৰ দুপৰীয়া বাৰ্ষিক শ্ৰীশ্ৰী মহাবিষ্ণু হোমাগ্নি সমাপন কৰে।

N.I.T.NO.KWD/SHORT E-AUCTION NOTICE/992

**SHORT E-AUCTION NOTICE**

Under the provision of Rule 32, 33, 34, 35, 36 & 37 of the Assam Minor Mineral Concession Rule, 2013, bids are invited online in two bid systems (Technical and Financial) by the undersigned as Schedule-'A' of the Auction document from the registered Contractors/Firms/Societies/Individuals etc. for award of Lease/Contract/Permit for the following Minor Mineral Concession Area.

| Sl. No. | Name of the Mining Contract Area |
|---|---|
| 1 | KW/19/GOHALKONA (2022-29), SAND GRAVEL |

Details of e-auction will be available on https://www.assamforestonline.in portal from 19.02.2022

Sd/-
**Divisional Forest Officer**
**Kamrup West Division**
**Bamunigaon**

Janasanyog/C/12283/21

**জাননী**

শ্ৰীঅতুল চন্দ্ৰ গগৈ, বন পালক-১
গণেশ নগৰ, শংকৰদেৱ পথ
ছয়মাইল, খানাপাৰা-২২
ঘৰ নং-০৬
কামৰূপ, অসম

ইয়াৰ দ্বাৰা জনোৱা হ’ল যে আপুনি যোৱা ইংৰাজী ১২-০৬-২০২০ তাৰিখৰ পৰা কোনো অনুমতি নোলোৱাকৈ কৰ্তৃত্বহীনভাৱে কাৰ্যালয়ত অনুপস্থিত আছে। এই বিষয়ে চিঠি নং No.B/Gene/Esstt/A.Gogoi,Fr-I/686 dated 03/01/2022 দ্বাৰা আপোনাক অৱগত কৰাৰ পাছতো আপোনাৰ পৰা কোনো প্ৰত্যুত্তৰ পোৱা নগ’ল। সেয়েহে এই জাননী পোৱাৰ ৩ (তিনি) দিনৰ ভিতৰত আপোনাক কাৰ্যালয়ত যোগদান কৰিবলৈ নিৰ্দেশ দিয়া হ’ল, অন্যথা বিভাগীয় বিধি অনুযায়ী ব্যৱস্থা লোৱা হ’ব।

এইখনে আপোনালৈ শেষ জাননী বুলি জ্ঞান কৰিব।

স্বাঃ
বন সংমণ্ডল প্ৰাধিকাৰী
জন্ম গুণ তত্ত্ব বিভাগ
বশিষ্ঠ, গুৱাহাটী-২৯

Janasanyog/D/15848/21

# কাৰ্যালয়ত দুঘণ্টা অপেক্ষা কৰিও বিষয়াক নাপালে বিধায়কে

## ■ মৰিগাঁৱৰ বিধায়ক দেউৰীৰ আকস্মিক পৰিদৰ্শন ভূৰবন্ধা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে আজি দিনৰ ভাগত ভূৰবন্ধা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ দুঘণ্টাকৈ অপেক্ষা কৰিও খণ্ড উন্নয়ন বিষয়া কাশ্যপী কাশ্যপ কাৰ্যালয়ত উপস্থিত নোহোৱাত খণ্ডত অগ্নি শৰ্মা হৈ পৰে। ভূৰবন্ধা উন্নয়ন খণ্ডত দীৰ্ঘদিন ধৰি উত্থাপিত হৈ অহা অভিযোগৰ ভিত্তিত আজি মৰিগাঁও সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ দেউৰীয়ে ভূৰবন্ধা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত উপস্থিত হয়। দিনৰ ১২ বজাত কাৰ্যালয়টোত উপস্থিত হোৱাত খণ্ড উন্নয়ন বিষয়াৰ কোঠাত তলা মাৰি থোৱাৰ লগতে কাৰ্যালয়টোত উপস্থিত আছিল মাত্ৰ ১৫ জন কৰ্মচাৰীহে। কাৰ্যালয়টোত ২৮ কৰ্মচাৰী থকাৰ পাছতো উপস্থিত থকা কৰ্মচাৰীৰ সংখ্যা সেৰেঙা হোৱাত বিধায়ক দেউৰী ক্ষুন্ন হৈ পৰে। কাৰ্যালয়টোত খণ্ড উন্নয়ন বিষয়াৰ বাবে প্ৰায় দুঘণ্টা ধৰি বিধায়ক দেউৰীয়ে অপেক্ষা কৰিও কাৰ্যালয়ত বিষয়া গৰাকী উপস্থিত নোহোৱাত চৰম অস্বস্তিবোধ কৰি বিধায়ক দেউৰীয়ে খণ্ড উন্নয়ন বিষয়া কাশ্যপক ফোন কৰে। বিধায়ক দেউৰীৰ ফোন পাই বিষয়া গৰাকীয়ে পৌৰসভাৰ নিৰ্বাচনৰ কামত ব্যস্ত আছে বুলি গা এৰা মন্তব্য কৰাত বিধায়কজন খঙত অগ্নি শৰ্মা হৈ পৰে। উল্লেখ যে- ভূৰবন্ধা খণ্ড উন্নয়ন বিষয়া কাশ্যপে কাৰ্যালয়টোত কৰ্মৰত কৰ্মচাৰী সকলৰ লগতে জনসাধাৰণক দুব্যৱহাৰ কৰি অহাৰ গুৰুত্বৰ অভিযোগ দীৰ্ঘদিনীয়া। উন্নয়ন খণ্ডৰ অন্তৰ্গত অঞ্চলসমূহত চলি থকা চৰকাৰী আঁচনি সমূহৰ কাম-কাজ সম্পূৰ্ণ হোৱাৰ পিছতো বিল মোকলাই দিবলৈ মান্তি নোহোৱা এইগৰাকী খণ্ড উন্নয়ন বিষয়াই এমজিএনৰেগা আঁচনিৰো ধন মোকলাই নিদিয়াৰ গুৰুত্বৰ অভিযোগ উত্থাপন হৈ আহিছে। ইফালে, ভূৰবন্ধা খণ্ড উন্নয়ন বিষয়া কাশ্যপৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক বিধায়ক দেউৰীয়ে অভিযোগ দাখিল কৰিব বুলি আজি সংবাদ মাধ্যমৰ আগত কয়।



# লেংটিছিঙাৰ সন্তোষপুৰত স্বাস্থ্য মেলাঃ ঔষধ বিতৰণ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৮ ফেব্ৰুৱাৰীঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত আজি সন্তোষপুৰত আয়োজিত স্বাস্থ্য মেলাত আঢ়ৈ শতাধিক লোকক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে চিকিৎসা সেৱা আগবঢ়াই ঔষধ বিতৰণ কৰে। স্বাস্থ্য কেন্দ্ৰটোৰ অন্তৰ্গত লেংটিছিঙাৰ নিকটৱৰ্তী সন্তোষপুৰ মজলীয়া বিদ্যালয়ত উত্তৰ শালমাৰা মহকুমাৰ সহকাৰী আয়ুক্ত আশিস কলিতাই উদ্বোধন কৰা স্বাস্থ্য মেলাত বঙাইগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ভূপেন বৈশ্য, সৃজনগ্ৰাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ মদন ভৰালীয়ে অঞ্চলটোৰ ৩৫৮ গৰাকী লোকৰ বিভিন্ন ৰোগৰ পৰীক্ষা কৰাৰ উপৰি বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়াই প্ৰয়োজনীয় ঔষধ আদি প্ৰদান কৰে।

# চাপৰত ৩৯ প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা

অগ্ৰদূত বাৰ্তা

**চাপৰ, ১৮ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুস্থিতব্য চাপৰ পৌৰ সভাৰ নিৰ্বাচনত বিজেপি, কংগ্ৰেছ, অগপ, এজেপি, এআইইউডিএফ আৰু নিৰ্দলীয়সহ ৪০গৰাকী প্ৰাৰ্থীয়ে ১০ টা ৱাৰ্ডত মনোনয়ন পত্ৰ ইতিমধ্যে দাখিল কৰিছে। পুৱা ১০ বজাৰ পৰা বিয়লি চাৰি বজালৈকে চাপৰ পৌৰ সভাৰ কাৰ্যালয়ৰ সভাকক্ষত পৌৰ সভাখনৰ কাৰ্যবাহী বিষয়া তথা ডেজিগনেটেড দণ্ডাধীশ কবিতা ডেকাই আটাইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰৰ অনুপুংখ নিৰীক্ষণ কৰি নটা ৱাৰ্ডৰ যুক্তিপূৰ্ণ মনোনীত প্ৰাৰ্থীৰ তালিকা সন্ধিয়া প্ৰকাশ কৰে যদিও দুই নম্বৰ ৱাৰ্ডৰ যুক্তিপূৰ্ণ মনোনীত প্ৰাৰ্থীৰ তালিকাখন প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। দণ্ডাধীশ কবিতা ডেকাই কয় যে এইবেলি চাপৰ পৌৰ সভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা ৪০ গৰাকী প্ৰাৰ্থীৰ অনুপুংখ নিৰীক্ষণ কৰি ৩৯ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয় যদিও দুই নম্বৰ ৱাৰ্ডৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী বিউটি ৰায়ৰ শিক্ষাগত অৰ্হতাক লৈ প্ৰশ্ন উত্থাপন হোৱাৰ বাবে এই সন্দৰ্ভত সিদ্ধান্ত লোৱা হোৱা নাই আৰু দুই নম্বৰ ৱাৰ্ডৰ যুক্তিপূৰ্ণ মনোনীত প্ৰাৰ্থীৰ তালিকাখন পুনৰ নিৰীক্ষণৰ বাবে ‘হল্ড’ কৰি ৰখা হৈছে বুলি তেওঁ কয় দুই নম্বৰ ৱাৰ্ডৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী বিউটি ৰায়ে কৃষ্ণকান্ত উল্লেখ্য যে সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক প্ৰস্তুতি পাঠ্যক্ৰম (বিপিপি) উত্তীৰ্ণ হৈ উক্ত বিশ্ববিদ্যালয়তে স্নাতক পৰ্যায়ত অধ্যয়ন কৰি থকা বুলি নথি পত্ৰ দাখিল কৰিছে। কিন্তু কংগ্ৰেছ আৰু অগপই উক্ত বিপিপি পাঠ্যক্ৰম উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ সমপৰ্যায়ৰ নহয় বুলি অভিযোগ উত্থাপন কৰি চাপৰ পৌৰ সভাৰ কাৰ্যবাহী বিষয়া ডেকাৰ ওচৰত লিখিত আবেদন দাখিল কৰি উক্ত মনোনয়ন বাতিল কৰিবলৈ অনুৰোধ জনাইছে। ইপিনে, এই সন্দৰ্ভত কালি সন্ধিয়া প্ৰাক্তন বিধায়ক তথা অগপ নেতা প্ৰশান্ত কুমাৰ বৰুৱাৰ নেতৃত্বত এটা দলে বিলাসীপাৰাৰ মহকুমাধিপতিক সাক্ষাৎ কৰিছে গৈছে।

# তামুলপুৰত গছৰ পৰা পৰি যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলা সদৰৰ সৌৰাগুৰি গাঁৱৰ ভূপেন নাথ (৩৮) নামৰ যুৱক এজনৰ কালি আবেলি গছৰ পৰা পৰি মৃত্যু হয়। দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া যুৱকজনে তামুলপুৰ জিলা সদৰৰ বাৰেইগাঁৱত এঘৰত এডাল গছত উঠি যন্ত্ৰৰে গছৰ ডাল কাটি আছিল। দুৰ্ভাগ্যজনকভাৱে যুৱকজনে গছৰ ডাল কাটি থাকোতে হঠাৎ সৰি পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লগে লগে তেওঁক তামুলপুৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰলৈ নি চিকিৎসা প্ৰদান কৰা হয় যদিও যুৱকজনৰ অৱস্থা গুৰুতৰ হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। অৱশ্যে আদবাটতে যুৱকজনৰ মৃত্যু হয়। ইপিনে, অতি দৰিদ্ৰ পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী যুৱকজনৰ অকাল মৃত্যুৱে পৰিয়ালটোলৈ অমানিশা কঢ়িয়াই আনিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুটি পুত্ৰ সন্তান এৰি যায়।

# পাঠশালাত পৌৰসভাৰ কংগ্ৰেছী প্ৰাৰ্থীক দলীয় সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**পাঠশালা, ১৮ ফেব্ৰুৱাৰী ঃ** দেশৰ অৰ্থনীতিৰ আজি পয়ালগা অৱস্থা। ইয়াৰ মূল কাৰণ হৈছে বিমুদ্ৰাকৰন। কলা ধন ঘূৰাই অনাৰ প্ৰতিশ্ৰুতি দিয়া মোডী চৰকাৰ আজি এই ক্ষেত্ৰত ব্যৰ্থ হৈছে। ‘বজালী ব্লক কংগ্ৰেছ কাৰ্যালয়ত আজি অনুষ্ঠিত এক সম্বৰ্ধনা সভাত উপস্থিত থাকি আজি নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক প্ৰভাকৰ চাথে এই মন্তব্য প্ৰকাশ কৰে। বজালী ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি অৰুন দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সম্বৰ্ধনা সভাত কংগ্ৰেছৰ পৰা পাঠশালা পৌৰসভাৰ তিনি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী তুলিকা বৰ্মন, পাঁচ নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী অংকুৰ শৰ্মা আৰু ছয় নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী অৰূপ দাস আৰু পাটাছাৰকুছি পৌৰসভাৰ চাৰি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী ফিৰোজা বেগম, পাঁচ নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী টফিকুৰ ৰহমান, ছয় নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী নুৰজাহান বেগমক দলীয়ভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন চিকদাৰ, বৰপেটা জিলা কংগ্ৰেছৰ উপ-সভাপতি গিৰিশ পাটগিৰি, বৰপেটা সমষ্টিৰ বিধায়ক ৰহিম আহমেদ, বজালী যুৱ কংগ্ৰেছৰ সভাপতি নিৰ্মল দাস সমন্বিতে বহু সংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

# পৃথিৱীৰ সকলো মানুহে কিতাপ পঢ়িব লাগিব বুলি ভবাটো ভুল

## পাঁচদিনীয়াকৈ চাবুৱাত আৰম্ভ চাবুৱা গ্ৰন্থমেলা

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ১৮ ফেব্ৰুৱাৰী ঃ** ‘পৃথিৱীৰ সকলো মানুহে গ্ৰন্থ পঢ়িব লাগিব বুলি ভৱাটো ভুল, প্ৰতিজন মানুহেই যদি একেলগে কিতাপ পঢ়ি থাকে তেন্তে পৃথিৱীখন নচলিব। কোনোবাই চিকিতসা সেৱা কৰিব লাগিব, কোনোবাই শ্ৰম কৰিব লাগিব বা কোনোবাই আন এটা কৰিব লাগিব তেতিয়াহে পৃথিৱীখন চলিব বুলি এক উদাহৰণ দাঙি ধৰা ভাষণ প্ৰদান কৰে চাবুৱা গ্ৰন্থমেলাৰ মঞ্চ উদ্বোধন কৰাৰ সময়ত বিৰাঙ্গনা সতী সাধিনী ৰাজ্যিক বিশ্ববিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ডঃ জ্যোতিপ্ৰসাদ শইকীয়াই কয়। চাবুৱাত শিল্পী, সাহিত্যিক, শিক্ষাৰ্থী, গ্ৰন্থপ্ৰেমী, ৰাজনৈতিক কৰ্মী, কণ্ঠশিল্পী, নাট্যকাৰ আদি অনেক লোকৰ উমৈহতীয়া প্ৰচেষ্টাত চাবুৱাৰ প্ৰথমখন পূৰ্ণাংগ গ্ৰন্থমেলা চাবুৱা গ্ৰন্থমেলা ২০২২ আজিৰে পৰা আৰম্ভ হয়। ১৮ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈকে পাঁচ দিনীয়াকৈ অনুষ্ঠিত হ’বলগীয়া গ্ৰন্থমেলাখন মুখ্য দুৱাৰ মুকলি কৰে চাবুৱাৰ বিধায়ক তথা আয়োজক সমিতিৰ সভাপতি পোনাকণ বৰুৱাই। পুৱা ন বজাত আয়োজক সমিতিৰ মুল পতাকা উত্তোলন কৰে পোনাকণ বৰুৱাই আৰু চাবুৱা লেখিকা সমাৰোহ সমিতিৰ পতাকা উত্তোলন কৰে ইন্দু মিলিয়ে। লগতে, গ্ৰন্থমেলা খনিত সহযোগিতা আগবঢ়োৱা সহযোগী ২৭ টা সংগঠনৰ পতাকা উত্তোলন কৰে সংগঠনসমূহৰ মূৰব্বীসকলে। অসমৰ শিল্প-সাহিত্য-সংস্কৃতিৰ হকে জীৱনজোৱা সাধনা কৰি ইহলীলা সম্বৰণ কৰা সকল স্মৃতিৰ বেদীত শ্ৰদ্ধাঞ্জলি জনাই আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰশান্ত নেওগে। ইয়াৰ পাছতে গ্ৰন্থমেলাৰ স’তে সংগতি ৰাখি আয়োজন কৰিবলগীয়া বিভিন্ন অনুষ্ঠানৰ বাবে নিৰ্মাণ কৰা



কালিপ্ৰসাদ চেতিয়া সোঁৱৰণী মঞ্চ উদ্বোধন কৰে বিৰাঙ্গনা সতী সাধিনী ৰাজ্যিক বিশ্ববিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। তেঁওৰ উদ্বোধনী ভাষণত- মানুহে মানুহ মাজত পাৰস্পৰিক সু-সম্পৰ্ক নিৰ্মাণ কৰিব পৰা এখন পীঠৰ প্ৰয়োজন। যি পীঠত মানুহে নিজৰ নিজৰ চিন্তা শুদ্ধভাৱে উত্তৰণ ঘটাব পাৰে, যাৰ জৰিয়ত প্ৰত্যেকজন মানুহৰ কৰ্ম, প্ৰত্যেকজন মানুহৰ দায়িত্ব, প্ৰত্যেজন মানুহৰ সৃষ্টিশীলতা, এই গোটেই বিলাকৰ মাজত সেই মানুহজনক আমি বিচাৰি পাব পাৰোঁ যিজন মানুহে নিজকে সুন্দৰ কৰাৰৰ লগতে মোকো সুন্দৰ কৰি তুলিব পাৰে। খুউব আন্তৰিকতাৰে ব্যক্তিগত মত হিচাপে ভাষণ উল্লেখ কৰি ড° শইকীয়াই কয়, ‘চাবুৱাত ইমান ধুনীয়াকৈ এখন গ্ৰন্থমেলাৰ চিন্তা কৰি যি আয়োজন কৰিছে ইয়াৰ ফল ইয়াতে সীমাবদ্ধতা নাথাকে আৰু মোৰ বিশ্বাস আছে। গ্ৰন্থ কিনা, বিক্ৰী কৰা, বক্তৃতা দিয়া, সভা আয়োজন কৰা কথা বিলাকৰ মাজত আৱদ্ধ নাথাকি ইয়াৰ পৰা এটা বাৰ্তা যাব সেয়া হৈছে - ইয়াত সৃষ্টি হ’ব, পাৰস্পৰিক সম্পৰ্ক হ’ব। যিটো সম্পৰ্কৰ জৰিয়তে মাইকৰ লগত জড়িত, কিতাপ মেৰিয়াই দিয়া জনেই হওক, মঞ্চত ভাষণ প্ৰদান কৰা জনেই হওক । সকলোৰে এটা পাৰস্পৰিক সম্পৰ্ক সৃষ্টি হ’ব। সেই সম্পৰ্কটোৱেই এটা ভাল বাৰ্তা লৈ যাব। এতিয়া ইমেজৰ এখন পৃথিৱীত যাত্ৰা হৈছে মানুহৰ সেই কথা বিশ্লেষত্মাক ব্যাখ্যা আগবঢ়াই উপাচাৰ্যজনে কয়, ‘ইমেজ আৰু ইমেজিঙৰ মাজত বহু পাৰ্থক্য আহি পৰিছে। ভুল অধ্যয়নৰ অভ্যাস বিলাক আমি আঁতৰাব লাগিব। গ্ৰন্থ অধ্যয়ন কৰা আৰু সেই গ্ৰন্থখনৰ লেখাৰ প্ৰতিটো লেখাৰ অৰ্থ বিচাৰি উলিওৱাক। সেই গ্ৰন্থসমূহে যদিহে আমাৰ মনত চতফতনি তুলিব পাৰে, এতিয়া জ্ঞান অৰ্জন বা অন্বেষণ গঢ়া যুগ নহয়। আজি এনেকুৱা সময় হৈছে আমি জ্ঞান নিৰ্মাণ কৰিব লাগিব। কনচট্ৰাকচন অৱ নলেজ, আমি জ্ঞান নিৰ্মাণৰ ওপৰত গুৰুত্ব দিব লাগিব। জ্ঞান অৰ্জন কৰিবলৈ কিবা মাধ্যম বিচাৰি থাকিবলে নহব, জ্ঞান নিৰ্মাণ কৰিব লাগিব। আমেৰিকা, স্কটলেণ্ডত সমাজ ব্যৱস্থাত বা গাঁৱত কি ঘটি আছে সেই বিলাক আমাৰ ছাত্ৰ-ছাত্ৰী সকলক পঢ়িবলৈ দি, জ্ঞান অৰ্জন কৰোৱাই আমি ইয়াত এখন ধুনীয়া সমাজ গঢ়িব নোৱাৰোঁ। এই চাবুৱা অঞ্চলত কি কি সমস্যা আছে, ইয়াত অৰ্থনৈতিক, সামাজিক, উত্তৰণৰ বাবে কেনেকুৱা মাধ্যম প্ৰয়োজন হব বা কেনেকুৱা ধৰণৰ কৰ্ম আঁচনি প্ৰয়োজন হব সেই নতুন জ্ঞানৰ প্ৰয়োজন হব।

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

No. 71PSC/CON/Exam-22/2020-2021 Dated Guwahati the 18th February, 2022

**RESULT**

The Assam Public Service Commission hereby declares today, the 18th February, 2022, the result of the recruitment to the post of *Junior Engineer (Civil) under Fishery Department* (Advt. No. 10/2020 Dtd. 27/10/2020), the Screening Test for which was held on 07/11/2021. The Commission completed the process of selection and recommended the following candidates for the said post on the basis of merit:

**No. of Post:** 18 Nos. (RFW: 04 Nos.)

**Break-up:** OC: 09 RFW: 03, OBC/MOBC: 05 RFW:01, STP:01, STH:02, EWS: 01, PWD: OH: 01

| Position | Roll No. | Name of the candidate | Category | Gender | PWD | Vacancy relating to reservation |
|---|---|---|---|---|---|---|
| 1 | 10762 | IFTIKAR HUSSAIN | GEN | Male | | Open Category |
| 2 | 10464 | DEBAJIT BARMAN | EWS | Male | | Open Category |
| 3 | 11195 | MUKTADIR HUSSAIN CHOUDHURY | GEN | Male | | Open Category |
| 4 | 10833 | JINKU KEOT | GEN | Male | | Open Category |
| 5 | 10760 | IBADUR RAHMAN CHOUDHURY | EWS | Male | | Open Category |
| 6 | 11894 | SUBHANKAR KARMAKAR | OBC | Male | | Open Category |
| 7 | 11940 | SYEDA TAJKYA PARBIN | GEN | Female | | Open Category |
| 8 | 10771 | IMDADUR RAHMAN LASKAR | EWS | Male | | Reserved |
| 9 | 11198 | MUMINA AKTHER CHOUDHURY | EWS | Female | | Open Category |
| 10 | 10531 | DHRUBAJYOTI BARUAH | OBC | Male | | Reserved |
| 11 | 10080 | AKASH PEGU | STP | Male | | Reserved |
| 12 | 10702 | HIMADRI SHEKHAR DEBNATH | OBC | Male | | Reserved |
| 13 | 11787 | SATYA PRASAD NATH | OBC | Male | | Reserved |
| 14 | 11377 | PARISHMITA DAS | GEN | Female | | Open Category |
| 15 | 10993 | LIPIKA GOGOI | OBC | Female | | Reserved |
| 16 | 11784 | SARKIRI TOKBI | STH | Male | | Reserved |
| 17 | 10971 | KUN SING ENGTI | STH | Male | | Reserved |
| 18 | 12031 | PARTHA JYOTI NATH | OBC | Male | OH | Reserved |

NB: The Commission will not be responsible for any typing/printing mistake.

* Results may be accessed by logging into the APSC's website www.apsc.nic.in

18/2/22
Principal Controller of Examinations,
Assam Public Service Commission
Khanapara, Guwahati-22

Janasanyog/D/15844/21

**Notice**

This is for kind information to all the candidates, who are recommended by APSC for appointment to the post of Junior Engineer(Civil) under Water Resources Department, Assam, that the Document Verification is going to be held on 28/02/2022 at 10:30 AM at the premises of the Assam Water Research and Management Institute(AWRMI), Basistha, Guwahati-29. At the verification programme as stated above the recommended candidates are requested to bring all the original Certificates including Caste Certificate/EWS Certificate etc., (if applicable) submitted at the time of application and one self-attested copies of the same.

The recommended candidates are requested to submit Medical Fitness Certificate duly issued and signed by Joint Director, Health Services of concerned District to this Department on the date of Document Verification i.e., 28/02/2022. Further, as per Personnel Department OM No. ABP.78/2021/01 dated 18/11/2021 regarding verification of character and antecedents of the candidates selected, the candidates are requested to submit notarized affidavit to this Department in original on the date of Document Verification i.e., 28/02/2022.

The recommended candidates are further requested to reach the premises of Assam Water Research and Management Institute, Basistha, Guwahati-29 strictly by 10:00 am on 28/02/2022 along with all the above stated documents and attend the Document Verification process.

In case of any inconvenience, kindly intimate this Department at wrdassam7@gmail.com.

Deputy Secretary (I) to the Govt. of Assam
Water Resources Department

Janasanyog/D/15812/21

■ দুয়োখন পৌৰসভাত সাতগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ৰ পথ প্ৰশস্ত

# উত্তৰ গুৱাহাটী-পলাশবাৰীত ৩৭ প্ৰাৰ্থীৰ মনোনয়ন বৈধ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী/পলাশবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** উত্তৰ গুৱাহাটী আৰু পলাশবাৰী পৌৰসভাৰ বাবে অনুষ্ঠিত হ'বলগীয়া আসন্ন পৌৰসভা নিৰ্বাচন, ২০২২ত প্ৰাৰ্থীত্ব আগবঢ়োৱা প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। মনোনয়ন দাখিল কৰা মুঠ ৩৯ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৩৭ গৰাকীৰ মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। উত্তৰ গুৱাহাটীত প্ৰাৰ্থীত্ব আগবঢ়োৱা ১৮ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ১৭গৰাকীৰ আৰু পলাশবাৰী পৌৰসভাৰ ২গৰাকী প্ৰাৰ্থীৰ ভিতৰত ২০ গৰাকীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। পলাশবাৰী পৌৰসভাৰ পাঁচ নম্বৰ ৱাৰ্ডত অসম জাতীয় পৰিষদৰ হৈ প্ৰাৰ্থীত্ব আগবঢ়োৱা সুধন্ন চন্দ্ৰ কলিতা আৰু উত্তৰ গুৱাহাটীৰ আঠ নম্বৰ ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী দিপ্তী দত্ত চৌধুৰীৰ মনোনয়ন নাকচ কৰা হৈছে। আনহাতে উত্তৰ গুৱাহাটীত ছয় নম্বৰ ৱাৰ্ড আৰু ১০ নম্বৰ ৱাৰ্ডৰ দুজন প্ৰাৰ্থীয়ে কালি মনোনয়ন পত্ৰ উঠাই লয়। এনেদৰে এতিয়া পলাশবাৰীৰ নটা ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বিপৰীতে উত্তৰ গুৱাহাটী পৌৰসভাৰ চাৰিটা ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। উত্তৰ গুৱাহাটী পৌৰসভাৰ এক, তিনি, পাঁচ আৰু ন নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী ক্ৰমে ঝুমা চাকমা, নমিতা কাকতি, বিকাশ বড়ো আৰু অনামিকা ডেকাই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। এই আটাই কেইগৰাকী প্ৰাৰ্থী বিজেপিৰ। তদুপৰি ছয় নম্বৰ ৱাৰ্ড আৰু ১০ নম্বৰ ৱাৰ্ডৰ কংগ্ৰেছৰ প্ৰাৰ্থী ক্ৰমে হিমাংকু দাস আৰু হিমাংশু দাসে প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ পৰিপ্ৰেক্ষিতত এই ৱাৰ্ড দুটাতো ক্ৰমে ভাৰতীয় জনতা পাৰ্টিৰ গনেশ বৰুৱা আৰু গিৰিশ মেধিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পথ প্ৰশস্তহৈছে।

আনহাতে, পলাশবাৰী পৌৰসভাৰ পাঁচ নম্বৰ ৱাৰ্ডৰ দুগৰাকী প্ৰাৰ্থীৰ ভিতৰত এগৰাকীৰ মনোনয়ন নাকচ হোৱাৰ বাবে আনগৰাকী প্ৰাৰ্থী বিজেপিৰ ৰাতুল শৰ্মা বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পথ প্ৰশস্ত হয়। উল্লেখযোগ্য যে পৌৰসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম সময় সীমা হৈছে অহা ২০ ফেব্ৰুৱাৰী আৰু এই নিৰ্বাচনৰ ভোটগ্ৰহণ অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব।



*নেলীগণহত্যাৰ প্ৰতিবাদত লখিমপুৰত আমছুৰ কলা দিৱস পালন, শুকুৰবাৰে।*

# চতিয়াত উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষা পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনাৰ বাবে কালি চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সাধাৰণ সভাত এখন সমিতি গঠন কৰা হয়। চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহেশ্বৰ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰাক্তন শিক্ষক ৰঞ্জন ভাগৱতীক সভাপতি, ৰাজেন শৰ্মাক সদস্য সচিব, চতিয়া জ্ঞান বিকাশ একাডেমী, উত্তৰ চতিয়া হাইস্কুল, পূব চতিয়া হাইস্কুল, চতিয়া একাডেমী, নিজ চতিয়া হাইস্কুল, নদুৱাৰ হাইমাদ্ৰাছা, ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠ, মেৰিগল্ড হাইস্কুল আদি বিদ্যালয়ৰ প্ৰধানসকল, ভৱ শইকীয়া, অতুল দুৱৰা, নন্দেশ্বৰ শইকীয়া, ত্ৰিদিপ ভূএগ্ৰা, পূৰৱী হাজৰিকা, দিলীপ বৰকটকী, চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, চতিয়া ডাকঘৰৰ অধীক্ষক, চতিয়া প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসা বিষয়াক লৈ এখন কমিটী গঠন কৰা হয়। হিচাপ পৰীক্ষক হিচটাপে জগদীশ তালুকদাৰ আৰু বিবেক দুৱৰাক নিৰ্বাচন কৰা হয়। ছেবাৰ নিৰ্দেশ অনুসৰি সকলো নাতি-নিয়ম মানি নিয়াৰিকৈ পৰীক্ষা পৰিচালনাৰ বাবে সভাই পৰামৰ্শ আগবঢ়ায়।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক বিদায়ী সম্বৰ্ধনা জ্ঞাপন

অগ্ৰদূত বাৰ্তা

**আগমনী, ১৮ ফেব্ৰুৱাৰী ঃ** আগমনী ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক তপন দাসৰ অৱসৰৰ পাছত পৰহি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে বিদায় সম্বৰ্ধনা জনায়। পাল আগমনী ছোৱালী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল। তেওঁ আগমনী ছোৱালী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল। তেওঁ আগমনী ছোৱালী হাইস্কুলত প্ৰধান শিক্ষকৰূপে ১৯৮৬ত যোগদান কৰে আৰু ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। উল্লেখ্য যে আগমনী ছোৱালী হাইস্কুলখন আগমনী অঞ্চলৰ নাৰী শিক্ষাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণৰ বাবে সমাজৰ সচেতন ব্যক্তিসকলে প্ৰতিষ্ঠা কৰে। অপ্ৰাদেশীকৃত অৱস্থাত থাকি অক্লান্ত পৰিশ্ৰম কৰি শিক্ষকসকলৰ সহযোগত বিনাবেতনত পাঠদান কৰি গৈছিল। প্ৰধান শিক্ষক পালেও শিক্ষায়তনিক আৰু প্ৰশাসনিক দিশতো যথেষ্ট দক্ষ আছিল। ২০১৩ত বিদ্যালয়খন প্ৰাদেশিকীকৃত হয় আৰু মাত্ৰ ন বছৰ কালহে আৰ্থিক সকাহ পাই যোৱা ৩১ জানুৱাৰীত চাকৰিৰ পৰা অৱসৰগ্ৰহণ কৰে। আগমনী ছোৱালী হাইস্কুলৰ পৰিচালনা কমিটীৰ প্ৰাক্তন সভাপতি ধ্ৰুৱ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত বিদায়ী সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ডেবডেবী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মনীন্দ্ৰ নাথ ৰায়, কালডোবা হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক দুলাল চন্দ্ৰ পাল আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি নজৰুল ইছলাম, সহকাৰী সম্পাদক ছাজিদুল আবেদীন, আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হবিবৰ ৰহমান, চিআৰচিচি দুলাল অধিকাৰী, পাবৰচৰা হাইস্কুলৰ প্ৰধান শিক্ষক মানুহৰ হক, আগমনী ছোৱালী হাইস্কুলৰ প্ৰতিষ্ঠাপক সদস্য, কে এন বৰুৱা হাইস্কুলৰ প্ৰধান শিক্ষক আৰু বহুকেইগৰাকী শিক্ষাবিদ আৰু সমাজকৰ্মী।

# প্ৰকৃতি দেৱতা ৰুষ্ট হোৱা বাবে ৰ'দ-বৰষুণ-ঠাণ্ডা একো নিমিলা হৈছে

**ছয়গাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** পলাশবাৰী সমষ্টিৰ জনজাতীয় বসতিপ্ৰধান কুলচী অঞ্চলত যোৱা ১৫ ফেব্ৰুৱাৰীত বাঁহৰ ওপৰত নিৰ্ভৰ কৰি কেনেকৈ স্বাৱলম্বী হ'ব পাৰি তাৰ ওপৰত এটা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ যায়। পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত কুলচী বনাঞ্চলিক কাৰ্যালয়ৰ প্ৰাংগণত আয়োজন কৰা এই সভাখন পৰিচালনা কৰে পঞ্চায়ত প্ৰতিনিধি সতীশ ৰাভাই। পশ্চিম কামৰূপ বন সংমণ্ডলৰ বন প্ৰাধিকাৰী বিষয়া ডিম্পী বৰাৰ নেতৃত্বত অনুষ্ঠিত সভাখনত বেম্বো কুইন নীৰা শৰ্মা উপস্থিত হৈ প্ৰকৃতি দেৱতা এতিয়া ৰুষ্ট হৈছে তাৰ বাবে ৰ'দ-বৰষুণ-ঠাণ্ডা একো নিমিলা হৈছে বুলি উল্লেখ কৰি প্ৰকৃতি ধ্বংস নকৰিবলৈ ৰাইজক অনুৰোধ জনায়। ইয়াৰ উপৰি এছ চৌধুৰী উপস্থিত থাকি বাঁহেৰে কেনেকৈ স্বাৱলম্বী হ'ব পাৰি তাৰ ওপৰত সুন্দৰ ভাষণ প্ৰদান কৰি উপস্থিত ৰাইজক উৎসাহিত কৰে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই বাঁহ শিল্পৰেও যে মানুহ স্বাৱলম্বী হ'ব পাৰে তাৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়োৱাৰ লগতে ডি এফ অ' ডিম্পী বৰা আৰু বাঁহীৰ লগতে যাৰ জীৱন নীৰা শৰ্মাৰ প্ৰশংসা কৰে। সভাত চেন্ট্ৰেল আসাম চাৰকুলৰ ডিচিএফ বিশ্বজিৎ ৰয়ে ভাষণ প্ৰদান কৰে। কুলচীৰ বনাঞ্চলিক বিষয়া দ্বিপন ডেকাই উপস্থিত থকা সভাখনত ৰাভা হাছঙৰ ষষ্ঠ অনুসূচী দাবী সমিতিৰ জিলা সভাপতি বিদ্যা ৰাভা, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা চাত্ৰ সন্থাৰ সভাপতি কমলেশ্বৰ ৰাভা, ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি জিতেন ৰাভা, বিজেপি নেতা অঞ্জন গোস্বামী, জিতু নাথ, দ্বিপেন কলিতা, সমাজকৰ্মী পৰাশ শৰ্মা প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ আৰম্ভণি বাহৰ গহনা আদিৰ এখন সুন্দৰ প্ৰদৰ্শনী অনুষ্ঠিত হয় যি প্ৰদৰ্শনীয়ে উপস্থিত ৰাইজক আকৰ্ষিত কৰে।

■ কুলচী বনাঞ্চলিক কাৰ্যালয় প্ৰাংগণত বাহৰ প্ৰশিক্ষণ শিবিৰত বেম্বো কুইন নীৰা শৰ্মা



# তামুলপুৰত সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস পালন

■ বিশিষ্ট সমাজকৰ্মী কম্পৰাম দাস সোঁৱৰণী গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ১৫ ফেব্ৰুৱাৰীত তামুলপুৰ আঞ্চলিক শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্টুপীয়াকৈ পালন কৰা হয়। এই উপলক্ষে সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবীণ ডেকাই। পতাকা উত্তোলন কৰি ভাষণ প্ৰসংগত আৰ্থ-সামাজিক, শৈক্ষিক, বৌদ্ধিক সকলো দিশতে পিছপৰা শৰণীয়া কছাৰী জনগোষ্ঠীটোৰ উত্তৰণৰ ক্ষেত্ৰত সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাই জন্মলগ্নৰে পৰা নিৰবচ্ছিন্নভাৱে কাম কৰি অহাৰ কথা সদৰী কৰাৰ লগতে এই ক্ষেত্ৰত বিশেষকৈ শৈক্ষিক ক্ষেত্ৰত সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগিতা কামনা কৰে। চমু ভাষণ প্ৰসংগত তেওঁ কয়— শৰণীয়া কছাৰী জনগোষ্ঠীৰ লোকসকলে সদায় অসমৰ অন্যান্য জনগোষ্ঠীৰ স'তে সদ্ভাৱ ৰক্ষা কৰি হাতে হাতে হাত মিলাই জনগোষ্ঠীটোৰ উন্নয়ন কৰিব বিচাৰে। সেয়ে এইক্ষেত্ৰত শৰণীয়া কছাৰী ছাত্ৰ সন্থাই সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। পতাকা উত্তোলনৰ পাছতে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা বিশিষ্ট সত্ৰীয়া শিল্পী গিৰিশ চন্দ্ৰ মহন্ত আৰু সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়াই। সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি আজি তামুলপুৰৰ বিশিষ্ট সমাজকৰ্মী, লেখক, শৰণীয়া কছাৰী সাহিত্য সভাৰ আজীৱন সদস্য তথা অৱসৰপ্ৰাপ্ত শিক্ষক কম্পৰাম দাসৰ সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হয়। তামুলপুৰৰ জ্যেষ্ঠ সাংবাদিক প্ৰসাদ দাসৰ মুখ্য সম্পাদনাত যুগুতাই উলিওৱা 'কম্পৰাম দাস সোঁৱৰণী গ্ৰন্থৰ খন আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট লেখক নলিনী ডেকাই। ৰামেচুবুৰী হাইস্কুলৰ প্ৰধান শিক্ষক উমেশ দাসে সঞ্চালনা কৰা আৰু দীপজ্যোতি শৰণীয়াই আঁত ধৰা সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰি লেখক নলিনী ডেকাই প্ৰয়াত কম্পৰাম দাসৰ কে'বাটাও দিশ উল্লেখ কৰে। তামুলপুৰ অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তি, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চৰ বিষয়ববীয়াসকলৰ উপস্থিতিত অনুষ্ঠিত সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভাত গিৰিশ চন্দ্ৰ মহন্ত, জ্যেষ্ঠ সাংবাদিক প্ৰসাদ দাস, কম্পৰাম দাসৰ পত্নী চন্দ্ৰা দাসকে ধৰি কে বাজনো লোকে কম্পৰাম দাসৰ স্মৃতি চাৰণ কৰে।

# সিদ্ধে বাবা মন্দিৰৰ প্ৰথম মহলাৰ কাম আৰম্ভ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** বাগ্সা জিলাৰ বাৰাপেটাস্থিত অন্যতম পুৰণি শিৱধাম শ্ৰীশ্ৰীসিদ্ধে বাবা মন্দিৰ। এই শিৱ ধামৰ ঠাইত বৃহৎ আকাৰৰ মন্দিৰ নিৰ্মাণেৰে পৰ্যটনস্থলী হিচাপে গঢ়ি দিয়াৰ প্ৰচেষ্টা চলাইছে পৰিচালনা সমিতিয়ে। জিলাখনৰ খাৰিজা বিজনীৰ বাৰাপেটা নেপালী বস্তিত থকা ৮৭ বছৰ পুৰণি মন্দিৰটো পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে শিৱ ধাম পৰিচালনা সমিতিয়ে। যাৰ বাবে পুৰণি মন্দিৰটোৰ সলনি এটি বৃহৎ আকাৰৰ মন্দিৰ নিৰ্মাণৰ কাম হাতত লৈছে পৰিচালনা সমিতিয়ে। সেই উপলক্ষে কালি ধৰ্মীয় ৰীতি-নীতিৰে মন্দিৰটোৰ প্ৰথম মহলাৰ কাম আৰম্ভ কৰা হয়।

# গোৱালপাৰাত বন্যহস্তীৰ আক্ৰমণত আহত এক

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাত অব্যাহত আছে হস্তী-মানুহৰ সংঘাত। বিশেষকৈ জাকৰ পৰা ফালৰি কাটি অহা অকলশৰীয়া বলিয়া হাতী এটাৰ উপদ্ৰৱত বৃহত্তৰ অঞ্চলৰ ৰাইজৰ নিদ্ৰাহৰণ হৈছে। যোৱা নিশাও হাতীটোৱে ৰাক্ষসিনীৰ মিলনপাৰাৰ লগতে লালাবৰী গাঁৱত উপদ্ৰৱ চলাই তিনিটা পৰিয়ালৰ পাঁচটাকৈ বাসগৃহৰ ক্ষতিসাধন কৰে। ইপিনে, যোৱা নিশা ৮-৩০ বজাত কুৰুৱাভাষাৰ পৰা ৰাক্ষসিনীৰ মিলনপাৰালৈ চাইকেলেৰে আহি থকা অৱস্থাত সুৰেশ দাস নামৰ লোকজনক হাতীটোৱে আক্ৰমণ কৰে। পাছত স্থানীয় লোকৰ তৎপৰতাত দৈৱক্ৰমে প্ৰাণৰক্ষা পৰা লোকজনক গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে জাকৰ পৰা ফালৰি কাটি অহা বন্যহস্তীটোৱে বিগত কে'বামাহ ধৰি সমগ্ৰ জিলাখনতে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। সন্ধিয়াৰ লগে লগে বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই আহি প্ৰতিদিনে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে ভিন্ন অঞ্চলত। কিন্তু জিলাখনৰ বন বিভাগে হস্তী-মানুহৰ সংঘাত ৰোধ কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপিত হৈছে।

# খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠত বীৰ চিলাৰায় দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নামতি, ১৮ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতিৰ খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠত পৰাক্ৰমী মহাবীৰ নৰনাৰায়ণৰ সুদক্ষ সেনাপতি চিলাৰায়ৰ কালি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ শিক্ষয়িত্ৰী ডিম্পী চেতিয়াই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত বীৰ চিলাৰায়ৰ বিষয়ে বক্তব্য আগবঢ়ায় বিদ্যালয়ৰ সঞ্চালিকা দেৱযানী দীক্ষিতা গগৈ আৰু শিক্ষয়িত্ৰী শান্তিছায়া গগৈয়ে। ছাত্ৰ-ছাত্ৰীসকলে বীৰ চিলাৰায়ৰ বীৰত্বপূৰ্ণ কৰ্মৰাজিৰ বিষয়ে জানিব পাৰি উৎসাহিত হৈ পৰে। কুমলীয়া বয়সতে ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত আমাৰ জাতিৰ মহানায়কসকলৰ সুকৰ্মৰাজিৰ আভাস দাঙি ধৰা উচিত। এটা জাতিৰ প্ৰকৃত পৰিচয় পোৱা যায় সেই জাতিৰ শৌৰ্য্যৰ বীৰ্য্য- মাজত। চিলাৰায়ৰ দৰে মহানবীৰ পুৰুষৰ অসীম সাহস আৰু মহত্ত্বপূৰ্ণ কৰ্মই জাতিক প্ৰেৰণা যোগায়। সমগ্ৰ দেশৰ জনগণৰ নিৰাপত্তা আৰু আশাৰ প্ৰতীক বীৰ চিলাৰায়ৰ ব্যক্তিত্বৰ আভাস ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত সুমুৱাই দিয়াৰ যি প্ৰয়াস জ্ঞানজ্যোতি বিদ্যাপীঠত কৰা হৈছে সেয়া প্ৰশংসনীয়। সৰু সৰুকৈ লোৱা পদক্ষেপৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। অনুষ্ঠানটোত বিদ্যালয়ৰ শিক্ষয়িত্ৰী পম্পী গগৈ আৰু মমী নেওগ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক বীৰপুৰুষসকলে দেখুৱাই যোৱা পথেৰে অগ্ৰসৰ হ'বলৈ আহ্বান জনায়।

# আত্মবিশ্বাসে ছাত্ৰ- ছাত্ৰীক সঠিক লক্ষ্যত উপনীত কৰায়

■ শুৱালকুছি কেআৰকে হাইস্কুলৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বিদায় সভা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৮ ফেব্ৰুৱাৰী ঃ** দুবছৰৰ পাছত ক'ভিডৰ সকলো নীতি-নিৰ্দেশনা প্ৰত্যাহাৰ কৰাৰ প্ৰথম দিনটোতে যোৱা ৰপ্ত ফেব্ৰুৱাৰীত শুৱালকুছিৰ আগশাৰীৰ চৰকাৰী মাধ্যমৰ বিদ্যালয় শুৱালকুছি কালিৰাম কাৰিকৰ হাইস্কুলৰ আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে সাজু হোৱা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক বিদায়ী দিয়াৰ উদ্দেশ্যে এখন বিদায় সভা বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিবাকৰ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক শিক্ষক নৰহৰি দাসে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিবেশন কৰা উক্ত সভাত বিদায়ী শিক্ষাৰ্থীসকলে বিগত ছয়টা বছৰে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে শিক্ষা প্ৰদান কৰি তেওঁলোকক প্ৰয়োজনীয় জ্ঞান আগবঢ়োৱাৰ বাবে তেওঁলোক চিৰ কৃতজ্ঞ হৈ ৰ'ব বুলি দোহাৰে। আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত উপযুক্ত ফলাফল লাভ কৰি বিদ্যালয়ৰ সুনাম অক্ষুণ্ণ ৰাখিব বুলিও কে'বাগৰাকী শিক্ষাৰ্থীয়ে নিজৰ নিজৰ ভাষণত দোহাৰে। ভাষণৰ সময়ত শিক্ষাৰ্থীসকল যথেষ্ট আবেগিক হৈ পৰে। বিদ্যালয়খনৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বিভাৰাণী কাকতিয়ে বিদায় সভাত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক কিদৰে পঢ়া-শুনা কৰিলে ভাল ফলাফল লাভ কৰিব পাৰি তাক বহলাই উল্লেখ কৰে। নিয়মিতভাৱে পঢ়া-শুনা কৰি প্ৰশ্ন কাকতৰ প্ৰতিটো প্ৰশ্ন ভালদৰে বুজি লৈ সঠিক উত্তৰ লিখিব লাগে বুলি দোহাৰি অযথাকৈ লিখি সময় নষ্ট নকৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাৰ বাবে চেষ্টা কৰাৰ আহ্বান জনায়। উক্ত সভাত শিক্ষক বাবুল কলিতা, হৰেন কলিতা, নৰজিৎ মানৰ, নৰহৰি দাস, দিলীপ ভৰালী, শিক্ষয়িত্ৰী পদুমী দেৱী, নিৰ্মালী গোস্বামী, পূৰ্ণিমা বৰপাত্ৰ গোহাঁই, সোনমায় ৰাভা, মিনাক্ষী দেউৰী, আৰু জৰ্ণা বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক পঢ়া-শুনাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। শিক্ষক-শিক্ষয়িত্ৰীসকলে ধৈৰ্য আৰু কষ্ট কৰি শিক্ষাৰ্থীসকলক অধ্যয়ন ব্ৰতী হৈ ভালদৰে পৰীক্ষাত অৱতীৰ্ণ হৈ ভাল ফলাফল লাভ কৰি তেওঁলোকৰ কষ্টসমূহ সম্ফল কৰিবলৈ আহ্বান জনায়। ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সভাৰ সভাপতি দিবাকৰ কলিতাই তেওঁৰ ভাষণত কয় যে একাগ্ৰতা আৰু আত্মবিশ্বাসেই হ'ল ছাত্ৰ-ছাত্ৰীৰ মাপকাঠি। যাৰ একাগ্ৰতা আৰু দৃঢ় আত্মবিশ্বাস আছে সেইসকলে নিজৰ নিজৰ লক্ষ্যত উপনীত হোৱাটো প্ৰায় নিশ্চিত। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ ওপৰত বহু কথাই নিৰ্ভৰ কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে পৰৱৰ্তী দিনৰ শিক্ষা গ্ৰহণৰ বাট প্ৰশস্ত কৰিবলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উন্নতমানৰ ফলাফল আৱশ্যক হয়। অৱশ্যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰে যদিও হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলেও ইয়াত প্ৰভাৱ পেলায়। ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত ফল লাভ কৰাৰ বাবে অধ্যয়নত সৰ্বাধিক গুৰুত্ব দি পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ তেওঁ আহ্বান জনায়। উত্তৰ বহীৰ লেখাসমূহ পৰিপাটি আৰু চাফ-চিকুণ কৰিবলৈও তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়।

# বৰুৱাবামুণগাঁৱত বাগিচা স্থাপনৰ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** বৰুৱাবামুণগাঁও অঞ্চলৰ স্বেচ্ছাসেৱী সংগঠন 'সেউজী ধৰণী ধুনীয়া প্ৰকল্প'ৰ সঞ্চালক ড° ৰাতুল চন্দ্ৰ বৰাৰ সভাপতিত্বত যোৱা ১৩ ফেব্ৰুৱাৰীত কুৱালগুৰিৰ শিঙৰাজান গাঁৰৰ শংকৰী সংস্কৃতি কেন্দ্ৰত অনুষ্ঠিত সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ এখন সভাত প্ৰকল্পৰ স্থায়ী কাৰ্যালয় আৰু প্ৰস্তাৱিত বনৌষধি বাগিচাৰ ভূমিৰ স্থান নিৰ্বাচিত কৰি অনুমোদন জনোৱাৰ লগতে বনৌষধি বাগিচাখনৰ নামকৰণ গংগাধৰ বৰাৰ স্মৃতিত স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। প্ৰকল্পৰ সম্পাদক দেৱজিৎ কলিতাই উদ্দেশ্য ব্যাখ্যাৰে আৰম্ভ কৰা সভাখনত কেঁচুসাৰ, কাঠফুলা আৰু বিজ্ঞানসন্মতভাৱে সাঁচি গছৰ খেতি বিষয়ত প্ৰশিক্ষণ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত আন এক সিদ্ধান্ত মৰ্মে অহা ১৯ আগষ্টত প্ৰকল্পৰ প্ৰতিষ্ঠা দিৱস 'সেউজ দিৱস' হিচাপে উদ্‌যাপন কৰাৰ লগতে প্ৰতিষ্ঠা দিৱসত 'সেউজী ধৰণী' আৰু 'কৰ্মশ্ৰী' নামৰ দুটা বঁটা প্ৰদানৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত সমাজকৰ্মী দিলোৱাৰ হুছেইন, সাংবাদিক অৰুণ বিকাশ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক অতুল বৰা, শিঙৰাজান গাঁও উন্নয়ন সমিতিৰ সভাপতি অজিত দত্ত, শিক্ষয়িত্ৰী দুলুমনি বৰা আদিয়ে পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰাৰ লগতে প্ৰকল্পৰ সঞ্চালক ড° ৰাতুল চন্দ্ৰ বৰা আৰু তেওঁৰ পৰিয়ালবৰ্গই পৈতৃক সম্পত্তি প্ৰকল্পৰ নামত আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত দাতা পৰিয়ালৰ যোগেন বৰা প্ৰমুখ্যে সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাৰ পূৰ্বে উক্ত শংকৰী সংস্কৃতি কেন্দ্ৰৰ চৌহদত সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ অস্থায়ী কাৰ্যালয়ৰ নামফলক উন্মোচন কৰে স্থানীয় গাঁও উন্নয়ন সমিতিৰ সভাপতি অজিত দত্তই।

# ডুমডুমাত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ

**ডুমডুমা, ১৮ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমাত কালি আৰক্ষীয়ে চলোৱা ড্ৰাগছ বিৰোধী অভিযানত ডুমডুমাৰ হাঁহচৰা চাৰিআলিৰ পৰা বহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। ডুমডুমাৰ হাঁহচৰা চাৰিআলিৰ বিজয় পালৰ বাসগৃহৰ পৰা উদ্ধাৰ কৰে এই বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰ।

১৪ টা সৰু বাকচত ২২০.৬১ গ্ৰাম ব্ৰাউন ছুগাৰসহ ১৪ কেজি গাঞ্জাও জব্দ কৰে। অভিযানকাৰী আৰক্ষীৰ দলটোৱে বিজয় পালৰ ঘৰৰ পৰা নগদ তিনি লাখ ৮০ হেজাৰ টকা উদ্ধাৰ কৰে। ঘটনা সংক্ৰান্তত বিজয় পালক গ্ৰেপ্তাৰ কৰাৰ লগতে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ডুমডুমা অঞ্চলৰ লগতে কাকপথাৰ, চেলেংগুৰি, ৰঙাজান আদি একাধিক অঞ্চলত মদ, কানি, ড্ৰাগছ আদি নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন অধিক হ'ব ধৰিছে।

# খুমটাইত ঘাইপথ সংযোগী পথ উদ্বোধন বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই কালি সমষ্টিটোৰ অন্তৰ্গত দৰিয়া বাগানৰ পৰা আৰু মিছামৰা বাগান হৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথক সংযোগ কৰা পথটোৰ লগতে মিছামৰা বজাৰ হৈ খনিকৰ গাঁও সংযোগী পথটো উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নতুনকৈ নিৰ্মাণ কৰা পথটোৰ উদ্বোধনী অনুষ্ঠানত লোকনিৰ্মাণ বিভাগৰ খুমটাই প্ৰাদেশীয় কাৰ্যালয়ৰ সহকাৰী কাৰ্যবাহী অভিযন্তা, গোলাঘাটৰ কাৰ্যবাহী অভিযন্তাকে আদিকে ধৰি পূব, মধ্য আৰু পশ্চিম মিছামৰা গাঁও পঞ্চায়তকেইখনৰ সভাপতি আৰু দলীয় বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে খনিকৰ মিছামৰা বজাৰ সংযোগী পথটো প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নতুনকৈ কৰাত খনিকৰ, পশ্চিম খনিকৰ, দুলীয়া বস্তি, মিছামৰা বাগান অঞ্চলৰ ৰাইজৰ বিশেষকৈ কৃষক ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীৰসকলে যাতায়াতৰ ক্ষেত্ৰত ভুগি অহা দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান হ'ব। সেইদৰে দৰিয়া বাগানৰ পৰা ৩৭ নম্বৰ ঘাইপথক সংযোগ কৰা পথটো পুনৰ নিৰ্মাণ কৰাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰো সমাধান হ'ব।

# সমদৰ্শিতা থাকিলেহে পাণ্ডিত্য লাভ কৰে ঃ বৰা

■ নলবাৰী জিলা শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** 'বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট ডিগ্ৰী লাভ কৰিলে এগৰাকী মানুহ পণ্ডিত হৈ নাযায়। শিক্ষাৰ জ্ঞান আহৰণ কৰিলেও মানুহৰ নৈতিক জ্ঞানৰ প্ৰয়োজন। সমৰ্দিতা থাকিলেহে এগৰাকী ব্যক্তিয়ে পাণ্ডিত্য লাভ কৰে।' এই মন্তব্য শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাৰ। নলবাৰী জিলাৰ শংকৰদেৱ সংঘৰ ৪৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ ১৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি শংকৰদেৱে পুণৰ কয় যে এগৰাকী সৰ্বগুণাকাৰ ব্যক্তি আছিল। তেওঁ শংকৰদেৱে ইতিহাসৰ এক জটিল সন্ধিক্ষনত জন্ম গ্ৰহণ কৰি অন্যায়-ব্যভিচাৰ, ভিন্ন ৰুচি ভিন্ন মত বিদীৰ্ণ কৰি জাতি-বৰ্ণ-ভাষা-নিৰ্বিশেষে এখন সুসংহত আৰু সংস্কৃতি বান সমাজ গঠনৰ ক্ষেত্ৰত এক ঐতিহাসিক দায়িত্ব পালন কৰিবলৈ সক্ষম হৈছিল বুলি মন্তব্য কৰে। যাৰ বাবে অসম তথা সমগ্ৰ উত্তৰ-পূৰ ভাৰতৰ জনগণ শংকৰদেৱৰ ওচৰত চিৰ ঋণী হৈ থাকিব বুলিও তেওঁ কয়। ঘগ্ৰাপাৰৰ সমীপৰ



দলুৱাস্থিত বিষ্ণুজ্যোতি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণৰ তৰুণ চন্দ্ৰ তালুকদাৰ সমন্বয় ক্ষেত্ৰত দিনৰ ১২ বজাৰ পৰা নলবাৰী জিলাৰ শংকৰদেৱৰ সংঘৰ সভাপতি বৈকুণ্ঠ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শংকৰদেৱে সহজ-সৰল নামধৰ্মৰ জৰিয়তে সাম্যদবাদৰ আৰ্হিত সমাজৰ সকলো শ্ৰেণীৰ লোকক একতাৰ দোলৰে বান্ধি বৃহৎ অসমীয়া জাতি গঠনৰ পথ প্ৰশস্ত কৰিছিল বুলিও বৰাই মন্তব্য কৰে। উক্ত সভাত অন্য এগৰাকী নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে শংকৰদেৱৰ সংঘৰ প্ৰাক্তন পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই। শংকৰদেৱে মানৱীয় আদৰ্শ আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে নৱ বৈষ্ণৱ ধৰ্মৰ যি সোঁত বোৱালে তাৰ ফলত অসমীয়া জাতীয় জীৱনৰ এক বৈপ্লৱিক পৰিৱৰ্তন ঘটিল বুলি উল্লেখ কৰে। ভাষণ প্ৰংসগত তেওঁ গুৰুজনা অকল ধৰ্ম প্ৰৱৰ্তকে নহয় বুলি কৈ শংকৰদেৱ এজন বিদগ্ধ পণ্ডিত, দাৰ্শনিক, সমাজ সংগঠক তথা সাংস্কৃতিক স্ৰষ্টা আছিলবুলি কয়। শংকৰদেৱৰ দৰে বিশাল প্ৰতিভাৰ ব্যক্তি অসম নহয় গোটেই বিশ্বতে বিচাৰি পাবলৈ টান বুলি প্ৰাক্তন পদাধিকাৰজনে মন্তব্য কৰে। মুকলি সভাখনত আই মাতৃ বক্তা পদুমী হালৈ কলিতা, যুৱ বক্তা সাগৰিকা কলিতাও ভাষণ প্ৰদান কৰে। মুকলি সভাখন উদ্বোধন কৰে শংকৰদেৱ সংঘৰ মূলৰ প্ৰচাৰক মণিৰাম দাসে। মুকলি সভাৰ পূৰ্বে পূৰা ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে শৰণ সদস্য হৰিচৰণ কলিতাই। শোভাযাত্ৰা উদ্বোধন কৰি কলিতাই একশৰণ হৰি নাম ধৰ্মৰ প্ৰৱৰ্তক শংকৰদেৱ উচ্চ-নীচ, ভেদাভেদহীন তথা ঐক্য-সম্প্ৰতিৰ উচ্চ ভাৱ ধাৰাৰ সমাজ এখনৰ ভেটি প্ৰতিষ্ঠা কৰিছিল বুলি মন্তব্য কৰে। শোভাযাত্ৰাৰ পূৰ্বে পতাকা উত্তোলন শংকৰদেৱৰ সংঘৰ সভাপতি বৈকুণ্ঠ কলিতাই। উল্লেখ্য যে নলবাৰী জিলাৰ শংকৰদেৱ সংঘৰ অহাবেলি ৪৫ সংখ্যক অধিৱেশনখন শংকৰজ্যোতি আঞ্চলিক শাখাৰ আতিথ্যত জিলাখনৰ কৈঠালকুছিত অনুষ্ঠিত হ'ব।

# উপ-নিৰ্বাচনত বিৰোধীৰ সমন্বয় ৰক্ষাৰ বাবে তৎপৰতা

## ■ কে'বাখনো উপ-সমিতি গঠন কংগ্ৰেছৰ ঃ জ্যেষ্ঠ নেতাক দায়িত্ব অৰ্পণ

## ■ নিজৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাৰো কৌশল কংগ্ৰেছৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অহা সাত মাৰ্চত উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া মাজুলী বিধানসভা সমষ্টিৰ বাবে বিৰোধী মিত্ৰজোঁটৰ অংশীদাৰ দলকেইটাৰ মাজত সমন্বয়ৰক্ষী সমিতি গঠন আৰম্ভ কৰা হৈছে। ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আজি এই উদ্দেশ্যে উপ-নিৰ্বাচন পৰিচালনা আৰু সমন্বয়ৰক্ষী সমিতি গঠন কৰে। তদুপৰি সমষ্টিটোৰ অন্তৰ্গত চাৰিখন জিলা পৰিষদৰ বাবে দলৰ চাৰিজন জ্যেষ্ঠ নেতাৰ নেতৃত্বতো চাৰিখন সমিতি গঠন কৰা হয়। মাজুলীবাসীয়ে বিজেপিক এইবাৰ প্ৰতাৰণাৰ প্ৰত্যুত্তৰ দিব বুলি দাবী কৰা কংগ্ৰেছে দলৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীৰ নেতৃত্বত উপ-নিৰ্বাচন পৰিচালনা আৰু সমন্বয়ৰক্ষী সমিতিখন গঠন কৰে। এই সমিতিৰ কাৰ্যকৰী সভাপতি, সহঃ সভাপতি, উপ-সভাপতিকে ধৰি অধিকাংশই হৈছে মাজুলী আৰু ইয়াৰ কাষৰীয়া সমষ্টিৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী। আনহাতে, জিলা পৰিষদত ভিত্তিত গঠিত সমিতিবোৰৰ ভিতৰত উত্তৰ-পূব জিলা পৰিষদৰ পৰ্যবেক্ষকৰূপে নিযুক্তি দিয়া হৈছে বিধায়ক ভৰত চন্দ্ৰ নৰহক। দক্ষিণ-পূব জিলা পৰিষদৰ পৰ্যবেক্ষক হৈছে বিধায়ক বসন্ত দাস। মধ্য মাজুলী জিলা পৰিষদৰ পৰ্যবেক্ষক হ'ল বিধায়ক ভাস্কৰ বৰুৱা আৰু নামনি মাজুলী জিলা পৰিষদৰ পৰ্যবেক্ষক হ'ল দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী এতোৱা মুণ্ডা। দায়িত্বপ্ৰাপ্ত সকলোকে তৎকালে নিৰ্বাচনী কাম-কাজত অংশ ল'বলৈ সভাপতি ভূপেন বৰাই নিৰ্দেশ জাৰি কৰিছে। এই সন্দৰ্ভত বৰাই কয় যে অসম জাতীয় পৰিষদৰ মনোনীত আৰু বিৰোধী পক্ষৰ উমৈহতীয়া প্ৰাৰ্থী চিত্তৰঞ্জন বসুমতাৰীৰ বিজয় নিশ্চিত কৰিবলৈ সকলো বিজেপি বিৰোধী শক্তিৰ মাজত সমন্বয় ৰক্ষা কৰাটো জৰুৰী। সেই উদ্দেশ্যে কংগ্ৰেছে সাংগঠনিক তৎপৰতা তথা প্ৰচাৰকেন্দ্ৰিক বিষয়সমূহ সঠিকভাৱে ৰূপায়ণ কৰাৰ স্বাৰ্থত এই সমিতিকেইখন গঠন কৰে। এই উপ-নিৰ্বাচনৰ জৰিয়তে কংগ্ৰেছে মাজুলীত আগন্তুক দিনৰ বাবে নিজৰ ভেঁটি শক্তিশালী কৰাৰো কৌশল গ্ৰহণ কৰিছে বুলি দলীয় সূত্ৰত প্ৰকাশ। কাৰণ ইতিমধ্যে জাতীয় পৰিষদক স্পষ্ট কৰি দিয়া হৈছে যে এইবাৰেই প্ৰথম আৰু শেষবাৰলৈ কংগ্ৰেছে সমৰ্থন আগবঢ়াইছে। ইয়াৰ পাছত কংগ্ৰেছে নিজেই সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিব।

## পৌৰসভা নিৰ্বাচনত গহপুৰ পৌৰসভাৰ সকলো প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** ১০ টা ৱাৰ্ড থকা গহপুৰ পৌৰসভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা ১৭ গৰাকী প্ৰাৰ্থীৰ আটাইকেইগৰাকী প্ৰাৰ্থীৰে মনোনয়নপত্ৰ বৈধ ঘোষণা কৰা হৈছে। কালি মনোনয়নপত্ৰসমূহ পৰীক্ষাৰ অন্তত গহপুৰ মহকুমাৰ মহকুমাধিপতিয়ে এই কথা সদৰী কৰিছে। উল্লেখ্য যে গহপুৰ পৌৰসভাৰ নিৰ্বাচনত শাসনাধিষ্ঠিত বিজেপিয় নটা ৱাৰ্ডত নিজা প্ৰাৰ্থী থিয় কৰোৱাৰ বিপৰীতে বিপৰীতে এটা ৱাৰ্ড মিত্ৰ দল অগপক এৰি দিছে। অৱশ্যে এটা ৱাৰ্ডত বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সিদ্ধান্ত মৰ্মে দুয়োটা দলেই প্ৰাৰ্থী থিয় কৰাইছে। আনহাতে, প্ৰধান বিৰোধী দল কংগ্ৰেছে চাৰিটা ৱাৰ্ডত প্ৰাৰ্থী থিয় কৰাইছে। দুটা ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ন টা ৱাৰ্ডৰ বিজেপিৰ প্ৰাৰ্থীসকল হ'ল- পূৰ্ণিমা দত্ত ফুকন এক নম্বৰ ৱাৰ্ড, জিতু মণি বৰা দুই নম্বৰ ৱাৰ্ড, অতুল বৰা চাৰি নম্বৰ ৱাৰ্ড মুকুট ভূঞা, পাঁচ নম্বৰ ৱাৰ্ড পুতুমাই হাজৰিকা মুদৈ, ছয় নম্বৰ ৱাৰ্ড জুলি হাজৰিকা, সাত নম্বৰ ৱাৰ্ড জোনাকী পায়েং দলে আঠ নম্বৰ ৱাৰ্ড, দীপালী কোষ্টা দাস, নম্বৰ ৱাৰ্ড আৰু মন্দাকিনী দাস ১০ নম্বৰ ৱাৰ্ড। কংগ্ৰেছৰ প্ৰাৰ্থীসকল হ'ল তিনি নম্বৰ ৱাৰ্ডত কংকনা শইকীয়া, পাঁচ নম্বৰ ৱাৰ্ডত যতীন বৰা, ছয় নম্বৰ ৱাৰ্ডত লখিমাই লহকৰ আৰু আঠ নম্বৰ ৱাৰ্ডত ৰূপালী পাটগিৰি মিলি। আনহাতে, তিনি নম্বৰ ৱাৰ্ডত বৰ্ণালী মহন্তই আৰু এক নম্বৰ ৱাৰ্ডত মামণি বৰাই অগপৰ হৈ প্ৰাৰ্থিত্ব আগবঢ়াইছে। ইয়াৰে এক নম্বৰ ৱাৰ্ডটোত বিজেপি আৰু অগপৰ বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা হ'ব। ইপিনে, গহপুৰ জিলা অগপৰ সম্পাদক দুলন বৰাই অগপ দল ত্যাগ কৰি দুই ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাথীৰূপে মনোনয়ন দাখিল কৰিছে। একেদৰে মাইনু বৰাই সাত নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰিছে।

## মাটিয়া আদৰ্শ বিদ্যালয় পৰিদৰ্শন শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্তৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া ১৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ আদৰ্শ বিদ্যালয়সমূহ পৰিদৰ্শনৰ বাবে অসম চৰকাৰে প্ৰস্তুত কৰা কাৰ্যসূচী অনুসৰি যোৱা ১৫ ফেব্ৰুৱাৰীত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্তই গোৱালপাৰা জিলাৰ মাটিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত গোপালপুৰস্থিত আদৰ্শ বিদ্যালয়ত উপস্থিত হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা গোৱালপাৰা জিলাৰ স্কুলসমূহৰ পৰিদৰ্শক ছাদুল্লা খানে বিদ্যালয়খনৰ দায়িত্বত থকা নুৰ আছমা বেগম, আন আন শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত উপদেষ্টাজনক উষ্ম আদৰণি জনায়। ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীৰ সভাপতিত্বত বিদ্যালয়খনৰ শিক্ষক ছফিকুল ইছলামে পাৱাৰ পইন্ট উপস্থাপনৰ যোগেদি আদৰ্শ বিদ্যালয়খন স্থাপন কালৰে পৰা বৰ্তমানলৈকে চলি থকা শৈক্ষিক অৱদান বিভিন্ন সফলতা, ছাত্ৰ-ছাত্ৰীৰ ফলাফল, সহ বিদ্যায়তনিক দিশৰ মান্যতা শিক্ষক শিক্ষয়িত্ৰীৰ অৱদান আদি উপদেষ্টাজনৰ আগত উপস্থাপন কৰে। উপদেষ্টাজনে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ লগত বিদ্যালয় সংক্ৰান্তত মত বিনিময় কৰে। ছাত্ৰ-ছাত্ৰীসকলে কৰা সাংস্কৃতিক কাৰ্যসূচীয়ে সভাখনৰ শোভাবৰ্ধন কৰে। তদুপৰি উপদেষ্টা ড° মহন্তই, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত কৃষ্ণ শৰ্মা, গোৱালপাৰা জিলাৰ অতিৰিক্ত জিলা উপায়ুক্ত মানস বৰা, কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব শইকীয়া, দুধনৈ ডায়েটৰ অধ্যক্ষা ভাৰতী কলিতা, অসমৰ সমগ্ৰ শিক্ষা অভিযান বিষয়া ছুমি বৰঠাকুৰ, জামান আৰু মৰজিৎ বৰা, বিদ্যালয়খনৰ প্ৰথম আৰু প্ৰাক্তন অধ্যক্ষ আখেৰুল ইছলাম সৰকাৰ আৰু আন আন আমন্ত্ৰিত অতিথিসকলে সভাখনত বিদ্যালয়খনৰ শৈক্ষিক তথা আন আন বিষয়সমূহৰ ওপৰত মতামত আগবঢ়ায়। নুৰ আছমা বেগমে বিদ্যালয়খনৰ সমস্যাসমূহ উপদেষ্টাগৰাকীৰ আগত ব্যক্ত কৰাৰ লগতে সমস্যাসমূহ সমাধানৰ বাবে অনুৰোধ জনায়। পাছত পাছত ড° মহন্তইবছৰেকীয়া প্ৰাচীৰ পত্ৰিকা 'মওজিন'ৰ ষষ্ঠ সংস্কৰণ উদ্বোধন কৰে।

## ক'ভিড বিধৱা সহায়ক আঁচনিৰ আৰ্থিক সাহায্য প্ৰদান



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** কালি চিৰাং জিলাত মুখ্যমন্ত্ৰী ক'ভিড-১৯ বিধৱা সহায়ক আঁচনিৰ অধীনত চাৰিগৰাকী বিধৱা মহিলাক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। কাজলগাঁওস্থিথ চিৰাং জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত চিদলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে চাৰিগৰাকী হিতাধিকাৰীৰ প্ৰত্যেকগৰাকীক ২.৫ লাখ টকাৰ চেক বিতৰণ কৰে। উক্ত সভাত আদৰণি ভাষণ আগবঢ়ায় উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে। তেওঁ ভাষণত ক'ভিড-১৯ বিধৱা সহায়ক আঁচনি, প্ৰাৰ্থনা আঁচনি জিলাখনত চলি আছে। জিলাখনত ক'ভিডত ক্ষতিগ্ৰস্ত কোনো পৰিয়াল যদি এই আঁচনিৰ পৰা বাদ পৰিছে তেন্তে তেওঁলোকক জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে কয় যে ক'ভিড মহামাৰীত মৃত্যুবৰণ কৰা পৰিয়ালৰ মুৰব্বী বা উপাৰ্জনকাৰীসকলক ঘুৰাই পোৱা সম্ভৱ নহয়। কিন্তু সেই পৰিয়ালসমূহক কিছু আৰ্থিক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমানলৈ জিলাখনত এই আঁচনিৰ অধীনত মুঠ ২১ গৰাকী হিতাধিকাৰীক ২.৫ লাখ টকাকৈ চেক প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে।

## নিউ গোৱালপাৰা সাৰ্বজনীন নামঘৰৰ প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** নিউ গোৱালপাৰা সাৰ্বজনীন নামঘৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি হৰিনাম ধ্বনিৰে মুখৰিত হৈ পৰে গোৱালপাৰা চহৰৰ বিহুফিল্ড। পুৱা ৬-৩০ বজাত বিষ্ণু পূজাৰে কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছত ৭-৩০ বজাত পুষ্পাঞ্জলি, আঠ বজাত প্ৰসংগ, ন বজাত স্থানীয় আইসকলৰ দ্বাৰা নাম-প্ৰসংগ কৰা হয়। পুৱা ১০ বজাৰ পৰা আমন্ত্ৰিত নামদলৰ দ্বাৰা অবিৰত ভাৱে নাম প্ৰদৰ্শন কৰা হয়। সন্ধিয়া ৭-৩০ বজাত নিউ গোৱালপাৰাৰ প্ৰতিটো পৰিয়ালৰ চৌহদত বন্তি প্ৰজ্বলন কৰি প্ৰতিষ্ঠা দিৱস কাৰ্যসূচীৰ সামৰণি পৰে।

## লালুকৰ বিশিষ্ট ব্যৱসায়ী কাৰ্তিক পালৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**লালুক, ১৮ ফেব্ৰুৱাৰী ঃ** লালুকৰ বিশিষ্ট তথা সৰবৰহী ব্যক্তি কাৰ্তিক পাল (৭২)ৰ যোৱা নিশা ১০ বজাৰ মৃত্যু হয়। তেওঁ দীৰ্ঘদিন ধৰি হাপানিত আক্ৰান্ত হৈ আছিল। তেওঁৰ মৃত্যুত লালুক প্ৰেছ ক্লাব, লালুক আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ লালুক আঞ্চলিক সমিতি, লালুকৰ ব্যৱসায়ীসকলকে ধৰি বিভিন্ন অনুষ্ঠান, দল-সংগঠনে শোকপ্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

## পৌৰসভা নিৰ্বাচনৰ বাবে বোকাখাতত এজন প্ৰাৰ্থীৰ মনোনয়ন নাকচ

**বোকাখাত, ১৮ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিতব্য বোকাখাত পৌৰসভা নিৰ্বাচনৰ বাবে বোকাখাত পৌৰসভাৰ অন্তৰ্গত ১০ টা ৱাৰ্ডৰ বাবে মনোনয়নপত্ৰ দাখিলৰ অন্তিত দিনা ৩৭ জন প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰিছিল। ৩৭ জন প্ৰাৰ্থীৰ ভিতৰত কালি পৰীক্ষণৰ অন্তত সাত নম্বৰ ৱাৰ্ডৰ এজন প্ৰাৰ্থীৰ মনোনয়ন নাকচ হয়। বোকাখাত পৌৰসভাত মুঠ প্ৰাৰ্থীৰ সংখ্যা হয়গৈ ৩৬ জন। অহা ২০ ফেব্ৰুৱাৰী মনোনয়নপত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ভোটাগণনাৰ দিন ন মাৰ্চ পুৱা আঠ বজাৰ পৰা ধাৰ্য কৰা হৈছে।

## পুঠিমাৰী হাইস্কুলত নিশা চুৰি

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ১৬ ফেব্ৰুৱাৰীত নিশা চুৰিকাণ্ড সংঘটিত হয়। বিদ্যালয়খনৰ বহুকেইটা মূল্যবান সামগ্ৰী চুৰি হয়। ৩১ নম্বৰ ঘাইপথৰ দাঁতিত অৱস্থিত উক্ত বিদ্যালয়খনৰ প্ৰতিদিনে একাংশ দুৰ্বৃত্তই অনৈতিক কাণ্ড সংঘটিত কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনত প্ৰতিবছৰেই হৈ আহিছে চুৰিকাৰ্য। চোৰে কাৰ্যালয়ৰ এক নম্বৰ দুৱাৰৰ তলা ভাঙি প্ৰিণ্টাৰ, পানী উত্তোলন কৰা যন্ত্ৰ, শ্ৰেণীকোঠাৰ ফেন চুৰি কৰি নিয়ে। উল্লেখ্য যে যোৱাবাৰো চোৰে দুৱাৰৰ তলা ভাঙি ১০টা কম্পিউটাৰ, যন্ত্ৰ, ফেন আদি চুৰি কৰি নিছিল। ইমানতে ক্ষান্ত নাথাকি চোৰে বিদ্যালয়ৰ ডেস্ক ভাঙি থৈ যোৱাৰ লগতে মদ সেৱন কৰি মদৰ বটল আদি ভাঙি থৈ যায়।

## হাজোত গাড়ী চালনাৰ দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি



অগ্ৰদূত বাৰ্তা

**হাজো, ১৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ পাখামেলাত মুখ্যমন্ত্ৰীৰ বিশেষ যোজনাৰ অধীনস্থ গাড়ী চালনাৰ দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰ এটি কালি মুকলি কৰা হয়। অসম চৰকাৰৰ পৰিবহণ বিভাগ আৰু কামৰূপ জিলা পৰিবহণ বিভাগৰ সহযোগত প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। উক্ত প্ৰশিক্ষণ আগবঢ়াব হাজোৰ স্পীড ড্ৰাইভিং প্ৰশিক্ষণ কেন্দ্ৰই। এই প্ৰশিক্ষণ শিবিৰত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিধায়িকাগৰাকীয়ে কয় যে যুৱক-যুৱতীসকলে গাড়ী চালনাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি নিজকে উপযুক্তভাৱে দক্ষ চালকৰূপে পৰিগণিত হ'বলৈ সুবিধা পাব। তদুপৰি প্ৰশিক্ষণ সমাপ্ত কৰি লাভ কৰা প্ৰমাণ পত্ৰৰ জৰিয়তে বিভিন্ন সময়ত চৰকাৰীভাৱে নিযুক্তি লাভ কৰাৰো বাট মুকলি হৈ উঠিব পাৰে। উক্ত অনুষ্ঠানত কামৰূপ জিলা পৰিবহণ বিষয়া ৰূপজ্যোতি কলিতাই নিবনুৱা যুৱক-যুৱতীসকলক গাড়ী চালনাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি নিজৰ অঞ্চললৈ অহা পৰ্যটকসকলক ঠাইসমূহক সঠিকভাৱে চিনাকি কৰি দিব পাৰিব। এই প্ৰশিক্ষণ কেন্দ্ৰত হাজো সমষ্টিৰ ৫০ গৰাকী যুৱক-যুৱতীক ৪৫ দিনৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰশিক্ষণ শিবিৰত পঞ্চায়তৰ সভানেত্ৰী তিলমা মেধি, ধনেশ্বৰ তালুকদাৰ, হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নবী সোণোৱাল, হাজো সাংবাদিক সন্থাৰ সভাপতি গোবিন্দ দাস, এমভিআই ক্ষীৰোদ দাস, বেচৰকাৰী সংস্থা স্পীডৰ সভাপতি মিজানুৰ ৰহমান, নিলুফাৰ হুছেইন, এএছডিএমৰডিপিএম অংকুমাৰ চহৰীয়া আৰু জ্যোতিৰ্ময় কলিতাই।

## পৌৰসভা নিৰ্বাচনৰ সকলো মনোনয়নপত্ৰ বৈধ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব লগা বঙাইগাঁও পৌৰসভা নিৰ্বাচনৰ বাবে নিযুক্ত পৰ্যবেক্ষক, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কুমাৰ কাকতি (অসম অসামৰিক সেৱা) যোৱা ১৬ ফেব্ৰুৱাৰীত বঙাইগাঁৱত আহি উপস্থিত আৱৰ্ত ভৱনত বাহৰ পাতিছে। তেওঁ বঙাইগাঁৱত আহিয়ে বঙাইগাঁও পৌৰসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয় আৰু কালি মনোনয়নপত্ৰ পুনৰীক্ষণ কাৰ্যতো উপস্থিত থাকে। তেওঁৰ ভ্ৰাম্যভাষ নম্বৰ ৯৪৩৫১৮০৫৫৭ত প্ৰয়োজন সাপেক্ষে যোগাযোগ কৰিব পাৰিব। উল্লেখ থাকে যে কালি বঙাইগাঁও পৌৰসভা নিৰ্বাচনৰ মনোনয়নপত্ৰসমূহ পুণৰীক্ষণ কৰাৰ পাছত যি ৭৩ খন মনোনয়নপত্ৰ দাখিল হৈছিল তাৰে আটাইকেইখন মনোনয়নপত্ৰ বৈধ হিচাপে পোৱা হৈছে।

## গোলকগঞ্জত মধ্যাহ্ন ভোজনৰ খিচিৰি খাই অসুস্থ ছাত্ৰ-ছাত্ৰী

অগ্ৰদূত বাৰ্তা

**আগমনী, ১৮ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীয়ে মধ্যাহ্ন ভোজনৰ খিচিৰি খাই কে'বাজনো ছাত্ৰ-ছাত্ৰী অসুস্থ হোৱাত আজি অভিভাৱকে বিদ্যালয়খনলৈ গৈ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে প্ৰাথমিক বিদ্যালয়সমূহ যোৱা ১৫ ফেব্ৰুৱাৰীত খুলিছে। বিদ্যালয় খোলাৰ দুদিনমান পাছতে ছাত্ৰ-ছাত্ৰীয়ে মধ্যাহ্ন ভোজনৰ খিচিৰি খাই অসুস্থ হোৱাত অভিভাৱকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ মতে, কালি গোলকগঞ্জ শিক্ষাখণ্ডৰ অন্তৰ্গত ২৪০৭ নম্বৰ পশ্চিম টোকৰেৰছৰা প্ৰাথমিক বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ খিচিৰি খাই কে'বাগৰাকী ছাত্ৰ-ছাত্ৰী অসুস্থ হয়। অভিভাৱকসকল উত্তেজিত হোৱাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনেশ্বৰ সৰকাৰে বিদ্যালয়ৰ পৰা পলায়ন কৰে। অভিভাৱকৰ অভিযোগ মতে, বিদ্যালয়খনত ভেজাল তেল আৰু গেলি-পচি যোৱা পাচলি মধ্যাহ্ন ভোজনৰ প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰিছিল। অভিভাৱকসকলে বিদ্যালয়ত উপস্থিত হৈ বেয়া খাদ্য বিতৰণৰ প্ৰতিবাদ কৰে। এই ক্ষেত্ৰত অভিভাৱকসকলে তদন্ত কৰি অভিযুক্তক শাস্তি বিহিবলৈ দাবী জনাইছে।

## ঋতুকালীন আলোচনী 'বৰষুণ'ৰ বসন্ত সম্ভাৰ প্ৰকাশৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** ছপা আৰু অনলাইন এই দুয়োটা মাধ্যমত প্ৰকাশিত ঋতুকালীন বিশেষ অসমীয়া আলোচনী 'বৰষুণ'ৰ বসন্ত বিশেষ সংখ্যা প্ৰকাশৰ প্ৰস্তুতি চলিছে। 'বৰষুণ'ৰ সম্পাদক বজালীৰ ভৱানীপুৰৰ উদীয়মান লেখক-সংবাদকৰ্মী সঞ্জীৱ সাগৰ দাসে জনোৱা মতে, 'বৰষুণ'ৰ শাৰদীয় সংখ্যাত পাঠকৰ ভালেখিনি সঁহাৰি লাভ কৰাৰ অন্ততঃ চলিত বৰ্ষৰ এপ্ৰিল মাহত প্ৰকাশ কৰি উলিওৱাৰ যো-জা কৰিছে 'বৰষুণ'ৰ বসন্ত বিশেষ সংখ্যা। সেয়ে ইচ্ছুক লেখক-লেখিকাক প্ৰবন্ধ, গল্প, কবিতা, গ্ৰন্থ সমালোচনা, নীলা খামৰ চিঠি ইত্যাদি শিতানৰ ওপৰত লেখা অহা ১০ মাৰ্চৰ ভিতৰত borokhunassam@gmail.com ই-মেইলযোগে পঠাবলৈ অনুৰোধ জনাইছে। লগতে সম্পাদকে জনাইছে যে লেখাসমূহ চুটি হোৱাটো বাঞ্ছনীয় তথা পেজমেকাৰত ৰামধেনু ফ্ৰন্টত কম্পোজ কৰি নাইবা ইউনিক'ডতহে পঠাব লাগিব।

## আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰধাৰীক আগ্নেয়াস্ত্ৰসমূহ জমা দিবলৈ নিৰ্দেশ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক পৌৰসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলা প্ৰশাসনে এক নিৰ্দেশনাযোগে জিলাখনত আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা সকলো ব্যক্তিকে নিজ নিজ আগ্নেয়াস্ত্ৰসমূহ তাৎক্ষণিকভাৱে নিকটৱৰ্তী আৰক্ষী চকীত জমা দিবলৈ নিৰ্দেশ দিছে। পৌৰসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰে পাছতে সংশ্লিষ্ট আৰক্ষী চকীৰ পৰা আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰধাৰীসকলক জমা দিয়া আগ্নেয়াস্ত্ৰসমূহ ওভতাই দিয়া হ'ব। কোনো ব্যক্তিয়ে এই নিৰ্দেশনা উলংঘা কৰিলে ভাৰত চৰকাৰৰ অস্ত্ৰ আইন ১৯৫৯ৰ অধীনত আইনী ব্যৱস্থা লোৱাৰ লগতে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হ'ব।

## যোৰহাট জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ পদত্যাগ

অগ্ৰদূত বাৰ্তা

**টীয়ক, ১৮ ফেব্ৰুৱাৰী ঃ** পৌৰসভা নিৰ্বাচনৰ প্ৰাক্ক্ষণত টীয়কৰ পৰা যোৰহাট জিলা কংগ্ৰেছক প্ৰতিনিধিত্ব কৰা জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক পুলিন বৰুৱা আৰু টীয়ক সমষ্টিৰ অন্তৰ্গত মধ্য যোৰহাট ব্লক কংগ্ৰেছৰ সভাপতি দিলীপ হাতীবৰুৱাই আজি পদত্যাগ কৰে। নেতাদ্বয় লগতে দলৰ প্ৰাথমিক সদস্য পদো ত্যাগ কৰিছে। দুই পদত্যাগী কংগ্ৰেছীয়ে অভিযোগ কৰে যে দলৰ টীয়কৰ এগৰাকী নেত্ৰীৰ চৰম একনায়কত্ববাদৰ বাবে দলটোত ক্ৰমে এলাগী হৈ পৰিছে জ্যেষ্ঠসকল। নেত্ৰীগৰাকীৰ এনে কৰ্ম কাণ্ডৰ বাবে দল ত্যাগ কৰিবলৈ বাধ্য হোৱা বুলি উল্লেখ কৰি দুয়োজন নেতাই পৃথকে পৃথকে যোৰহাট জিলা কংগ্ৰেছৰ সভাপতিলৈ প্ৰেৰণ কৰিছে পদত্যাগ পত্ৰ।

## সিদ্ধেশ্বৰ দেৱালয়ত শিৱৰাত্ৰি মহোৎসৱ উদযাপনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৮ ফেব্ৰুৱাৰী ঃ** শুৱালকুছিৰ ঐতিহ্যমণ্ডিত দেৱালয় ঈশ্বৰ শ্ৰীশ্ৰী সিদ্ধেশ্বৰ দেৱালয়ত অহা ২৮ ফেব্ৰুৱাৰী আৰু এক মাৰ্চত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শিৱৰাত্ৰি মহোৎসৱ উদযাপনৰ যো-জা চলাইছে। সেই উপলক্ষে দেৱালয় প্ৰাংগণত ভক্তসকলৰ উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। কাৰ্যসূচী মতে, ২৮ ফেব্ৰুৱাৰীত পুৱা সাত বজাৰ পৰা আবেলি ছয় বজালৈ নিৰ বিচ্ছিন্নভাৱে চলি থকা কাৰ্যক্ৰমণিকা হ'ল পূৱ দেৱালয় প্ৰাংগণত চাফাই কৰাৰ পাছত দেৱালয় পৰিচালনা সমিতিৰ সভাপতি ডাঃ গৌৰাংগ দাসৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন। পাছত আইসকলৰ নাম প্ৰসংগ, আবেলি নৱ দেউৰী, বিপুল বৈশ্যৰ দ্বাৰা মুখ্যদ্বাৰৰ বন্তি প্ৰজ্বলন, অক্ষয় বন্তি প্ৰজ্বলন কৰিব চক্ৰ বিষয়া জাহ্নবী সোণোৱালে। মুল শিৱ বন্তি আৰু বন্তি প্ৰজ্বলন কৰিব কামৰূপ (গ্ৰাম্য)ৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱা, প্ৰণৱ দত্ত গোস্বামী, কেশৱ বৈশ্য, ৰাকেশ বৈশ্য আৰু হেমন্ত কলিতাই। শিৱধুনি প্ৰজ্বলন কৰিব আবকাৰী বিভাগৰ সচিব টমল কুমাৰ বৈশ্য আৰু দিপালী বড়োৱে। পাছত শ্ৰৱণ কীৰ্তন। পহিলা মাৰ্চত প্ৰভাতফেৰী, মন্দিৰৰ দ্বাৰ মুকলি কৰিব দেৱালয় পৰিচালনা সমিতিৰ সম্পাদক অৰুণ চন্দ্ৰ ডেকাই। হেমন্ত দাসৰ শিৱ পুৰাণ পাঠ, আইসকলৰ প্ৰসংগ। মন্দিৰৰ মুলদ্বাৰৰ বন্তি প্ৰজ্বলন কৰিব অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মন্দিৰৰ বন্তি প্ৰজ্বলন কৰিব কামৰূপ উপায়ুক্ত কৈলাশ কাৰ্তিক এন, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা অংকুৰ চৌধুৰী, অভিনেত্ৰী জয়শ্ৰী গোস্বামী আৰু মৃণাল দাসে। সন্ধিয়া আৰতি, ভজন পৰিৱেশন। নিশালৈ পৰমান্ন বিতৰণ। সমান্তৰালকৈ চলি থাকিব স্থানীয় শিল্পীসকলৰ দ্বাৰা ভজন আৰু লোকগীত পৰিৱেশন। দুয়োদিনৰ কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে পৰিচালনা সমিতিয়ে।

## কুকুৰমাৰাৰ কলহী হোটেলত এক লাখ টকাৰ অবৈধ বিলাতী সুৰা জব্দ



**ছয়গাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰা টাউনত থকা কলহী হোটেলত জব্দ কৰে বৃহৎ পৰিমাণৰ বিলাতী সুৰা। আৰক্ষীৰ অভিযানৰ উমান পাই হোটেলৰ স্বত্বাধিকাৰী দীপক কলিতাই পাঁচ দুৱাৰেদী পলায়ন কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ কৰে । অবৈধ সুৰাখিনিৰ মূল্য প্ৰায় এক লাখ টকা হ'ব।

## বাইহাটা চাৰিআলিত মাঘী পূৰ্ণিমা মহোৎসৱ-ৰুদ্ৰ যজ্ঞ অনুষ্ঠানত গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ১৮ ফেব্ৰুৱাৰী ঃ** বাইহাটা চাৰিআলিৰ নিকটৱৰ্তী আলিপুৰস্থিত বুঢ়া ডাঙৰীয়া থানত আয়োজিত মাঘী পূৰ্ণিমা মহোৎসৱ আৰু ৰুদ্ৰ যজ্ঞ অনুষ্ঠানত কালি 'নমামি বুঢ়া ডাঙৰীয়া' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। কালি দিনৰ এক বজাত আয়োজন কৰা এখন সভাত আলিসভা বুঢ়া ডাঙৰীয়া থান আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী স্থানৰ ঐতিহ্য পৰম্পৰা সামৰি বিশিষ্ট লেখক অনিল ডেকাই লিখি উলিওৱা 'নমামি বুঢ়া ডাঙৰীয়া' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাংবাদিক তথা অধিবক্তা ধীৰাজ শৰ্মাই। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত সাংবাদিক শৰ্মাই কয় যে একোখন গ্ৰন্থ এটা জাতিৰ ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰ জীৱন্ত দলিল হয়। গ্ৰন্থই ইতিহাসৰ সন্ধান দিয়ে। বিশিষ্ট লেখক অনিল ডেকাৰ ৰচিত নমামি বুঢ়া ডাঙৰীয়া শীৰ্ষক গ্ৰন্থখনে বুঢ়া ডাঙৰীয়া থানৰ লগতে স্থানীয় ঐতিহ্য পৰম্পৰাৰ বাৰ্তা বাহক বুলি তেওঁ নিজৰ ভাষণত প্ৰকাশ কৰে। উন্মোচনী অনুষ্ঠানত লেখক অনিল ডেকা আৰু বিশিষ্ট লেখক সমাজকৰ্মী ভৱেশ ডেকাই ভাষণ প্ৰদান কৰে। সভাত সমাজকৰ্মী বলিন শৰ্মা সুন্দৰ আগৰৱালা আৰু ৰথী ডেকাৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনৰ আঁত ধৰে মহোৎসৱৰ পৰিচালনা সমিতিৰ সদস্য চন্দন ডেকাই। ইয়াৰ পূৰ্বে পুৱা ধৰ্মধ্বজা উত্তোলন কৰে থান উন্নয়ন সমিতিৰ সভাপতি অনিল ডেকাই। তাৰ পাছত পানী তোলা, যজ্ঞ আৰম্ভ, পূৰ্ণাহুতি, নাগাৰা নাম পৰিৱেশন আদি ধৰ্মীয় কাৰ্যসূচীৰ লগতে সন্ধিয়া আঁৰিয়া প্ৰজ্বলন কাৰ্যসূচী সমাপন কৰে।

## ফ'ৰলেন কোম্পানীৰ ডাম্পাৰৰ দৌৰাত্ম্য

বিশেষ সংবাদদাতা

**নগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত চলি থকা ফ'ৰলেন নিৰ্মাণৰ কামত ব্যৱহৃত একাংশ ডাম্পাৰৰ দৌৰাত্ম্যৰ বাবে ত্ৰাহি মধুসূদন সোঁৱৰিছে সাধাৰণ ৰাইজে। বিশেষকৈ অপৈণত চালকৰ দ্বাৰা এই ডাম্পাৰসমূহ চলাচল কৰাৰ বাবেই কালি কোনোমতে প্ৰাণৰক্ষা পৰিল এগৰাকী স্কুটী চালকৰ। এএছ-০২ ইউ-২৪২২ নম্বৰৰ স্কুটীখনৰ আৰোহী তুলতুল শইকীয়াই পুৰণিগুদামত ঘাইপথটোৰে আহি থকা সময়ত আৰ জে-০৭ জিবি ৭৭৪৫ নম্বৰৰ ডাম্পাৰখনে পাছলৈ আহি আৰোহীসহ স্কুটীখন খুন্দা মাৰে। ফলত স্কুটী আৰোহীগৰাকী কোনো ধৰণৰ আঘাত নোপোৱাকৈ জপিয়াই আঁতৰি যায় যদিও স্কুটীখন ডাম্পাৰৰ চেপাত নষ্ট হয়। এই ক্ষেত্ৰত ডাম্পাৰৰ চালকজনৰ দোষৰ বাবে ঘটনাটো সংঘটিত হৈছে বুলি স্থানীয় লোকে কয়।

# গণিত হাতে-কামে শিকিব পৰাকৈ প্ৰয়োগশালা স্থাপন

**■ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিকৰ স্মাৰক তোৰণ-গণিত প্ৰয়োগশালাসহ নৱনিৰ্মিত ভৱন উদ্বোধন**

অগ্ৰদূত বাৰ্তা,

**তেজপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ লগতে ৰাজ্যৰ বিদ্যায়তনিক ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা তেজপুৰৰ ঐতিহ্যমণ্ডিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তী স্মাৰক তোৰণৰ লগতে এক গণিত প্ৰয়োগশালা কালি মুকলি কৰা হয় ।

উল্লেখ্য যে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা সু-সাহিত্যিক দণ্ডিনাথ কলিতা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ একালৰ অধ্যয়নৰ পীঠস্থান তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তী স্মাৰক তোৰণৰ লগতে ৰাজ্যখনৰ ভিতৰতে প্ৰথমটো গণিত প্ৰয়োগশালাৰ উপৰি এটা বিজ্ঞান সংঘ আৰু শতাব্দী ভৱনৰ অলিন্দ উদ্বোধন কৰে শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাস, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া, শোণিতপুৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাস আৰু শিক্ষাবিদ বেণুধৰ কাকতিয়ে। পংকজ বৰুৱাই আঁতধৰা অনুষ্ঠানটোৰ সভাখনত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে গণিত বিষয়টো হাতে কামে শিকিব পৰাকৈ বিভিন্ন সঁজুলিসহ আৰম্ভ কৰা গণিত প্ৰয়োগশালাটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

উল্লেখ্য যে ১৯ত স্থাপিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন্তগাঁথনিৰ উন্নয়নত বিদ্যালয় কৰ্তৃপক্ষৰ এক ইতিবাচক পদক্ষেপৰ অংশ হিচাপে প্ৰথমেই শোণিতপুৰৰ উপায়ুক্ত দাসে বন্তি প্ৰজ্বলন কৰি গায়ন-বায়নৰ পৰম্পৰাগত পৰিৱেশৰ মাজত নৱনিৰ্মিত মূল তোৰণখন উন্মোচন কৰে। ইয়াৰ পাছতে বিদ্যালয়খনত ৰাজ্যৰ ভিতৰতে প্ৰথমবাৰলৈ বিদ্যালয় কৰ্তৃপক্ষৰ ঐকান্তিক সহযোগিতা আৰু শিক্ষয়িত্ৰী চিন্ময়ী কাকতিৰ তৎপৰতাত নিৰ্মিত গণিতৰ আকৰ্ষণীয় প্ৰয়োগশালাটো উদ্বোধন কৰে শোণিতপুৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাসে। আনহাতে, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়াই মুকলি কৰে বিদ্যালয়খনৰ নৱ নিৰ্মিত এই বিজ্ঞান সংঘটো। তদুপৰি, শিক্ষাবিদ বেণুধৰ কাকতিয়ে ফিটা কাটি উদ্বোধন কৰে বিদ্যালযখনৰ শতাব্দী ভৱনৰ নৱনিৰ্মিত সন্মুখৰ অংশটো। বিদ্যালয়খনৰ শিক্ষয়িত্ৰীসকলৰ দ্বাৰা বিদ্যালয়খনৰ শীৰ্ষ গীত পৰিৱেশিত শীৰ্ষ গীতৰে তথা বিদ্যালয়খনৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সভাপতি, প্ৰবীণ সমাজকৰ্মী, চিকিৎসক বিশ্বৰঞ্জন কলিতাৰ পৌৰোহিত্যত আৰু ডেৰশ বছৰীয়া জয়ন্তীৰ প্ৰচাৰ বিভাগৰ পংকজ বৰুৱাই আঁত ধৰা সভাখনত আদৰণী ভাষণ দাঙি ধৰে ভাৰপ্ৰাপ্ত অধ্যক্ষা, সাহিত্যিক ৰিঞ্জুমণি নেওগ বৰাই। বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দিব্যজ্যোতি ভট্টাচাৰ্য, প্ৰাক্তন অধ্যক্ষা স্মৃতিৰেখা গোস্বামী আদিয়ে অংশগ্ৰহণ কৰা সভাখনত উপায়ুক্ত দাসে ভাষণ প্ৰদান কৰি ডেৰশবছৰীয়া জয়ন্তীৰ ৰাহি ধনেৰে এনেদৰে বিভিন্ন উন্নয়নমূলক কাম কৰাৰ লগতে গণিত প্ৰয়োগশালাৰ দৰে অনুষ্ঠান গঢ়ি তোলাত বিদ্যালয় কৰ্তৃপক্ষক ভুয়সী প্ৰশংসা কৰে।



### প্ৰথম শ্ৰেণীৰ অভিষেকতে ত্ৰিশতক

## বিশ্ব অভিলেখ গঢ়িলে বিহাৰৰ নৱাগত ক্ৰিকেটাৰে

**নিউজ ব্যুৰ'**



**কলকাতা, ১৮ ফেব্ৰুৱাৰী ঃ** প্ৰথম শ্ৰেণী ক্ৰিকেটৰ অভিষেক মেচতে ত্ৰিশতৰাণ অৰ্জন কৰি বিশ্ব অভিলেখ গঢ়িলে বিহাৰৰ এজন তৰুণ ক্ৰিকেটাৰে। ৰঞ্জী ট্ৰফীৰ প্লেট গ্ৰুপৰ মেচত মিজোৰামৰ বিপক্ষে ত্ৰিশতৰাণ অৰ্জন কৰিলে বিহাৰৰ নৱাগত অপেনাৰ ছকিবুল গনিয়ে। বিশ্বৰ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটৰ ইতিহাসত এনে নজিৰ এয়াই প্ৰথম। ইয়াৰ পূৰ্বে প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অভিষেক মেচত সৰ্বাধিক ৰাণ সংগ্ৰহৰ বিশ্ব অভিলেখ আছিল মধ্যপ্ৰদেশৰ বেটাৰ অজয় ৰোহেৰাৰ। তেওঁ ২০১৮-১৯ৰ ৰঞ্জী মেচত অভিষেক ঘটাই ২৬৭ ৰাণ কৰিছিল। অজয়ৰ অভিলেখ ভংগ কৰি আজি ছকিবুলে কলকাতাত অনুষ্ঠিত মেচখনত ৪০৫টা বলত ৩৪১ ৰাণ কৰে। কালি তেওঁ ১৩৬ ৰাণত অপৰাজিত আছিল। আজি চাহ বিৰতিৰ পূৰ্বেই ছকিবুলে ত্ৰিশতক সম্পূৰ্ণ কৰে। তেওঁৰ বিশাল স্ক'ৰত আছিল ৫৬টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ।

# টি-২০ শৃংখলা জয় কৰিলে ভাৰতে

## অৱশেষত অৰ্ধশতৰাণেৰে ফৰ্মৰ ইংগিত কোহলিৰ ঃ পন্টৰো অৰ্ধশতক

**নিউজ ব্যুৰ'**

**কলকাতা, ১৮ ফেব্ৰুৱাৰী ঃ** ৱেষ্টইণ্ডিজৰ বিপক্ষে টি-২০ শৃংখলাটো দখল কৰিলে ভাৰতে। আজিৰ দ্বিতীয় মেচত আঠ ৰাণত জয়ী হৈ ভাৰতে তিনিখনীয়া মেচৰ শৃংখলাত ২-০ৰ অগ্ৰগতি অৰ্জন কৰে। ৱেষ্টইণ্ডিজে ১৮৯ ৰাণৰ লক্ষ্যৰে খেলি তিনি উইকেট হেৰুৱাই ১৭৮ ৰাণহে কৰিবলৈ সক্ষম হয়। নিকোলাছ পূৰান (৫২)ৰ অৰ্ধশতকৰ পাছত ৰ'ভমান পাৱেলে ৩৮টা বলত ৬৩ ৰাণ কৰি অপৰাজিত হৈ ৰ'লেও দলক লক্ষ্যত উপনীত কৰাব নোৱাৰিলে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰি পাঁচ উইকেটৰ বিনিময়ত ১৮৬ ৰাণ সংগ্ৰহ কৰিছিল। ভাৰতৰ ইনিংছৰ লক্ষ্যণীয় দিশ আছিল ধাৰাবাহিকভাৱে ব্যৰ্থ প্ৰাক্তন অধিনায়ক বিৰাট কোহলিৰ ফৰ্মলৈ প্ৰত্যাৱৰ্তনৰ ইংগিত। ৰোহিত শৰ্মা (১৯), ঈশান কিষাণ (২) আৰু সূৰ্য কুমাৰ যাদৱ (৮) দলীয় ৭২ ৰাণতে বিদায় লোৱাৰ পাছত কোহলিয়ে ঋষভ পন্টৰ স'তে ইনিংছ আগুৱাই নিয়ে। কোহলিয়ে ৪১টা বলত সাতটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰৰ সহায়ত ৫২ ৰাণ কৰি বিদায় লয়। ইয়াৰ পাছত পন্ট আৰু ভেংকটেশ আয়াৰে মাৰমুখী বেটিঙেৰে দলৰ স্ক'ৰ শক্তিশালী কৰে। আয়াৰে ১৮টা বলত চাৰিটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰৰ সহায় ৩৩ ৰাণ কৰি বিদায় ল'লেও পন্টে ৫২ ৰাণত অপৰাজিত হৈ ৰয়। তেওঁ মাত্ৰ ২৮টা বলৰ সন্মুখীন হৈ সাতটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ মাৰে। ৱেষ্টইণ্ডিজৰ ৰ'ষ্টন চেজে তিনিটা উইকেট পায়।




## মানস প্ৰতিম ক্ৰিকেটৰ কোৱাৰ্টাৰত তেজপুৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৮ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ চিটী ক্লাবে ক্ৰিকেট ক্লাবে ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত চতুৰ্থ মানস প্ৰতিম দাস সোঁৱৰণী ক্ৰিকেটৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ খেলত তেজপুৰে ওদালগুৰিৰ ৰাইজিং ষ্টাৰক ১০৩ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। টছত পৰাজিত হৈ প্ৰথমে বেটিং কৰি তেজপুৰে যোগেন দাসৰ শতৰাণৰ সহায়ত ২৫ অভাৰত সকলো উইকেট হেৰুৱাই ২৪৯ ৰাণ কৰে। যোগেনে ১৬৪ ৰাণত অপৰাজিত হৈ ৰয়। ইয়াৰ প্ৰত্যুত্তৰত ওদালগুৰিৰ ইনিংছ ২২.১ অভাৰত ১৪৬ ৰাণত সমাপ্ত হয়। তেজপুৰৰ ফায়াজ আহমেদে চাৰিটা উইকেট দখল কৰে।

### যশ ঢুলৰ পাছত শতৰাণ কৰিলে ললিতেও

## প্ৰথম ইনিংছত দিল্লীৰ বিশাল স্ক'ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীত চলি থকা ৰঞ্জী ট্ৰফীৰ এলিট গ্ৰুপ 'এইছ'ৰ খেলখনত দিল্লীয়ে দুই বেটাৰৰ শতকৰ সহায়ত বিশাল স্ক'ৰ সংগ্ৰহ কৰিছে। ইয়াৰ ফলত বিপদত পৰিছে তামিলনাডু। আজি দ্বিতীয় দিনাৰ খেলত দিল্লীয়ে ৪৫২ ৰাণত প্ৰথম ইনিংছ সামৰে। ইয়াৰ প্ৰত্যুত্তৰত তামিলনাডুৱে দিনান্তলৈ দুই উইকেটত ৭৫ ৰাণ সংগ্ৰহ কৰিছে। উল্লেখ্য যে কালি দিল্লীৰ হৈ অভিষেক ঘটোৱা ১৯ বছৰ অনূৰ্ধ্বৰ বিশ্বজয়ী দলৰ অধিনায়ক যশ ঢুলে ১১৩ ৰাণৰ এক সুন্দৰ ইনিংছ উপহাৰ দিছিল। কালি ৪৫ ৰাণত অপৰাজিত হৈ থকা ললিত যাদৱেও আজি শতৰাণ অৰ্জন কৰে। তেওঁ ২৮৭টা বলত ১৭টা বাউণ্ডেৰীৰ সহায়ত ১৭৭ ৰাণ উপহাৰ দিয়ে।

# অভিষেককাৰী পৱনৰ দ্বিশতকেৰে ৰঞ্জীত শক্তিশালী স্থিতি মহাৰাষ্ট্ৰৰ

## মুখটাৰৰ পাঁচ উইকেট দখল ঃ বিপদ আঁতৰা নাই অসমৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** মহাৰাষ্ট্ৰৰ বিপক্ষে ৰঞ্জী ট্ৰফীৰ এলিট গ্ৰুপ 'জি'ৰ খেলত সমস্যাত পৰিছে অসম। ৰোহটকত অনুষ্ঠিত খেলখনৰ দ্বিতীয় দিনা মহাৰাষ্ট্ৰই ৪১৫ ৰাণ সংগ্ৰহ কৰে। কালি শতৰাণ অৰ্জন কৰা অভিষেককাৰী অপেনাৰ পৱন শ্বাহে আজি দ্বিশতক সম্পূৰ্ণ কৰিবলৈ সক্ষম হয়। তেওঁ ২১৯ ৰাণৰ বৰঙণি যোগায়। পৱনৰ ৪০১টা বলৰ ইনিংছটোত আছিল ২০টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ। আনহাতে, সত্যজিৎ বাসৱে ৪২ আৰু দিব্যাংগ হিংগানেকাৰে ৪৬ ৰাণৰ বৰঙণি যোগায়। অসমৰ মুখটাৰ হুছেইনে ৮৮ ৰাণৰ বিনিময়ত পাঁচ উইকেট দখল কৰে। অৰূপ দাস আৰু ৰঞ্জিত মালীয়ে দুটাকৈ উইকেট পায়।

ইফালে, অসমে প্ৰথম ইনিংছ মুকলি কৰি দিনান্তলৈ দুই উইকেটত ৮১ ৰাণ সংগ্ৰহ কৰি কিছু সমস্যাত আছে। অসমৰ দলীয় ৩২ ৰাণতে অপেনাৰ ঋষভ দাস (১৪) আৰু অভিজ্ঞ গকুল শৰ্মা (৫)ৰ উইকেটৰ পতন ঘটে। অৱশ্যে অপেনাৰ শুভম মণ্ডল আৰু ৰিয়ান পৰাগে কিছু দৃঢ়তা প্ৰদৰ্শন কৰি অধিক পতন ৰোধ কৰে। শুভমে ৩৪ আৰু ৰিয়ানে ২৬ ৰাণত অপৰাজিত হৈ ৰয়। অসম এতিয়াও প্ৰথম ইনিংছত ৩৩৪ ৰাণত পাছ পৰি আছে।

## দক্ষিণ কামৰূপ লীগ ভলীবল

**ছয়গাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ ২০২১-২২ বৰ্ষৰ আন্তঃক্লাব লীগ ভলীবল প্ৰতিযোগিতাখন অহা ২৪-২৫ ফেব্ৰুৱাৰীত ছয়গাঁও মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব। লীগ অংশ লোৱাৰ বাবে ইচ্ছুক ক্লাবক অহা ২২ ফেব্ৰুৱাৰীৰ ভিতৰত খেলুৱৈৰ পঞ্জীয়নসহ যোগাযোগ কৰিবলৈ সন্থাৰ ভলীবল সম্পাদক খগেন নাথে আহ্বান জনাইছে।

## হাজৰিকাপাৰাত আন্তঃজিলা ছাব জুনিয়ৰ দিবা-নৈশ ভলীবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ সৌজন্যত তথা হাজৰিকাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা মঙলদৈৰ হাজৰিকাপাৰাত দিবা-নৈশ ভিত্তিত ৩৩ সংখ্যক আন্তঃজিলা ছাব জুনিয়ৰ (ল'ৰা-ছোৱালী) ভলীবল প্ৰতিযোগিতা আৰম্ভ হৈছে। ১২-৩০ বজাত আয়োজক সমিতিৰ সাধাৰণ সম্পাদক চন্দ্ৰ কুমাৰ শৰ্মাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত অসম ভলীবল সন্থাৰ পতাকা উত্তোলন কৰে সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰকাশ বৰাই, মঙলদৈ ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে মঙলদৈৰ প্ৰাক্তন বিধায়ক তথা সন্থাৰ সভাপতি গুৰুজ্যোতি দাসে, হাজৰিকাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে ছিপাঝাৰৰ বিধায়ক তথা আয়োজক সমিতিৰ সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে। স্মৃতি তৰ্পণ কৰে অসম ভলীবল সন্থাৰ কোষাধ্যক্ষ মুকুট গগৈয়ে। বন্তি প্ৰজ্বলন কৰে অসম ভলীবল সন্থাৰ যুটীয়া সম্পাদক প্ৰতাপ বৰদলৈয়ে।

এই প্ৰতিযোগিতাত বিভিন্ন জিলাৰ ল'ৰাৰ ২৭টা আৰু ছোৱালীৰ ১৬টা দলে অংশগ্ৰহণ কৰিছে। আয়োজকে জনোৱা মতে, বয়স ফাকি দি প্ৰতিযোগিতাত অংশগ্ৰহণৰ অভিযোগত ৩০জন ল'ৰা আৰু এগৰাকী ছোৱালী খেলুৱৈক বাতিল কৰা হৈছে। লগতে জিলা দলসমূহক এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ যোগ্যতা নিৰূপণ কমিটীয়ে সকীয়াই দিয়ে। প্ৰতিযোগিতা পৰিচালনা কৰাৰ বাবে ২১জন ৰেফাৰী নিয়োগ কৰা হৈছে। প্ৰতিযোগিতাত মুঠ ৯০খন খেল অনুষ্ঠিত হ'ব বুলি অসম ভলীবল সন্থাৰ ৰেফাৰী ব'ৰ্ডৰ সম্পাদক ধনজিৎ দাসে জনাইছে। উল্লেখ্য যে নিশাৰ ভাগত প্ৰতিযোগিতাৰ খেলসমূহ অনুষ্ঠিত হৈছে।

## গোলাঘাট সেৱাবাহিনীৰ ক্ৰীড়া সমাৰোহৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা সেৱাবাহিনীয়ে অহা ১১-১৩ মাৰ্চত ক্ৰীড়া সমাৰোহৰ আয়োজন কৰিছে। এই সমাৰোহত দ্বিতীয় বাৰ্ষিক আন্তঃআঞ্চলিক ক্ৰিকেটৰ লগতে এক মুকলি মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে জিলা শাখাৰ অন্তৰ্গত ১৪খন আঞ্চলিক শাখাৰ পৰা অতিৰিক্ত খেলুৱৈসহ এটা ১৫জনীয়া দল প্ৰেৰণ কৰিব পাৰিব। অহা পাঁচ মাৰ্চৰ ভিতৰত খেলুৱৈৰ নাম তালিকা প্ৰেৰণ কৰিব লাগিব বুলি খেল পৰিচালনা সমিতিৰ সম্পাদক নয়নজ্যোতি হাজৰিকাই জনাইছে। আনহাতে, মুকলি মাৰাথনত ১৪ বছৰৰ ওপৰৰ সকলোৱে অংশগ্ৰহণ কৰিব পাৰিব। মাৰাথনত অংশগ্ৰহণৰ বাবে জিলা শাখাৰ ৱেবছাইট www.sssgolaghat.comত নাম পঞ্জীয়ন কৰিব লাগিব। উল্লেখ্য যে এইবাৰৰ প্ৰতিযোগিতা কিছুদিনৰ পূৰ্বে যোৰহাটত গণপ্ৰহাৰত মৃত্যু হোৱা গোলাঘাট জিলা সেৱাবাহিনীৰ সেৱক তথা প্ৰাক্তন ছাত্ৰনেতা অনিমেষ ভূঞাৰ সোঁৱৰণত অনুষ্ঠিত হ'ব।

## শ্ৰীলংকাৰ বিপক্ষে নাথাকে কোহলি

### টি-২০ শৃংখলাৰ পৰা বিশ্ৰাম দিয়াৰ সম্ভাৱনা

**নিউজ ব্যুৰ'**



**কলকাতা, ১৮ ফেব্ৰুৱাৰী ঃ** শ্ৰীলংকাৰ বিপক্ষে আগন্তুক টি-২০ শৃংখলাত ভাৰতীয় দলত নাথাকিব পাৰে বিৰাট কোহলি। প্ৰাক্তন অধিনায়কজনে বিগত দুবছৰ ধৰি শতৰাণৰ মুখ দেখা নাই। শেহতীয়াকৈ তেওঁ অতি শোচনীয় ফৰ্ম প্ৰদৰ্শন কৰিছে। এনে পৰিস্থিতিত জ্যেষ্ঠ ক্ৰিকেটাৰজনক ধাৰাবাহিক মেচ খেলাৰ চাপৰ পৰা মুক্ত কৰাৰ কথা চিন্তা কৰিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। শ্ৰীলংকাৰ বিপক্ষে টি-২০ শৃংখলাৰ পৰা কোহলিক বিশ্ৰাম দিয়া হ'ব।

অহা ২৪ ফেব্ৰুৱাৰীৰ পৰা ভাৰত-শ্ৰীলংকাৰ টি-২০ শৃংখলা আৰম্ভ হ'ব। তাৰ পাছতে দল দুটাই দুখন টেষ্ট খেলিব। দুয়োটা শৃংখলাৰ বাবে দুই-এদিনতে ভাৰতীয় দল ঘোষণা কৰিব। উল্লেখ্য যে যোৱা বছৰ নিউজিলেণ্ডৰ বিপক্ষে টেষ্ট শৃংখলাৰ পাছৰে পৰা কোহলিয়ে মাত্ৰ এখন মেচৰ বাদে প্ৰতিখনতে খেলিছে। সেইবাবেই তেওঁক বিশ্ৰাম দিয়াৰ কথা চিন্তা কৰা হৈছে। আনকি শ্ৰীলংকাৰ বিপক্ষে প্ৰথম টেষ্টৰ পৰাও তেওঁক বিশ্ৰাম দিয়া হ'ব পাৰে। সেই ক্ষেত্ৰত বাংগালুৰুতহে তেওঁ কেৰিয়াৰৰ শততম টেষ্ট খেলিব।আগন্তুক টি-২০ আৰু টেষ্ট শৃংখলাৰ পৰা কোহলিৰ লগতে আন দুজনমান খেলুৱৈকো বিশ্ৰাম দিয়া হ'ব পাৰে। বিচিচিআইৰ সূত্ৰই জনোৱা মতে, আঘাতমুক্ত হৈ দললৈ উভতিব ৰবীন্দ্ৰ জাদেজা। সেই ক্ষেত্ৰত বাদ পৰিব অক্ষৰ পেটেল বা ৱাশ্বিংটন সুন্দৰ।

## সুভাষ তাঁতী প্ৰাইজমানি দিবা-নৈশ ভলীবলত খুমটাই চূড়ান্ত বিজয়ী



**বিশেষ সংবাদদাতা**

**নগাবাট, ১৮ ফেব্ৰুৱাৰী ঃ** পশ্চিম যোৰহাটৰ চাংচোৱা সেউজী সংঘৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত সুভাষ তাঁতী সোঁৱৰণী চলন্ত ট্ৰফী আৰু প্ৰাইজমানি দিবা-নৈশ ভলীবল প্ৰতিযোগিতাখন যোৱা নিশা সমাপ্ত হয়। চাংচোৱা সেউজী সংঘৰ সম্পাদক দীপাংকৰ কেওটে জনোৱা মতে, প্ৰতিযোগিতাত খুমটাই দল চেম্পিয়ন হয়। যোৱা নিশাৰ ফাইনেলত খুমটাই দলে চাংচোৱা এছএনজি ক্লাবক ৩-১ ছেটত পৰাজিত কৰে। প্ৰতিযোগিতাত মুঠ ১৬টা দলে অংশগ্ৰহণ কৰে। ফাইনেলৰ অন্তত সংঘৰ স্থায়ী সভাপতি গুণাৰাম তাঁতীৰ পৌৰোহিত্যত অনুষ্ঠিত বঁটা বিতৰণী সভাত চাংচোৱা চাহ বাগিচাৰ মুখ্য পৰিচালক দিগন্ত বিজয় বৰা, জ্যেষ্ঠ চিকিৎসক প্ৰণৱ কুমাৰ বৰদলৈ, ৭৩ নম্বৰ মধ্য ঠেঙাল খঙীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী পূৰ্ণিমা কেওট আদি উপস্থিত থাকি বঁটাসমূহ বিতৰণ কৰে।

## জে কে বৰুৱা ক্ৰিকেটত ধেমাজিৰ বিশাল জয়

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আয়োজিত ১৯ বছৰ অনূৰ্ধ্বৰ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেটত ধেমাজিয়ে বিশাল জয় অৰ্জন কৰিছে। ফৰকাটিং ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত দুদিনীয়া লীগ মেচখনত ধেমাজিয়ে নগাঁৱক ১৯৯ ৰাণত পৰাজিত কৰে। প্ৰথম ইনিংছত ধেমাজিয়ে ১৮৩ ৰাণ কৰাৰ পাছত নগাঁৱৰ ইনিংছ ১৬১ ৰাণত সমাপ্ত হয়। দ্বিতীয় ইনিংছত ধেমাজিয়ে ২৫১ ৰাণ কৰে যদিও নগাঁৱে ৭৪ ৰাণতে ইনিংছ সামৰিবলৈ বাধ্য হয়।

## ইউৰোপাত কঠিন হ'ল বাৰ্চিলোনাৰ পথ

**নিউজ ব্যুৰ'**

**বাৰ্চিলোনা, ১৮ ফেব্ৰুৱাৰী ঃ** ইউৰোপা লীগত পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশৰ পথ কঠিন হ'ল বাৰ্চিলোনাৰ। ইউৰোপৰ দ্বিতীয় সৰ্বোচ্চ লীগখনৰ নকআউট পৰ্বৰ প্ৰথম লেগৰ খেলত বাৰ্চিলোনাই ঘৰুৱা খেলপথাৰতে ইটালীৰ ক্লাব নেপ'লিৰ স'তে ১-১ গ'লত ড্ৰ খেলিবলৈ বাধ্য হয়। দ্বিতীয় লেগত দল দুটাই নেপ'লিত খেলিব লাগিব। সেয়ে প্ৰতিপক্ষৰ শিবিৰত জয়ী হ'ব পাৰিলেহে বাৰ্চিলোনাই পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিব লাগিব। উল্লেখ্য যে যোৱা নিশাৰ খেলখনৰ ২৯ মিনিটত পিয়টাৰ জিয়েলিংস্কিৰ গ'লেৰে নেপ'লিয়ে অগ্ৰগতি অৰ্জন কৰিছিল। অৱশ্যে দ্বিতীয়াৰ্ধ্বত বাৰ্চিলোনাৰ তাৰকা ষ্ট্ৰাইকাৰ ফেৰান ট'ৰেছে পেনাল্টিৰ জৰিয়তে সমতা স্থাপন কৰে।

## ক্ৰমাগত তৃতীয় পৰাজয় ভাৰতৰ মহিলা দলৰ

**নিউজ ব্যুৰ'**

**কুইন্সটাউন, ১৮ ফেব্ৰুৱাৰী ঃ** নিউজিলেণ্ডৰ বিপক্ষে এদিনীয়া আন্তৰ্জাতিক মেচৰ শৃংখলাৰ একেৰাহে তৃতীয় মেচত পৰাজিত হ'ল ভাৰতীয় মহিলা ক্ৰিকেট দল। মহিলাৰ সীমিত অভাৰৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক ৰাণ অনুসৰণ কৰি আজিৰ তৃতীয়খন মেচত তিনি উইকেটত জয়লাভ কৰে নিউজিলেণ্ডে। প্ৰথমে বেটিং কৰি ভাৰতে তিনি বেটাৰৰ অৰ্ধশতৰাণৰ সহায়ত সকলো উইকেটৰ বিনিময়ত ২৭৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত প্ৰাৰম্ভিক বিপৰ্যয় ৰোধ কৰি ঘৰুৱা দলটোৱে সাত উইকেট হেৰুৱাই পাঁচটা বল বাকী থকা অৱস্থাত জয়ৰ লক্ষ্যত উপনীত হয়। ভাৰতৰ পেচবলাৰ ঝুলন গোস্বামী (৩/৪৭)ৰ দুৰ্দান্ত বলিঙৰ বাবে কিৱি দলটোৱে ১৪ ৰাণতে দুই অপেনাৰক হেৰুৱায়। ইয়াৰ পাছত এমেলিয়া কেৰ (৬৭) আৰু এমী ছাটাৰ্থৱেইট (৫৯)ৰ মাজত ১০৩ ৰাণ সংগৃহীত হয়। তৎসত্ত্বেও ঘৰুৱা দলটোৱে ৩৫ অভাৰত ১৭১ ৰাণতে ছয় উইকেট হেৰুৱাইছিল। অৱশ্যে শেষৰ ফালে লৰেন ডাউনে দুৰ্দান্ত বেটিঙেৰে দলক জয়ৰ দুৱাৰডলিত উপনীত কৰায়। ডাউনে ৬৪ ৰাণত অপৰাজিত হৈ থকাৰ লগতে তেওঁক সহযোহ কৰি কেটী মাৰ্টিনে ৩৫ ৰাণৰ বৰঙণি যোগায়। ইয়াৰ পূৰ্বে দুই অপেনাৰ ছাভিনেনি মেঘনা (৬১) আৰু শেফালি বাৰ্মা (৫১)ৰ দুৰ্দান্ত বেটিঙৰ সহায়েৰে ভাৰতে ১৩ অভাৰতে ১০০ ৰাণ সংগ্ৰহ কৰিছিল। ইয়াৰ পাছত দলটোৱে নিয়মিত ব্যৱধানত উইকেট হেৰুৱায়। পাছলৈ দীপ্তি শৰ্মাই ৬৯ ৰাণত অপৰাজিত হৈ ৰয়। অধিনায়িকা মিতালী ৰাজে ২৩ ৰাণ কৰে।



ইউৰোপা লীগৰ খেলৰ এটি মুহূৰ্তত বাৰ্চিলোনাৰ ফেৰান ট'ৰেছ (মাজত)।

## কাকজানত অসমভিত্তিক ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ১৮ ফেব্ৰুৱাৰী ঃ** কাকজান দ-গাঁও স্থানীয় যুৱ সমাজৰ উদ্যোগত এখন অসমভিত্তিক ছেভেন এ ছাইড টেনিছবল ক্ৰিকেট প্ৰতিযোগিতা আজিৰে পৰা আৰম্ভ হৈছে। সমাজৰ সভাপতি বাবু আলী, সম্পাদক ইনাম আলী, কাৰ্যকৰী সভাপতি মানস প্ৰতিম ভূঞা আৰু প্ৰচাৰ সম্পাদক মেৰাজ খানৰ প্ৰচেষ্টাত আয়োজিত প্ৰতিযোগিতাখন আজি উদ্বোধন কৰে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। অনুষ্ঠানত ৰাইজৰ দলৰ কেন্দ্ৰীয় নেতা অংকুৰ শইকীয়া, দেৱাংগ সৌৰভ গগৈ, কবীন্দ্ৰ চেতিয়া ফুকন, দলটোৰ যোৰহাট জিলা সমিতিৰ সভাপতি দিলীপ কুমাৰ বৰদলৈ উপস্থিত থাকে। খেল পৰিচালনাৰ ক্ষেত্ৰত সহায়-সহযোগ কৰা নুৰ হুছেইনক কৃতজ্ঞতা প্ৰকাশ কৰে খেল পৰিচালনা সমিতিয়ে।

### দুই হেনৰিৰ পৰাক্ৰমত অসহায় হৈ পৰিছে দক্ষিণ আফ্ৰিকা

## প্ৰথম টেষ্টত নিউজিলেণ্ডৰ আধিপত্য



**নিউজ ব্যুৰ'**

**ক্ৰাইষ্টচাৰ্চ, ১৮ ফেব্ৰুৱাৰী ঃ** বেটাৰ হেনৰি নিকল্‌ছ আৰু ফাষ্টবলাৰ মেট হেনৰিৰ পৰাক্ৰমত দক্ষিণ আফ্ৰিকাৰ বিপক্ষে প্ৰথম টেষ্টৰ দ্বিতীয় দিনাই জয়ৰ গোন্ধ পাইছে নিউজিলেণ্ডে। নিকল্‌ছৰ কেৰিয়াৰৰ অষ্টম টেষ্ট শতৰাণৰ সহায়েৰে ঘৰুৱা দল নিউজিলেণ্ডে নিজৰ প্ৰথম ইনিংছত ৪৮২ সংগ্ৰহ কৰে। ইয়াৰ ফলত ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত ৩৮৭ ৰাণৰ অগ্ৰগতি অৰ্জন কৰে। দ্বিতীয় ইনিংছ মুকলি কৰি দক্ষিণ আফ্ৰিকাই পুনৰ বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছে। দিনান্তলৈ ভ্ৰমণকাৰী দলটোৱে ৩৪ ৰাণতে তিনি উইকেট হেৰুৱায়। টেম্বা বাভুমাই ২২ আৰু ৰেছী ভান ডাৰ ডুছেনে ন ৰাণত অপৰাজিত থাকে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই কালি ৯৫ ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। হেনৰিয়ে দলটোৰ সাতটা উইকেট দখল কৰিছিল।

উল্লেখ্য যে নিউজিলেণ্ডে কালিৰ তিনি উইকেটত ১১৬ ৰাণৰ পৰা খেল আৰম্ভ কৰি মুঠ ৪৮২ ৰাণত প্ৰথম ইনিংছ সামৰে। নিকল্‌ছে ১১টা বাউণ্ডেৰীৰ সহায়ত ১০৫ ৰাণ কৰে। উইকেট কীপাৰ টম ব্লাণ্ডেলে ৯৬ ৰাণ কৰাৰ বিপৰীতে ১১ নম্বৰ স্থানৰ বেটাৰ হেনৰিয়ে বলৰ পাছত বেট হাতত লৈও ভ্ৰমণকাৰী দলটোক হতাশ কৰে। তেওঁ ৫৮ ৰাণত অপৰাজিত হৈ ৰয়। ইয়াৰ উপৰি নেইল ৱেগনাৰে ৪৯ আৰু কলিন ডে গ্ৰেণ্ডহ'মে ৪৫ ৰাণৰ বৰঙণি যোগায়।

সত্যমেৱ জয়তে

অসম চৰকাৰ
পৰিবহণ বিভাগ

National Informatics Centre

# অসম

অনলাইন ৰাজহুৱা সেৱা প্ৰদানৰ দিশত আন এক উল্লেখনীয় পদক্ষেপ

## ১০টা নতুন অনলাইন যোগে প্ৰাপ্ত পৰিবহণ সেৱা আৰু গুৱাহাটী ভিত্তিক ফেৰী সেৱাৰ বাবে নিশাৰ পথ প্ৰদৰ্শনৰ সুবিধাৰ লগতে ধুবুৰী আৰু শিলচৰ ফেৰী সেৱাৰ বাবে ই-টিকট প্ৰণালীৰ শুভাৰম্ভণি




শুভাৰম্ভ কৰিব

**ড০ হিমন্ত বিশ্ব শৰ্মাই**
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
আৰু উপস্থিত থাকিব
**শ্ৰী যুত চন্দ্ৰমোহন পাটোৱাৰী**
অসমৰ মাননীয় পৰিবহণ মন্ত্ৰী

## পৰিবহণ সেৱাসমূহ

1. Transfer of Ownership
2. Hypothecation Cancellation
3. Duplicate Registration Certificate
4. Replacement of DL
5. Change of address
6. Hypothecation Endorsement
7. Surrender of Class of Vehicle
8. No objection Certificate
9. International driving permit
10. DL Extract

- যোগাযোগবিহীন আৰু ঘৰতে উপলব্ধ সেৱা
- জিলা পৰিবহণ বিষয়া কাৰ্যালয়লৈ যোৱাৰ প্ৰয়োজন নাই
- আধাৰযুক্ত প্ৰমাণীকৰণ

অনলাইন | যোগাযোগবিহীন | অসুবিধামুক্ত
সহজে উপলব্ধ | স্বচ্ছ | নাগৰিক কেন্দ্ৰিক

## আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ সেৱাসমূহ

১. Night navigation facility for Guwahati based ferry sevices
২. e-ticketing system for Dhubri and Silchar ferry services

## আবেদন কৰা পৰ্যায়সমূহ

পৰ্যায় ১ www.parivahan.gov.in ক্লিক কৰক
পৰ্যায় ২ অনলাইন সেৱাসমূহ বাছনি কৰক
পৰ্যায় ৩ ড্ৰাইভিং সম্পৰ্কীয় সেৱা বা বাহন সম্পৰ্কীয় সেৱাসমূহ বাছনি কৰক (প্ৰযোজ্য অনুসৰি)
পৰ্যায় ৪ ৰাজ্য "অসম" বাছনি কৰক
পৰ্যায় ৫ আকাংক্ষিত সেৱাৰ বাবে আধাৰযুক্ত প্ৰমাণীকৰণৰ সৈতে আবেদন কৰক

পৰ্যায় ১ www.asiwt.in ক্লিক কৰক আৰু আপোনাৰ ম'বাইল নম্বৰৰ সৈতে পঞ্জীয়ন কৰক।
পৰ্যায় ২ আপোনাৰ ব্যক্তিগত বিৱৰণ প্ৰবিষ্ট কৰক।
পৰ্যায় ৩ যাত্ৰা, উৎস আৰু গন্তব্যস্থানৰ তাৰিখ বাছনি কৰক আৰু Search ক্লিক কৰক।
পৰ্যায় ৪ বুক কৰিবলৈ ফেৰী বাছনি কৰি যাত্ৰীৰ বিৱৰণ পূৰণ কৰক আৰু টিকটৰ মূল্য আদায় দিয়ক
পৰ্যায় ৫ ইটিকেট প্ৰিণ্ট বা ডাউনলোড কৰক

@TransportAssam 9531107518

জনসংযোগ/ডি/১৫৮৭৮/২১